# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ০২/০৩/২০২০ সোমবাৰ

**আজি ইংৰাজী ০২-০৩-২০২০ তাৰিখে ৰাতিপুৱা ৯ঃ ৩০ বজাৰ পৰা ১৪ তম অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** সকলোকে Budget Session ৰ বাবে আদৰণি জনাইছো। এতিয়া মই Question Hour লম। পেৰায়ুক্ত প্ৰশ্ন Question no 1. Ramendra Narayan Kalita. মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পূব গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নটো এইবাৰেই প্ৰথম কৰা নাই। যোৱা তিনিটা বছৰে মই একেটা প্ৰশ্নকে শুধি আহিছো আৰু মাননীয় মন্ত্ৰীয়ে একেটা উত্তৰকে দি আছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে উত্তৰত কোৱা হৈছে যে ৬ জনগোষ্ঠী জনজাতি কৰণ কৰাৰ সম্পৰ্কত প্ৰস্তাৱ প্ৰেৰণ কৰি আহিছে। এতিয়া প্ৰস্তাৱ প্ৰেৰণ কৰি আহিছে এই কথাটো জানো। কিন্তু শেহতীয়াভাৱে ৰাজ্য চৰকাৰে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এখন উপ সমিতি গঠন কৰিছিল। এই উপসমিতিৰ প্ৰতিবেদন নাপালে কেন্দ্ৰীয় চৰকাৰে কোনো সিদ্ধান্ত নলয়। এতিয়া এই কমিটিখন কেতিয়া গঠন কৰা হৈছিল ? কিমান দিন হ'ল আৰু এই যিটো প্ৰতিবেদন কিমান দিনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে ক'ব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এই ৬ জনগোষ্ঠী বিশেষকৈ আহোম, মৰাণ , মটক, চুতীয়া, কোঁচ ৰাজবংশী আৰু চাহ জনগোষ্ঠী জনজাতিকৰণ এইটো এতিয়া দাবী কৰা বিষয় বস্তু নহয়। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মোৰ প্ৰশ্নটো হ'ল যে ৬ জনগোষ্ঠীৰ জনজাতি কৰণ কৰাৰ সম্পৰ্কত ৰাজ্য চৰকাৰৰ উপ সমিতিয়ে কেতিয়া ইয়াৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াব ? এই সম্পৰ্কত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ স্থিতিটো কি ?

**মাননীয় অধ্যক্ষ ঃ** Thank You. Minister Please.

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নৰ উত্তৰ একেটাই পাই আছে বুলি কৈছে। কাৰণ ৰাজ্য চৰকাৰে মাননীয় মন্ত্ৰী মহোদয়ৰ নিৰ্দেশ মৰ্মে অতি দায়িত্ব সহকাৰে কাম কৰি আছে। ইয়াৰ কাৰণে এইবাৰো আমি কথাটো কৈছো যে এই ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই যোৱা ১৪ জুনত মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক অধ্যক্ষতা কৰি ৫ জনীয়া মন্ত্ৰী গোট বনাই দিছিল। এই কমিটি গঠন হোৱাৰ পিছত সকলো Stake- Holder আৰু ৬ জনগোষ্ঠী ST হ'ব বিচৰা সকলো জনগোষ্ঠীৰ লগত আমি এটা round বহিছো। অতি গুৰুত্ব সহকাৰে এই আলোচনাটো হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কিছুমান কথা আছে। OBC 27% Reservation আছে। ৬ জনগোষ্ঠী ST হোৱাৰ পিছত আৰু OBC নাথাকিব নেকি? এই কথাটো অলপ ভাৱিবলগীয়া কথা। আমাৰ গোৰ্খা সম্প্ৰদায় আৰু আদিবাসী তথা চাহ জনগোষ্ঠীৰ ভিতৰতো বহুতো OBC, SC থাকিব। নাথ, যোগী, সুত আৰু মাইমল তেনেকুৱা ধৰণৰ জনগোষ্ঠী OBC হিচাপত থাকিব। তেতিয়াহলে OBC হিচাপত থকাসকলৰ কাৰণে ২৭ শতাংশৰ পৰা কিমান Quantum of reservation

আমি কেনেকৈ কৰিম? এই কথা বিলাক আমি অতি গুৰুত্ব সহকাৰে চিন্তা-চৰ্চা কৰিছো। এতিয়া যিমান আলোচনা কৰা হ'ল, এটা final round হোৱাৰ প্ৰয়োজন আছে। প্ৰথম যেতিয়া আমি আলোচনা কৰিছিলো সেই আলোচনাত ৬ জাতি জনগোষ্ঠী সকলেও বিভিন্ন কথা দায়িত্ব সহকাৰে স্বীকাৰ কৰিছে। যেনে- আদিবাসী ভাইসকলক sub-caste হিচাপে স্বীকাৰ কৰিছিল। ৯৮ টা sub-caste ৰ ভিতৰত ৩৬ টা sub-caste ক RGI, National Commission for Scheduled Tribe য়ে জনজাতিকৰণৰ বাবে recommend কৰিছে। এতিয়া আলোচনা হৈছে যে ৯৮ টা sub-caste য়েই Scheduled Tribe ৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব লাগে কিন্তু তাত বহুতো technical কথা আছে। গতিকে এই সকলো বিষয়ৰ ওপৰত আমি চৰ্চা কৰিছো আৰু আগন্তুক ২০ তাৰিখৰ ভিতৰত প্ৰত্যেক stakeholder ৰ লগত final consultation কৰি Group of Ministers Committee ক recommend কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই বিষয়টোত যে গুৰুত্ব দিছে, সেই বিষয়ে মই জানো। কিন্তু, বিভাগে গুৰুত্ব দিছে নে নাই সেইটোহে মূল কথা। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সম্পৰ্কত মই ভাৱো যে বৰ্তমানৰ জনজাতীয় লোকসকলৰ কোনো অসুবিধা নোহোৱাকৈ যদি ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা হয় তেন্তে তাত কোনো অসুবিধা নাই। ইতিমধ্যে আমাৰ মিত্ৰজোঁটৰ চৰকাৰখনে প্ৰায় চাৰি বছৰ অতিক্ৰম কৰিলে, গতিকে আগন্তুক নিৰ্বাচনৰ আগত এই ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব নে নাই?

দ্বিতীয়তে, কলিতা জনগোষ্ঠীকো জনজাতিকৰণ কৰাৰ সম্পৰ্কত দাবী উত্থাপন হৈছিল। কিন্তু, জনজাতিকৰণ কৰাৰ ক্ষেত্ৰত কলিতা জনগোষ্ঠীৰ বৈশিষ্টসমূহ আছে নে নাই সেইটো চাবলৈ গৱেষণা কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে বুলি বিভাগে কৈয়েই আছে। যদি প্ৰেৰণ কৰিছে, তেন্তে তাত মোৰ ক'বলগীয়া নাই। কাৰণ এই ক্ষেত্ৰত গৱেষণাৰ প্ৰয়োজনবোধ মইয়ো অনুভৱ কৰো। বিশেষভাৱে, বহুতো জনগোষ্ঠীৰ উন্নয়ন বা জনজাতিকৰণৰ ক্ষেত্ৰত যিদৰে কিছুমান সমিতি গঠন কৰি দিছে, ঠিক তেনেদৰে কলিতা জনগোষ্ঠীৰ উন্নয়নৰ ক্ষেত্ৰতো এনে ধৰণৰ সমিতি গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে নাই, এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মই মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰৰ পৰা জানিব পাৰিছো যে চাহ-জনগোষ্ঠীৰ মাজত কেইবাটাও sub-caste আছে, কিন্তু প্ৰক্ৰিয়া অনুসৰি তাৰে প্ৰায় অৰ্ধ অংশকে Scheduled Tribe ত অন্তৰ্ভুক্ত কৰিব পৰা নাই। গতিকে এনেধৰণৰ গুৰুত্বপূৰ্ণ কথাবিলাকত আলোচনাৰ প্ৰয়োজন আছে।

মন্ত্ৰী ডাঙৰীয়া, এতিয়া আপুনি কলিতা জনগোষ্ঠীৰ সম্পৰ্কত কওঁক।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ ঃ** অধ্যক্ষ মহোদয়, আপুনি কলিতা জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত গুৰুত্ব সহকাৰে সুধিছে, গতিকে ইয়াৰ উত্তৰটো মই প্ৰথমে দিব খুজিছো। কলিতা জনগোষ্ঠীক জনজাতিকৰণৰ বাবে যিখিনি criteria ৰ প্ৰয়োজন সেইখিনি fulfill কৰিছে নে নাই তাৰ ওপৰত অধ্যয়ন তথা গৱেষণা কৰি তাৰ ৰিপৰ্ট আমাক দিয়াৰ বাবে আমি Tribal Research Institute ৰ ওচৰত পঠাইছো।

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** অধ্যক্ষ মহোদয়, existing জনজাতীয় লোক সকলৰ কোনো অসুবিধা নোহোৱাকৈ নিৰ্বাচনৰ আগত এই ছয় জনগোষ্ঠীক জনজাতিকৰণ

কৰাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? যিহেতু আমিও বিজেপি নেতৃত্বৰ মিত্ৰজোঁটৰ চৰকাৰত আছো।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ পৰামৰ্শটো মন্ত্ৰী ডাঙৰীয়াই লৈছে। গতিকে আপুনি আগন্তুক ২০ তাৰিখলৈ অপেক্ষা কৰক।

এতিয়া ঋতুপৰ্ণ বৰুৱা।

**মাননীয় শ্ৰী ঋতুপৰ্ণ বৰুৱা (লাহোৱাল)ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ যোগেৰে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে ব্ৰিটিছৰ সময়ৰ পৰাই এই ছয় জনগোষ্ঠীয়ে জনজাতিকৰণৰ বাবে দাবী কৰি আহিছে আৰু বৰ্তমান আমাৰ চৰকাৰেও existing Tribal লোকসকলৰ স্বাৰ্থত কোনো হানি-বিঘিনি নোহোৱাকৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়াত আগবাঢ়িছে। ইয়াৰ লগতে মই আৰু এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ আৰু শিৱসাগৰৰ কিছু অংশত মটক আৰু মৰাণ, এই দুটা ক্ষুদ্ৰ জনগোষ্ঠীৰ লোকে বাস কৰি আছে। কিন্তু, বহু সময়ত আমি দেখিছো যে এই দুয়োটা জনগোষ্ঠীৰ ক্ষেত্ৰত জনজাতিকৰণ দিব পাৰে বুলি জনজাতীয় যুৱ সংগঠন, ট্ৰাইবেল সংঘকে আদি কৰি বহুতে বিনা দ্বিধাৰে ব্যক্ত কৰিছে। সেয়েহে, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে জনজাতিকৰণৰ এটা প্ৰক্ৰিয়া যিহেতু আগবাঢ়িছে, এই প্ৰক্ৰিয়াতে যদি এই দুটা জনগোষ্ঠীকো জনজাতিকৰণৰ বাবে আগবঢ়াই দিব পাৰো তেন্তে ছয় জনগোষ্ঠীৰ বাবে নিশ্চয় ভাল হ'ব বুলি মই ভাৱো। ইয়াৰোপৰি, চাহ-জনগোষ্ঠীৰ বিষয়েও ইতিমধ্যে আলোচনা হৈছে আৰু ইয়াৰ যি কেইটা জাতীয় সংগঠন আছে তেওঁলোকৰ লগত আলোচনা কৰি চাহ-জনগোষ্ঠীৰ sub-caste কেইটাক যদি আগবঢ়াই দিব পাৰো তেন্তে এই সমস্যাটো বহু ক্ষেত্ৰত এটা সমাধানৰ দিশে আগবাঢ়িব বুলি মই বিশ্বাস ৰাখো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ছয় জনগোষ্ঠীৰ সংগ্ৰাম, আন্দোলন, আলোচনা, প্ৰস্তাৱ আদি আটাইবোৰ বিষয় যাতে consensusly সমাধান হয়, সেই ক্ষেত্ৰত চৰকাৰৰ প্ৰস্তাৱ তথা সিদ্ধান্তটো হ'ল যে ছয়টা জনগোষ্ঠীক একেলগে জনজাতিকৰণৰ বাবে Group of Ministers Committee ক প্ৰস্তাৱ প্ৰেৰণ কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰফিকুল ইছলাম।

**মাননীয় শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী দীৰ্ঘদিনীয়া। এই ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰৰ প্ৰতিশ্ৰুতি আছিল যে তেওঁলোকে ক্ষমতাত আহিলে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিব। মই যি অঞ্চলত বাস কৰো সেই অঞ্চলৰ আশে-পাশে কোঁচ ৰাজবংশী জনগোষ্ঠীৰ যথেষ্ট সংখ্যক জনসংখ্যা আছে। মই তেওঁলোকৰ অধিকাৰ আৰু পৰিচয়ৰ কাৰণে দীৰ্ঘদিন ধৰি আন্দোলন কৰি অহা দেখিবলৈ পাইছো। এই ক্ষেত্ৰত কেৱল কোঁচ ৰাজবংশীয়েই নহয়, মৰাণ, মটক, চুতীয়া, আহোম আৰু চাহ জনগোষ্ঠীসকলেও দীৰ্ঘ দিন ধৰি দাবী কৰি আহিছে।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ প্ৰশ্নটো কি ?

**মাননীয় শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে প্ৰশ্ন কৰিছিল

যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত কেন্দ্ৰৰ লগত যোগাযোগ কৰি থকা হৈছে নে নাই? ইয়াৰ উত্তৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই ৪ বছৰ আগৰ চিঠিৰ কথাহে উল্লেখ কৰিলে, যিখন ১৩-০৬-২০১৬তে কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছিল। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই চিঠিখনৰ reference তহে প্ৰশ্নটোৰ উত্তৰ দিলে। কিন্তু, ২০১৬ ৰ পৰা ২০১৯ ৰ ভিতৰত কেন্দ্ৰৰ লগত যোগাযোগ হ'ল নে নহ'ল এই সম্পৰ্কে সদনত একো উল্লেখ কৰা নাই। অৰ্থাৎ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোত চৰকাৰে গুৰুত্ব দিয়া নাই। যোৱা চাৰি বছৰে চৰকাৰে এই সম্পৰ্কত কিয় একো পদক্ষেপ লোৱা নাই?

**মাননীয় অধ্যক্ষঃ** You must understand the question he has raised. Your question should be- Whether the Govt. made any communication with the Central Govt. from 2016 to 2019? This is Question Hour, no discussion can take place now. So many things have happened already.

**মাননীয় শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, আকৌ কৈছে যে নতুন সমিতি গঠন কৰিলে এলানি আলোচনাৰ প্ৰয়োজন এতিয়াও আছে। সেই আলোচনা কেতিয়া আৰম্ভ হ'ব আৰু সমস্যাটো কেতিয়া সমাধান হ'ব?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰীয়ে আলোচনাটো আগন্তুক ২০ তাৰিখে হ'ব বুলি কৈছেই।

মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই সুধিছে যে চৰকাৰৰ সদিচ্ছা আছে নে নাই? এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে চৰকাৰৰ সদিচ্ছা আছে । ইয়াৰ কাৰণে Group of Ministers Committee য়ে ভাৰত চৰকাৰৰ নিৰ্দেশ মতে quantum of reservation টো ঠিক কৰি দিব লাগে। ক্ষন্তেক আগতে মই কৈছিলো যে OBC হিচাপে এওঁলোক আগৰে পৰা আছে। গতিকে এতিয়া তেওঁলোকৰ reservation ৰ provision

টো আমি কেনেকৈ ৰাখিম, এইক্ষেত্ৰত তথ্য সমূহে কি কয় বা census য়ে কি কয়, এই সকলো কথা চালি-জাৰি চাব লাগিব আৰু ইয়াৰ বাবে Group of Ministers Committee য়ে আগন্তুক ২০ তাৰিখৰ আগত existing ST, হ'বলগীয়া ST আৰু OBC ৰ Stake Holder সকলৰ লগত আলোচনা কৰি final recommendation টো প্ৰেৰণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীয়ে কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমি কেইবাবাৰো কেন্দ্ৰীয় জনজাতি মন্ত্ৰী জুৱেলাৰাম ডাঙৰীয়া আৰু কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী কিৰণ ৰিজিজু ডাঙৰীয়াক এবাৰ সাক্ষাৎ কৰিছিলো। তেতিয়া আমাক তেওঁলোকে জনাইছিল যে OM প্ৰস্তুত কৰা হৈছে। এই OM খননো কি আৰু চৰকাৰে ইয়াৰ ওপৰত কিমানদূৰ কাম কৰিছে এই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীয়ে যিটো প্ৰশ্ন কৰিছে মই ভালদৰে বুজি পোৱা নাই। তেওঁ কোন সময়ত কোন মন্ত্ৰীক লগ ধৰিছিল আৰু তেওঁ কি কৈছিল সেই বিষয়ে আমাৰ কোনো Official

correspondence নাই।

**শ্ৰী অতুল বৰা, (দিছপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন কৰিবলগীয়া আছিল যে কোচ ৰাজবংশীক আগতে এবাৰ ST কৰিছিল আৰু তেওঁলোক ছয় মাহ মান ST হৈ থাকাৰ পিছত আকৌ Withdraw কৰিলে। সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ে Ordinance হৈছিল আৰু Ordinance ত Pass কৰিব নোৱাৰিলে।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিটো উত্তৰ দিছে, সেইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয়। কেন্দ্ৰীয় চৰকাৰে Ordinance জাৰি কৰিছিল আৰু ইয়াৰ পিছত কাৰিকৰী দিশবোৰ চাই তেওঁলোকে এইটো পুনৰ Withdraw কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্ত্তী প্ৰশ্ন নং-২। এতিয়া মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰীমতী অজন্তা নেওঁগ, (গোলাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয় , যোৱাবাৰ বাজেটত এটা Annexure হিচাপে বিভিন্ন পৰ্য্যটনস্থলী বিলাকৰ এখন তালিকা আমাক দিছিল অসম দ ৰ্শনৰ আঁচনিত। এতিয়া মন্ত্ৰী মহোদয়ক মই সুধিব বিচাৰিছো যে আপোনালোকে এই যিখন তালিকা বনালে তালিকাখন কোনে প্ৰস্তুত কৰি উলিয়ালে? কাৰণ আমি দেখিছো যে তাত দুখন তালিকা আছে। এখন তালিকাত গড়কাপ্তানী বিভাগৰ ফালৰ পৰা পৰ্য্যটনস্থলী সমূহত ৰাস্তা বনাইছে আৰু এখনত আন্তঃগাঁথনিৰ বাবে পুঁজি দিব। এই সমূহৰ Proper Survey হৈছিল নে নাই। ইয়াত আপুনি কৈছিল যে মোৰ সমষ্টিত ৫০ লাখ টকা দিব। কিন্তু মোৰ সমষ্টিত মই দেখিলো যে তাত কোনো স্থান নাই। গতিকে Proper Survey নোহোৱাকৈ ৫০ লাখ টকা ক'ত খৰচ হ'ব আৰু মই জানিব বিচাৰিছো যে এই তালিকাসমূহ কোনে বনাইছিল? যিহেতু গড়কাপ্তানী বিভাগৰ এজন কনিষ্ঠ অভিযন্তাই আহি মোক কৈছিল যে অসম দৰ্শনৰ স্কীম আহিব আৰু মই নাম দিব লাগে। গতিকে মই লৰালৰিকৈ নামটো দিছিলো কিন্তু পইচা কিমান আহিব, কেতিয়া আহিব একো নজনালে। গতিকে একো নজনাকৈ স্কীম বিলাক আপোনালোকে ইয়াত অন্তৰ্ভুক্ত কৰিছে। ৫০ লাখ টকা ইয়াত দিব। কিন্তু এইখিনি কৰিবলৈ তাত মাটি আছে নে নাই আৰু মই ৰাস্তাৰ ক্ষেত্ৰত কৈছো যে যিকেইটা স্কীমত ৰাস্তা ধৰিছে তাত Approch Road এক কিলোমিটাৰ ধৰিব লাগে। কিন্তু কিছুমান স্থানত Approch Road নাই। উদাহৰণ স্বৰূপে আঠখেলীয়া নামঘৰত Approch Road ৰ কাৰণে ডেৰ কোটি টকা চেংচন আহি গ'ল। কিন্তু Approch Road টো তাত অতি সুন্দৰভাবে নিৰ্মাণ হৈছে। এতিয়া সেইটো ভাঙিব লাগিব আৰু তাত পুনৰ ব্লক বহাব লাগিব। গতিকে এনেকুৱাধৰণৰ বিসংগতি কিয় হৈছে মই জানিব বিচাৰিছো। Proper Survey নকৰাকৈ ইয়াত স্কীমসমূহ কিয় অন্তৰ্ভুক্ত কৰিছে আৰু এই চাৰ্ভেসমূহ কোনে কৰিছে সেই বিষয়ে মই জানিব বিচাৰিছো। দ্বিতীয়তে মই জানিব বিচাৰিছো যে আপুনি কৈছে যে ৫০ লাখ টকা ইয়াত দিব। এই স্থানসমূহত এই ৫০ লাখ টকাটো কোনে implement কৰিব। Who will be the implementing Agency?

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম দৰ্শন' ৰ অধীনত যিসমূহ আঁচনি লোৱা হৈছে, সেই ক্ষেত্ৰত সেই স্থানসমূহ উন্নত কৰিবলৈ জিলা উপায়ুক্ত আৰু জিলা পৰ্য্যায়ৰ পৰা সকলোখিনি ৰিপোৰ্ট অনা হৈছে। এতিয়া আমাৰ চৰকাৰৰ সিদ্ধান্তটো হ'ল, এই আঁচনিখন ৰূপায়ন কৰিব T&D বিভাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চক্ৰধৰ গগৈয়ে কওঁক।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই বিষয়টোত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিবিলাক পৰ্যটন ক্ষেত্ৰ বিকাশৰ বাবে ব্যৱস্থা কৰা হৈছে, সেই ক্ষেত্ৰত ইয়াত প্ৰথমটো প্ৰশ্নৰ উত্তৰত জিৰণি কোঠা নিৰ্মাণৰ সন্দৰ্ভত নিৰ্দিষ্টকৈ এটা কথা কৈছে আৰু দুটামান সৰু সৰু বিষয় দিছে। কিন্তু মই এটা কথা এই বিভাগৰ সঞ্চালককো জনাইছিলো যে তেওঁ আজিৰ পৰা চাৰি-পাঁচমাহমান আগতে আমাৰ তাত চাৰ্ভে কৰিবলৈ গৈছিল। চাৰ্ভে কৰিবলৈ যাওঁতে তেওঁলোকে কৈছে যে এটা নিৰ্দিষ্ট পৰিমাণৰ জোখৰ এটা ঘৰ বনাই দিয়া হ'ব। কিন্তু মই ক'ব বিচাৰিছো যে আমাৰ তাত তেনেকুৱা ধৰণৰ ঘৰৰ প্ৰয়োজনীয়তা নাই। আমাৰ প্ৰয়োজনীয়তা আছে যে যিবিলাক অনুষ্ঠান পঞ্চাশ- ষাঠি বছৰ পুৰণি আৰু যি সমূহে বছৰ বছৰ ধৰি লোকসকলক আকৰ্ষিত কৰি আহিছে সেই অনুষ্ঠানসমূহ উৰলি গৈছে বা insufficient হৈছে । সেই অনুষ্ঠানসমূহ sufficiently নিৰ্মাণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে। বহু ক্ষেত্ৰত মডেল ঘৰ নিৰ্মাণৰ প্ৰয়োজনীয়তা নাথাকিব পাৰে কিন্তু প্ৰয়োজন সাপেক্ষে এই ঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰিলে ৰাইজ উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এইটো অতি এটা ভাল পৰামৰ্শ। এতিয়া মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমি কথা পাতিম। যিহেতু T&D বিভাগে এই আঁচনিখন ৰূপায়ণ কৰিব আৰু আমি একেলগে বহি আপোনাৰ পৰামৰ্শখিনি আগবঢ়াব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** কেতিয়াবা এনেকুৱা হয় যে স্কীম বনাই দিয়া হয় কিছুমান স্কুল বা অনুষ্ঠানৰ বাবে। কিন্তু তাতকৈ কিছুমান প্ৰয়োজনীয়তা থাকে। কিন্তু তেওঁলোকে কয় যে কেৱল এইটোহে স্কীম আছে। ইয়াতকৈ বেলেগ কৰিব নোৱাৰি। তেনে ক্ষেত্ৰত গোটেই পইচাটো অথলে যায়। এতিয়া কমলাক্ষ দে পুৰকায়স্থ দেৱে কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকাযস্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰাক ভেলীক লৈ যেতিয়া Speaker's Initiative ত আলোচনা হৈছিল, তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই সদনত কৈছিল যে আমাৰ প্ৰথম স্বাধীনতা বিদ্ৰোহ আৰম্ভ হৈছিল ১৯৫৬ চনৰ চিপাহী বিদ্ৰোহৰ পৰা। মোৰ সমষ্টিৰ মালেগড় স্বাধীনতা সংগ্ৰামৰ এটা বিশেষ স্থান। সেই স্থানত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে অসম দৰ্শনৰ যোগেদি এটা প্ৰসিদ্ধ স্থানলৈ ৰূপান্তৰিত কৰিব। কিন্তু আজিলৈকে কোনো পদক্ষেপ লোৱা হোৱা নাই। মোৰ প্ৰশ্নটো হৈছে এইটো পদক্ষেপ কেতিয়া লোৱা হ'ব? দ্বিতীয় প্ৰশ্নটো হেছে যে আমাৰ মাননীয় মুখমন্ত্ৰী ডাঙৰীয়াই টীম অসমৰ কথা কয়। কিন্তু এতিয়া যিখন তালিকা বনোৱা হৈছে তাত টীম অসম আমি দেখা পোৱা নাই। ইয়াত Discrimination হৈছে আৰু সেইটো কিয় হৈছে সেইটো মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে যিটো স্কীমৰ কথা কৈছে তেনেধৰণৰ আমাৰ স্কীম আছে নেকি?

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদন শেষ হোৱাৰ পিছত মাননীয় সদস্য গৰাকীৰ লগত একেলগে বহি এই বিষয়ে আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ পিছত আপুনি মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিব। এতিয়া মাননীয় সদস্য নিজানুৰ ৰহমান ডাঙৰীয়াই কওঁক।

**শ্ৰী নিজানুৰ ৰহমান আহমেদ, (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম দৰ্শনৰ অধীনত' প্ৰথম পৰ্য্যায়ত যিখিনি স্কীম হৈ গ'ল আৰু যিখিনি স্কীম বাদ পৰি গ'ল, সেই বাদ পৰি যোৱা

স্কীমখিনি নতুনকৈ হোৱাৰ কিবা ব্যৱস্থা আছে নেকি সেই বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী (ডব্লিউ পি টি এণ্ড বি চি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ যদি কিবা পৰামৰ্শ আছে, আমি একেলগে বহি আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৩। মাননীয় সদস্য মৃণাল শইকীয়া। মাননীয় সংসদীয় আৰু পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী মৃণাল শইকীয়া, ( খুমটাই ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিকেইটা প্ৰশ্ন দিছিলো তাৰ উত্তৰত মই সন্তুষ্ট নহয়। মই কৈছিলো যে চাবুৱাত যি হিংসাত্মক ঘটনা হৈছিল, সকলোৱে টি ভি পৰ্দাত দেখিছিল। কিমানটা চৰকাৰী কাৰ্য্যালয় আৰু চৰকাৰী বিভাগ ধ্বংস হৈছিল। কিন্তু ইয়াৰ উত্তৰত দিয়া হৈছে যে ক্ষতি সাধন হৈছে। বিধায়কৰ ঘৰেই হওঁক বা চৰকাৰী কাৰ্য্যালয়েই হওঁক শিলগুটি মাৰি গ্লাচ এখন ভাঙিলে তাক ক্ষতি সাধন হোৱা বুলি কয়। কিন্তু যেতিয়া গোটেই ঘৰটো সুৰাৰ বটল ঢালি জ্বলাই দিয়া হয়, সেইটো ক্ষতিসাধন নহয়, ধ্বংসস্তুপত পৰিণত হোৱা বুলি কোৱা হয়। এটা বাসগৃহত কেৱল বিল্ডিংটোৱে গুৰুত্ব নাথাকে। সেই বাসগৃহটোৰ ভিতৰত বহুতো দৰকাৰী কাগজ-পত্ৰ থাকে। যেনে-মাৰ্কশ্বীট, পেন কাৰ্ড, ড্ৰাইভিং লাইচেঞ্চ আদি গুৰুত্বপূৰ্ণ কাগজবোৰ থাকে। এই সমূহ কাগজ উলিয়াওতে মানুহৰ বিভিন্ন সমস্যা হয়। বিধায়কৰ ঘৰটো ধ্বংসস্তুপত পৰিণত কৰিলে তাকে চাই বহুতে পৈশাচিক আনন্দ লাভ কৰিলে। ৰাতিপুৱা ন বজাৰ পৰা ৰাতি আঠ বজালৈ চেগা-চুৰুকাকৈ ধ্বংস কাৰ্য্য সংঘটিত হৈছিল। এখন চহৰত প্ৰায় এঘাৰ ঘণ্টা আন্দোলনৰ নামত দুষ্কৃতিকাৰীয়ে ধ্বংস কাৰ্য্য সম্পন্ন কৰিছিল আৰু এঘাৰ ঘণ্টা সময় প্ৰশাসনে কিয় নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। ইয়াৰ বাবে কিমানজন মানুহক জবাবদাহী কৰা হ'ল আৰু কিমানজন মানুহৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ল? নহ'লে আগলৈও কেইজনমান মানুহে এখন চহৰ নিজৰ হাতৰ মুঠিত লৈ ল'ব। এশ, দুশ মানুহে যদি এখন চহৰ হাতৰ মুঠিত লৈ এঘাৰ ঘণ্টা সময় ধ্বংসস্তুপত পৰিণত কৰিব পাৰে তাতকৈ আৰু লজ্জাজনক কথা নাই। তাতে যি গৃহ ভাঙিছে সেইটো চৰকাৰে বনাই দিব লাগে। আজি মাননীয় সদস্য বিনোদ হাজৰিকাৰ ঘৰটো ধ্বংসস্তুপত পৰিণত কৰিলে। তাৰ দায়িত্ব কোনে ল'ব? মই বিচাৰিছো যে ইয়াৰ দায়িত্ব চৰকাৰে লওঁক আৰু তেওঁৰ ঘৰটো চৰকাৰে নিৰ্মাণ কৰি দিয়ক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী বিনোদ হাজৰিকা ডাঙৰীয়াৰ ঘৰত যিটো ঘটনা সংগঠিত হৈছিল, সেই ঘটনাটোক প্ৰথমতে চৰকাৰে condem কৰিছো। এই ঘটনাটো আচলতে সচাঁকৈ গৰিহনাৰ যোগ্য আৰু ইয়াক গৰিহণা দিছো।অধ্যক্ষ ডাঙৰীয়া কথাটো হ'ল এনেকুৱা ধৰণৰ যে আন্দোলনকাৰী সকল যেতিয়া তাত আহিছিল, তাত enquiry হৈছে গোটেই ৰিপোৰ্টটোত ওলাব যি আছে। গতিকে শ্ৰী বিনোদ হাজৰিকাৰ ঘৰটো এটেক কৰা সময়ত তাত ৰাজনৈতিক বা তৃতীয় শক্তি জড়িত আছে নেকি? এইবিলাকৰ এটা enquiry চলি আছে। গতিকে এইটো এটা political angle ও আছে, নথকা নহয়। দ্বিতীয় কথাটো হ'ল যে, ৰাতিপুৱা ৯ টা বজাৰ পৰা ৮ টা বজালৈকে চলি আছিল। বিনোদ হাজৰিকা ডাঙৰীয়াৰ ঘৰত ১৭ জন পুলিচ আছিল আৰু তেওঁলোকে সহস্ৰ পুলিচ। গতিকে তেওঁলোকে ইচ্ছা কৰিলে তাত যিটো Mob আছিল, সেই Mob টো ৰাতিপুৱাৰ ৮ টা বজাৰ পৰা

৯ টা লৈকে, ৰাতিপুৱা ৯ টাৰ পৰা ৮ লৈকে নচলে। সেই Mob টো তেওঁলোকে এঘণ্টাৰ ভিতৰতে control কৰিব পাৰে যদি firing হ'লহেঁতেন। কিন্তু মই অসম পুলিচকো ধন্যবাদ দিছো আৰু মই লগতে শ্ৰী বিনোদ হাজৰিকাকো ধন্যবাদ দিছো যে, ইমান তাত পুলিচ থকাৰ পাছত তাত Mob ৰ ওপৰত firing নকৰিলে কিয় যাতে জনসাধাৰণৰ কোনো মৃত্যুমুখত পৰিব নোৱাৰে। গতিকে পুলিচে গোটেই বিষয়টো ধুনীয়াকৈ Handle কৰিছে। যাৰ ফলত তাত কোনো casuality নোহোৱাকৈ আচলতে পিচত ঘটনাটো নিয়ন্ত্ৰনত আহিছে। যদি সেই Mob ৰ ওপৰত যদি গুলীয়ালেহেঁতেন, তেতিয়াহ'লে তাত বহুত মানুহ casuality হ'লহেঁতেন, গতিকে সেই বিনোদ হাজৰিকাৰ ঘৰতে সেই ঘটনাটো সংগঠিত হোৱা নাছিল। গতিকে গোটেই অসমতে সেই ঘটনা সংঘটিত হৈছিল আৰু sporadic ভাৱে বিভিন্ন ঠাইত ডিব্ৰুগড় জিলা, তিনিচুকীয়া জিলা বিভিন্ন ঠাইত হৈছিল। গতিকে এটা কথা ঠিক যে, মই এইটো শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াৰ লগত agree কৰিম যে, যদি এটা particular ঘটনা শ্ৰী বিনোদ হাজৰিকা ডাঙৰীয়াৰ ঘৰত হ'ল হেঁতেন আৰু সেইটো যদি administration যদি কিবা কাৰণত control কৰিব নোৱাৰিলেহেঁতেন, তেতিয়া administration দোষ হ'লহেঁতেন। কিন্তু গোটেই ঘটনা তিনিচুকীয়া, ডিব্ৰুগড় গোটেই Upper Assam, Lower Assam, Northern Assam, সদস্য অসমতে সেইদিনা এই ঘটনাবিলাক সংঘটিত হৈছিল আৰু হোৱাৰ কাৰণে administration অকল এটা point ত focus কৰি থাকিব পৰা নাই। বিভিন্ন ঠাইত তেনেকুৱা ধৰণৰ focus কৰি আছে আৰু focus কৰি থাকি তেওঁলোকে গোটেই কথাখিনি শান্তিপূৰ্ণভাৱে নিয়ন্ত্ৰণলৈ মানুহখিনিক আনিবলৈ সক্ষম হৈছে। গতিকে এই সম্পৰ্কত ইতিমধ্যে case ও register হৈছে আৰু তাৰ উপৰিও মুঠ মানুহ গোটেই অসমত প্ৰায় ৫৭৩ মানুহ গ্ৰেপ্তাৰ হৈছে আৰু ইয়াৰ ওপৰত enquiry চলি আছে. গতিকে অধ্যক্ষ ডাঙৰীয়া, এই ঘটনাবিলাক enquiry চলি ওলাব যে, এই ঘটনাবিলাকৰ আৰত কোনোবা তৃতীয় শক্তি বা ৰাজনৈতিক কোনোবা শক্তি জড়িত আছে নেকি? Enquiry সেই কথাখিনি ওলাব। গতিকে বিনোদ হাজৰিকাৰ ঘৰটো কিয় টাৰগেট কৰি লোৱা হ'ল, তাৰো এটা angle এই গোটেই খিনিত আছে। মই আজি ডিটেইল্চ নকওঁ, যিহেতুকে enquiry চলি আছে। details কোৱাতো ঠিক নহ'ব। মই বিনোদ হাজৰিকাক ধন্যবাদ দিছো যে তেওঁৰ সমষ্টিৰ ওচৰত মানুহ আছে, তেওঁৰ সমষ্টিৰ ওচৰৰ মানুহ আছে। সেই সমষ্টিৰ সাধাৰণ মানুহখিনিৰ আৰু ওচৰৰ মানুহখিনিৰ কথা চিন্তা কৰি বিনোদ হাজৰিকাৰ পুলিচ force টোৱে গুলীচালনা কৰা নাই। force টোত ১৭ জন পুলিচ আছে। গুলীচালনা কৰিলেতো এঘণ্টাৰ ভিতৰত dispatch হৈ গ'লহেঁতেন। গোটেইখিনি তাত casuality হ'লহেঁতেন। গতিকে সেই হিচাপত administration,অসম পুলিচে ভাল কাম কৰিছে, সেইটো ক্ষেত্ৰত যে ইমান ডাঙৰ Mob এটাৰ ওপৰত গুলীচালনা নকৰাকৈ শান্তিপূৰ্ণভাৱে ধুনীয়কৈ Handle কৰিছে কথাটো।

**শ্ৰী মৃনাল শইকীয়া, খুমটাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো কৈছো যে, চৰকাৰী ঘৰ বিলাক বিভাগে বনাব। বিনোদ হাজৰিকাৰ ঘৰটোৰ কাৰণে conpensate কৰা হ'ব নে নহয়। সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, তেনেকৈ বহুত মানুহৰ ঘৰ জ্বলিছে। অকল বিনোদ হাজৰিকাৰ ডাঙৰীয়াৰে নহয়। বহুত দোকান জ্বলিছে. বহুত ঘৰ জ্বলিছে। গতিকে এই গোটেই কামবিলাক দুৰ্ভাগ্যজনক কথা আৰু ইয়াত এই miscreants বিলাকৰ যিটো তেওঁলোকৰ Design আজি যদি হয়, চৰকাৰৰ তৰফৰ পৰা আমাৰ একেধৰণৰ বিধায়ক হিচাপে

তেওঁৰ ঘৰটো আজি আমি বনাই দিম বুলি কৈ দিব পাৰে। তাত যি পাণ দোকানীৰ দোকান জ্বলিছে, অসমৰ বিভিন্ন ঠাইত সম্পত্তিও জ্বলিছে। এজনৰ গেলামালৰ দোকান জ্বলিছে, তেওঁক যদি আমি নিদিও, বিনোদ হাজৰিকাক দিও, সেইটো বেয়া কথা হ'ব। গতিকে গোটেই কথাটো সামগ্রিকবাৰে যিহেতু শইকীয়া ডাঙৰীয়াই কথা উত্থাপন কৰিছে আমি কথাটো বিশ্লেষণ কৰি চাও। বিশ্লেষণ কৰি ব্যৱস্তা গ্রহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্রীদেৱব্রত শইকীয়া।

**শ্রীদেৱব্রত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নৰ উত্তৰতটোত মই সুখী নহয়। প্রশ্নৰ 'খ' ত সুধিছিলো, আন্দোলনকাৰী সকলে ধ্বংস কৰা কথাটো সত্য নে কি? উত্তৰত কৈছে আন্দোলনৰ সময়ত দুস্কৃতিকাৰীয়ে ক্ষতিসাধন কৰাতোহে সচাঁ। অৰ্থাৎ আন্দোলনকাৰী সকল নে দুস্কৃতিকাৰী এই কথাতো উত্তৰটো স্পষ্টকৈ ওলোৱা নাই প্ৰথম কথা। দ্বিতীয় কথা তাৰ যিজন এচ পি.শ্রীনাথে কৈছিল, দুজন বাক্তিক গ্ৰেপ্তাৰ ক ৰা হৈছে। তেওঁলোকক CCTV Footage ৰ ভিত্তিত। য'ত তেওঁলোকক প্রমাণ কৰা গৈছে বিদ্যুৎ আৰু বিকাশ নামৰ দুজন ব্যক্তিক আৰু দুইজন বিজেপি দলৰ সদস্য বুলিও তাত উল্লেখ আছে। যিটো কথাত তাত কোৱা হৈছে। সেই গতিকে জিলা পৰিষদৰ মেম্বাৰ, লোকেল বি জে পি মেম্বাৰ প্রটেষ্ট কৰিছে এই কথাটোত। যিটো কথাত মাননীয় মুখ্যমন্ত্রী মহোদয়ে কৈছে কংগ্রেছৰো হাত আছে. গতিকে এই কথাখিনি কেনেকৈ তদন্ত কৰিব, কংগ্ৰেছদলক বদনাম কৰিব বিচাৰিছে নেকি? প্রকৃত সত্যটো তেনেকৈ উদঘাটন কৰিব এই কথাখিনি ক'ব লাগে। কেনেকুৱা ধৰণৰ এনকুৱেৰী হৈছে আৰু আমি অসামৰিক তদন্ত এটাই বিচাৰো প্রকৃততে।

যাতে কথাখিনি সত্য হয়। কাৰণ ৭৯ টা কেচ আছে। মহোদয়, এই বিষয়ত মই বিচাৰিছো উত্তৰখিনি আহিব লাগে আৰু পুলিচেও শিলগুটি দলিওৱাৰ তাত Footage আহিছিল ৰেলষ্টেশ্যনত, ৰেললাইন ট্ৰেকৰ পৰা । পুলিচে শিলগুটি দলিয়াই আছিল। গতিকে এই বিলাক কোন তদন্তৰ আওতাই ল'ব। মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্রী মহোদয়।

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মাননীয় মন্ত্রী ঃ** অধ্যক্ষ ডাঙৰীয়া, ঘটনাটো হ'ল যে, মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই কথাটো তেখেতে এনেই কোৱা নাই এইবিলাকত কথাটো হৈছে মই এতিয়া কোনো পাৰ্টি বা দল হিচাপত নানো। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়ই যিটো কথা কৈছে, তেখেতে এটা ভিত্তিৰ ওপৰত ক'ব, এনেইটো কথাটো কোৱা নাই। গতিকে মুখ্যমন্ত্রী ডাঙৰীৰ কথাটো সত্যতা আছে আৰু আজি সেই সত্যতাখিনিৰ কথা যিদিনা এনকুৱেৰী ৰিপোৰ্টত ওলাব, সেইদিনা সত্যতা টো ওলাই পৰিব। আচলতে কোন জড়িত আছে, কোন জড়িত নাই, এইখিনি এনকুৱেৰী সম্পূৰ্ণ হলেহে জনাব পাৰিম। আমি চিভিল এনকুৱেৰী দিছো। তাত পুলেচেও এনকুৱেৰী কৰিছে। কেইবাটাও এনকুৱেৰী দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ প্রশ্নৰ শিতানত আপোনালোকে এটা প্রশ্ন সুধিছে, তেখেতে উত্তৰ দিব। He may not be satisfied with the answer. But that the different issue.

**শ্রীচন্দ্রমোহন পাটোৱাৰী, মাননীয় মন্ত্রী ঃ** অধ্যক্ষ ডাঙৰীয়া,জিলা দণ্ডাধীশ পৰ্য্যায়ত তদন্ত হ'ব, তাৰ উপৰিও এই যে, Mob বিলাকত তেখেতে কৈছে যে, এইবিলাক আন্দোলনকাৰীয়ে, দুস্কৃতিকাৰীয়ে এইটো কথা ক্লিয়াৰ হোৱা নাই বুলি কৈছে। এটা কথা আপোনালোকে জানে যে,

যেতিয়া এটা Mob হয়, সেই Mob টোত বহুত নবৈ শতাংশ মানুহ হয়তো সেই এটা আন্দোলনৰ নীতিটোত আন্দোলন কৰি যাওঁ। তাৰ ভিতৰত কিন্ত দহ শতাংশ মানুহ miscreant হয়। সেইটো আপোনালোকেও জানে আমিও জানো। গতিকে সেই miscreant বিলাকৰ উদ্দেশ্য হ'ল যে, ইয়াত এটা অন্য ফালেদি বস্তু লৈ যাব লাগে। এইটো কথা গোটেই সদনে জানে। গতিকে miscreant থকাটো সত্য আৰু এইটো এনকুৰেৰীত ওলাব।

**মাননীয় অধ্যক্ষ ঃ ঠিক আছে, এতিয়া প্ৰশান্ত ফুকন।**

**শ্ৰী প্ৰশান্ত ফুকন, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া এটা ভাল কাম কৰো তেতিয়া আমি অভিনন্দন জনাওঁ, তথা স্বাগতম জনাওঁ। বিগত দিন বিলাকত যিখিনি ঘটণা হৈ গ'ল, বিধায়কৰ ঘৰ জ্বলাই দিয়া হ'ল, বহুতৰ ঘৰ ভঙা হ'ল, ব্যক্তিগত ভাবে মোৰ ঘৰৰো গ্লাছ ভাঙিলে গাড়ী ভাঙিলে। এতিয়া আমি এই পবিত্ৰ সদনে এটা গৰিহণাৰ প্ৰস্তাৱ ল'ব পাৰো নেকি ? এই কথাটোৰ আজি প্ৰাসঙ্গীকতা আছে নেকি ? আপোনাৰ জৰিয়তে তেনেকুৱা প্ৰস্তাৱ ললে, সেই ঘটণাৰ কাৰণে এটা গৰিহনাৰ প্ৰস্তাৱ লোৱাৰ দৰকাৰ আছে বুলি মোৰ ফালৰ পৰা আপোনাক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় ফুকন ডাঙৰীয়াই যিটো কথা কৈছে, সচাঁকৈয়ে অসম বিধান সভাই সৰ্বসন্মতি ক্ৰমে বিগত দিনত যিখিনি ঘটনা হ'ল, এনেকুৱা ধৰণৰ ঘটনা যাতে ভৱিষ্যতে নহয়, এই ঘটনা বিলাকৰ কাৰণে আমি গৰিহনাৰ প্ৰস্তাৱ লোৱা প্ৰয়োজন আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো আমি formal way যাম।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** লগতে অসম পুলিচেও এই ৩-৪ দিনৰ ভিতৰত গোটেই অসমৰ পৰিষ্ঠিতিটো যে নিয়ন্ত্ৰয়ণত আনিছে, তাৰ কাৰণে অসম পুলিচো ধন্যবাদৰ পাত্ৰ। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত এতিয়া ঘটনা হৈছে, যিবিলাক নেশ্যনেল ডিৱেট হৈছে, সেই ডিৱেট বিলাকত কৈছে যে অসমত যদি অসম পুলিচে পাৰে তেনে হলে আমাৰ ইয়াত কিয় কৰা নাই। সেই কাৰণে অসম পুলিচ কিন্তু ধন্যবাদৰ পাত্ৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বিনোদ হাজৰিকা। আপুনি যিহেতু ভুক্তভোগী সেয়েহে আপোনাক অকনমান ক'বলৈ দিছো।

**শ্ৰীবিনোদ হাজৰিকা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, শান্তি পূৰ্ণ চাবুৱাক অশান্ত কৰি তুলিবৰ কাৰণে ৭ তাৰিখৰ পৰাই পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল। অখিল গগৈ ডাঙৰীয়াই ৭, ৮ তাৰিখে চাবুৱাত বাহৰ পাতি আছিল আৰু নিশালৈ তেখেতে চাবুৱাত প্ৰায় ৮ মান বজাত তেখেতে ৰাজপথত জনসাধাৰনক সম্বোধন কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** মই বৰ বেছি তেখেতৰ নামটো ল'বলৈ মানা কৰিছো।

**শ্ৰীবিনোদ হাজৰিকা, সদস্য ঃ-** আমি সেই সময়ত দেখিবলৈ পাইছিলো যে প্ৰায় হাজাৰমান দুস্কৃতিকাৰীয়ে গাড়ী বিলাকৰ ক্ষতি সাধন কৰিছিল, আৰু চাবুৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দুৱৰা ডাঙৰীয়াক আঘাটপ্ৰাপ্ত কৰিছিল। সেই সময়ত তেখেতক চিকিৎসালয়ত ভৰ্ত্তি কৰোৱা হৈছিল। আমাৰ অকনমান lapse থাকি গ'ল। সেয়েহে মই এই কথাটো ক'ব লাগিব। আমি যদি সেই দিনাখনেই অখিল গগৈক ৯ তাৰিখে গ্ৰেপ্তাৰ কৰা হ'লে নিশ্চয় এই অসমখন অশান্ত ন'হল হেতেন। কিন্তু সেই খিনি আমাৰ অকনমান lapse থাকি গ'ল। লগতে ১২ তাৰিখৰ দিনা যি ধ্বংসলীলা হৈছিল চাবুৱাত সেই কথা আমি সকলোৱে জ্ঞাত। সেই সময়ত আমাৰ আৰু এটা ভুল হৈ গৈছে,

সেইটো ক'ৰ লাগিব যিহেতু চাবুৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জনে থানাখন জ্বলাই দিয়া বুলি শুনি, তেখেতে আহি থানাখন ল'ক কৰি দিয়ে, আৰু গোটেই ফ'ৰচ্‌টো থানাতে থাকি যায়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ফোন কৰাত তেখেতে লগে লগে আৰ্মী আনিছিল আৰু তেখেতে সঘনাই মোৰ লগত ফোনত যোগাযোগ কৰি আছিল চাবুৱাৰ পৰিস্থিতি সম্পৰ্কত। কিন্তু সেই সময়ত আৰক্ষীৰ যিজন ভাৰপ্ৰাপ্ত বিষয়া আছিল নাথ, আৰু সেই সময়ত তেখেতে একো ভূমিকা নোলোৱাৰ ফলত সেই কাৰণে মই ভাবো অসম চৰকাৰৰ গৃহবিভাগকক সচাঁকৈ ধন্যবাদ দিব লাগিব, ইমান অশান্ত পৰিস্থিতি ৰ উদ্ভৱ হোৱাৰ পিছতো, মোৰ নিজৰ Security যেতিয়া ১৭ জন আছিল, বহু সময়ত আমাৰ চাবুৱাৰ পৰিস্থিতি অশান্ত হৈ থাকে সেয়েহে মোক কিছুমান Security আগৰ পৰা দিয়া হৈছিল। সেই সময়ত যেতিয়া দুস্কৃতিকাৰীয়ে আমাৰ ঘৰত প্ৰবেশ কৰিছিল, সেই সময়ত মোক লৈ তেওঁলোকে Safe-side লোৱা হৈছিল। আৰু সেই সময়ত তেওঁলোকে বাৰম্বাৰ গুলীয়াবলৈ অৰ্ডাৰ বিচাৰিছিল, মোৰটো অৰ্থৰিটি নাই গুলীওৱাৰ কাৰণে মোৰ পি এচ অ সকলক ধন্যবাদ দিব লাগিব, মোৰ যিখিনি Security আছিল তেখেত সকলকো ধন্যবাদ দিব লাগিব। তেওঁলোকে বাৰম্বাৰ গুলীয়াবৰহ বাবে অৰ্ডাৰ বিচাৰিছিল। বাৰু যি নহওঁক, কথা হ'ল যদি সেই সময়ত গুলীওৱা হ'লে দুস্কৃতিকাৰী ৫০ জনমানহে, যি সকলে ভিতৰত সোমাই তান্দৱৰ সৃষ্টি কৰিছিল, কিন্তু বাহিৰত প্ৰায় এক হাজাৰ মান জনতাই কাৰুকাৰ্য্যবোৰ চাই আছিল, তেওঁলোকৰ গাত কোনো দোষ নাছিল। যদি গুলীওৱা হ'ল হেতেন, তেতিয়া বহু নিৰ্দোষী জনতাৰ গাত গুলী লাগিলহেতেন। সেই কাৰনে অসম চৰকাৰৰ মাননীয় গৃহ বিভাগক মই ধন্যবাদ দিছো, আৰু যাতে ভৱিষ্যতে তেনেকুৱা পৰিস্থিতিৰ সৃষ্টি নহয় সেইখিনিয়ে মই কামনা কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া প্ৰশ্ন নং -৪, শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰীযোগেন মহন, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰীপ্ৰদীপ হাজৰিকা, সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো, কিন্তু উত্তৰটোত মই সন্তুষ্ট হ'ব পৰা নাই। অসমৰ বিভিন্ন অঞ্চলত বেদখল হোৱ এই কাৰ্য্যটোৱে অসমত যিমানবোৰ অশান্ত পৰিস্থিতিৰ সৃষ্টি কৰিছে তাৰ ভিতৰত এইটো এটা মুল কাৰণ হৈছে। কাজিৰঙাৰ বান্দৰডুবি ডেওঁচোং চাংৰ যিটো তিনি হাজাৰ বিঘা মাটি এই মাটিৰ পৰা উচ্ছেদ কৰা হ'ল, আৰু উচ্ছেদ কৰা যথেষ্ট দিন হ'ল। প্ৰথমতে শুনিছিলো যে তাত এটা Forest Battalion Camp এটা হ'ব, আৰু এই Forest Battalion Camp টো হোৱা বহুত প্ৰয়োজন আছিল। কাৰণ উচ্ছেদ কৰা অঞ্চলটোৰ কাষত আৰু জনবসতিপূৰ্ন অঞ্চল আছিল। এই জনবসতিপূৰ্ন অঞ্চলৰ ৰাইজ কেতিয়াও সুৰক্ষিত নহয়। কেতিয়াবা বনৰীয়া জীৱ-জন্তু তাত সোমাই তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰে। কেতিয়াবা হাতী আহে বা গড় আহে। সেই কাৰণে তাত যদি এটা Forest Battalion Camp হ'লহেতেন তেতিয়া হলে মই ভাবো যে সেই উচ্ছেদ কৰা অঞ্চলটো আৰু এই অঞ্চলৰ কাষত থকা জনবসতিপূৰ্ন অঞ্চলটোৰ ৰাইজে নিৰাপত্তাৰ ক্ষেত্ৰত নিশ্চিত হ'ব পাৰিলেহেতেন। অধ্যক্ষ মহোদয়, আমাৰ এটা বিভাগ আছে, এই ৰাজহ বিভাগটো থকাৰ পিচতো অসমৰ মাটি এনেধৰণে বিভিন্ন ঠাইত বেদখল কৰি এনেধৰণৰ অশান্তিৰ সৃষ্টি কৰি গোটেই সমাজখনৰ এটা বেয়া অৱস্থাৰ সৃষ্টি কৰিছিল এই বিষয়টো কিয় ইমান serious হ'ব পৰা নাই। এতিয়াওঁ এই উত্তৰটোত এনেকে কৈছে নগাওঁ জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য অনুসৰি অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী নগাওঁ জিলাৰ কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াক উক্ত উচ্ছেদ ভূমি বন বিভাগক চমজাই দিয়াৰ বাবে নিৰ্দেশ দিয়া হ'ল ইমান দিলে এইটো বন বিভাগৰ হাতলৈ ন'গলেই, এতিয়া ইয়াত এনে ধৰণে

উত্তৰ দিছে। নিৰ্দেশটো কাৰ্য্যকৰী কৰাৰ কাৰণে কিমান দিন ল'ব পাৰে। এই কথাটো নিশ্চিত হ'ব লাগে। সদায় নিৰ্দীষ্ট এটা সময় নিধাৰন কৰি ললে কামবোৰ ভাল হয়। এতিয়া সেই কাৰণে অধ্যক্ষ মহোদয়, আমাৰ যিহেতু ৰাজহ বিভাগ আছে, মই ভাবো যে বিভাগটো tightened কৰি দিলে ভাল হয়, আৰু এইটো যদি ঠিক হয় অসমৰ বহুত কেচ কোৰ্টত নাইকীয়া হৈ যাব বুলি মই ভাবো। সেই কাৰনে মোৰ প্ৰশ্নটো হ'ল, যে এইটো যিটো উত্তৰ দিছে এই নিৰ্দেশটো কাৰ্য্যকৰী কৰোতে চৰকাৰক কিমান সময় লাগিব? এইটো জানিব বিচাৰিছো, লগতে ৰাজহ বিভাগটো কাৰ্য্যক্ষম কৰাৰ কাৰনে চৰকাৰে কি ব্যৱস্থা লৈছে?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয় মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই যিটো প্ৰশ্নৰ উত্তৰত সন্তোস হোৱা নাই বুলি কৈছে, এই কথাটো আপোনালোক সকলোৱে জানে যে আগতে উজনিৰ পৰা আহোতে কাজিৰঙা পাৰ হোৱাৰ লগে লগে মানুহৰ অন্তৰত যি জুই জ্বলা দি জ্বলে এই দৃশ্য দেখি সকলোৱে উপলব্ধি কৰিছিল। কিন্তু এইখন চৰকাৰ অহাৰ লগে লগে আমি ১৯-০৯-২০১৬ তাৰিখে অৰ্থাৎ চৰকাৰ গঠন হোৱাৰ চাৰি মাহৰ পিছতেই সকলো বেদখলকাৰীক উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশমৰ্ম্মে উচ্ছেদ কৰা হ'ল আৰু তাত যাৰ ম্যাদী পট্টা আছিল তেওঁলোকক ক্ষতিপূৰণ ও দিয়া হৈছে। ইতিমধ্যে যোৱা ১৮-০২-২০২০ তাৰিখে আমি পুনৰ জিলা উপায়ুক্তক নিৰ্দ্দেশ দিছো যাতে মাটিটো চচিয়েল ফৰেষ্টিক জমা দিয়ে যিহেতু মাটিটো জমা দিয়াৰ দায়িত্ব জিলা উপায়ুক্তৰ হাতত থাকে গতিকে আমি চৰকাৰৰ ফালৰ পৰা নিৰ্দ্দেশ দিছো আৰু আমি ভাৱিছো খুব তৎকালে এইটো কাৰ্য্যকৰী হ'ব। আপোনালোকে জানে যিখিনিক উচ্ছেদৰ কথা পুনৰ কোৱা হৈছিলে সেইখিনিকো উচ্ছেদ কৰা হ'ল। গতিকে কোনো সন্দেহ কৰিব নালাগে। এইখন চৰকাৰৰ দিনত আমি কতো বেদখল হ'বলৈ নিদিওঁ। এইধৰণে আৰু কৰ'বাত যদি চচিয়েল ফৰেষ্টি বা ফৰেষ্ট ৰিজাৰ্ভেই হওঁক বা সত্ৰ, মঠ মন্দিৰ কৰবাত বেদখল হৈ আছে আমি তৎকালীন ব্যৱস্থা লম আৰু সকলো ধৰণৰ উচ্ছেদ কৰিবলৈ আমাৰ চৰকাৰ সাজু আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং -৫ , শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ক'লে যে এই চৰকাৰ গঠন হোৱাৰ চাৰি মাহ পিছতেই কাজিৰঙাত উচ্ছেদ অভিযান চলাইছিলে। উচ্ছেদ চলোৱাৰ আগত বা সেই সময়ত বিভিন্ন মিডিয়া বা চৰকাৰী বক্তব্যটো প্ৰকাশ পাইছিল যে মানুহখিনি বাংলাদেশী। মোৰ এতিয়া প্ৰশ্নটো হ'ল সেই মানুহখিনি আঁচলতে বাংলাদেশী হয় নে নহয়? যদি বাংলাদেশী হয় তেওঁলোকক গ্ৰেপ্তাৰ কৰি ডিটেনশ্যন চেণ্টাৰলৈ পঠোৱা হলনে? যদি তেওঁলোক বাংলাদেশী নহয়, তেনেক্ষেত্ৰত তেওঁলোকক আজিলৈ পৰ্য্যাপ্ত ক্ষতিপূৰণ বা পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'লনে? চৰকাৰৰ ফালৰ পৰা যিসকলে সেই মানুহখিনিক বাংলাদেশী বুলি কৈছিলে তেওঁলোকে এই ধৰণৰ এটা পৰিবেশ সৃষ্টি কৰাৰ কাৰণে তেওঁলোকৰ বিৰূদ্ধে বিহীত ব্যৱস্থা চৰকাৰে ললেনে?

**শ্ৰী যোগেন মোহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে বাংলাদেশী বুলি কোৱা নাই, অবৈধ বেদখলকাৰী বুলি কৈছে। বেদখলকাৰী যিকোনো মানুহ হ'ব পাৰে। যি অবৈধ ভাৱে বেদখল কৰে সি অবৈধ বেদখলকাৰী। ২১-০৭-২০১৭ তাৰিখে তেওঁলোকক ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা ১৪ কোটি ৭৩ লাখ ৭২ হাজাৰ ৭ শ ২৩ টকা ক্ষতিপূৰণ দিয়া হৈছে। যিসকেল মাটি দখল কৰি আছিলে তেওঁলোকক ক্ষতিপূৰণ আৰু যিসকল গছ-গছনি, ঘৰ-দুৱাৰ গৈছে তেওঁলোককো দিয়া হৈছে। গতিকে চৰকাৰে পুনৰ সংস্থাপনৰ ক্ষেত্ৰত কোনো ধৰণৰ অৱহেলা কৰা নাই।

**माननीय अध्यक्ष ঃ** এতিয়া শ্ৰী শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইত যেতিয়া উচ্ছেদ কাৰ্য্য কৰা হয়, দেখা পোৱা গৈছে যে হোজাইৰ বালিৰাম পথাৰ বা উদালি ফৰেষ্ট ৰিৰ্জাভ যিখন আছে তাত বেলেগ বেলেগ মানুহ আহি বসবাস কৰি থকাটো চৰকাৰ অৱগত নেকি? কাজিৰঙাৰ পৰা অহা বুলি আমি গম পাইছো। গতিকে চৰকাৰে যদি উচ্ছেদ কৰাৰ পিছত ট্ৰেক নকৰে সেইখিনি মানুহ গৈ বিভিন্ন ঠাইত বহি দিয়ে।

**माननीय अध्यक्ष ঃ** এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যদি প্ৰশ্ন নং 'ক' টো চায় মই ভাল পাম। উত্তৰটো আপুনি খুব ধুনীয়াকৈ দিছে। মই পঢ়িছো। যদি আমি প্ৰশ্নটোলৈ চাওঁ তাত লিখা আছে যে পুনৰ সন্দেহজনক। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব চৰকাৰে সন্দেহজনক ব্যক্তি বুলি ভাৱে? এই দুটা কথা ক্লিয়াৰ কৰিলে ভাল হয়।

**শ্ৰী যোগেন মোহন, মন্ত্ৰী ঃ** সন্দেহজনক মানে তাতে থকা কথাটো সন্দেহ কৰিব পাৰি।

**माननीय अध्यक्ष ঃ** এতিয়া শ্ৰী উৎপল দত্ত।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা ক্লিয়াৰ হ'ব বিচাৰিছো যে কাজিৰঙাৰ নিচিনাকৈ লখিমপুৰ জিলাৰো কেইবাখন ঠাইত উচ্ছেদ হ'ল। উচ্ছেদ হোৱাৰ পিছত ৰেভিনিউয়ে মাটিটো নোলোৱাৰ কাৰণে মানুহ বিলাক আকৌ তাত বহি আছে। গতিকে উচ্ছেদ হোৱাৰ পিছত মানুহ যাতে তাত পুনৰ বহিব নোৱোৰে তাৰবাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**শ্ৰী যোগেন মোহন, মন্ত্ৰী ঃ** নিৰ্দিষ্ট সময়ৰ ভিতৰত এইটো কৰিব লাগিব। ফৰেষ্ট বিভাগক মাতি তেওঁলোকক হেণ্ডঅ'ভাৰ কৰিব লাগিব।

সদনত হুলস্থুল

**माननीय अध्यक्ष ঃ** এতিয়া প্ৰশ্ন নং ৬ শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ পৰাই এই প্ৰশ্নটো প্ৰত্যেক বছৰৰ তিনিটা অধিবেশনতেই আমি আনিছো। অৰ্থাৎ চাৰি বছৰত ১২ বাৰ আমি এই প্ৰশ্নটো আনিছো। গতিকে আপোনালোকৰ চৰকাৰ থকা সময়লৈকে ইয়াৰ সমাধান কৰিব পাৰিব নে নাই এইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় এই প্ৰশ্নটো মাননীয় শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই কেইবাবাৰো কৰিছে। এই বিষয়ে মই জ্ঞাত। সেইকাৰণে আমাৰ এডিশ্যনেল চীফ চেক্ৰেটাৰী (হোম) শ্ৰী জিষ্ণু বৰুৱা ডাঙৰীয়াৰ লগত বিধান সভাৰ আগতে আলোচনা কৰিছিলো। আপোনাক মই আগতে বিধান সভাত জনাইছিলো যে, লৰাৰ আচাম কমিশ্যনাৰ টীম বুলি জ'ন থিত পঠিয়াইছে। যিহেতু এটা প্ৰচিডিউৰ আছে গতিকে টীমটোৱে গৈ এই গোটেইখিনি বস্তু চাইছে। বিধান সভা আৰম্ভ হোৱাৰ কিছুদিন আগতে আমাৰ এডিশ্যনেল চীফ চেক্ৰেটাৰী (হোম) শ্ৰী জিষ্ণু বৰুৱা ডাঙৰীয়াৰ ওচৰত এই ৰিপোৰ্টৰ কপিটো আহিছে। গতিকে মই আজি আপোনাক বিশেষ নকওঁ। কিন্তু hope for the best এই কথাটো মই আপোনাক কৈ থলো গতিকে চিন্তা নকৰিব।

**माननीय अध्यक्ष ঃ** শ্ৰী চাহাব উদ্দিন আহমেদ, জলেশ্বৰ, আপোনাৰ প্ৰশ্নৰ উত্তৰ ইতিমধ্যে দিয়া হৈছে গতিকে আপুনি বহিব পাৰে। এতিয়া Point of Order। Point of Order মই ল'ম,

কিন্তু যিবিলাকPoint of Order - out of Order নহয়।

**শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ** অধ্যক্ষ মহোদয়, মোৰ Point of Order টো important । এটা বাক্যত মোক ক'বলৈ দিয়ক প্লিছ। অধ্যক্ষ মহোদয় ১০ নম্বৰ তৰা চিহ্নিত প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে, ছয়গাওঁৰ শ্বহীদ দিপাঞ্জল দাস দুৰ্বৃত্তৰ দ্বাৰা আক্ৰমণত নিহত হোৱা বুলি ইয়াত লিখিত আছে। দিপাঞ্জল দাসৰ ঘটনাটো গোটেই অসমবাসীয়ে জানে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰাবলৈ বিচাৰিছো- ইয়াত লিখা আছে চেম ষ্টেৰ্ফড আৰু আব্দুল আলি আৰক্ষীৰ গুলিত নিহত হৈছে- আৰু তলত আছে অসমত চলি থকা 'কা' বিৰোধী আন্দোলনত দুৰ্বৃত্তৰ আক্ৰমণত দুজন ব্যক্তি নিহত হৈছে। দিপাঞ্জল দাসৰ নামটো ইয়াতে আছে। অধ্যক্ষ মহোদয় এই প্ৰশ্নটোৰ উত্তৰ মাননীয় মন্ত্ৰীক ভালকৈ দিবলৈ অনুৰোধ জনাইছো আৰু এই মেটাৰটো স্পীচিয়েলী চাবলৈ অনুৰোধ জনাইছো ?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ পইন্ট অৱ অৰ্ডাৰটো raise হৈছে, record হৈছে। Next point of order টো কওঁক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** অধ্যক্ষ মহোদয়, যোৱাকালি গুৱাহাটী মহানগৰীত সন্ধিয়া ৬ বজাৰ পিছৰ পৰা তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছিল যিটো বহু দেৰীলৈকে আছিল। মানুহ ৩-৪ ঘন্টালৈকে ভূগিব লগা হৈছিল। মাৰাথন দৌৰ আয়োজন কৰা হৈছিল।

**মাননীয় অধ্যক্ষ ঃ** এইটো পইন্ট অৱ অৰ্ডাৰত নাহে প্লিজ বহক।

**শ্ৰীৰোজলীনা তিৰ্কী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ Unstarred Q.No- 35ত এটা প্ৰশ্ন আনিছিলো- আমাৰ অসম- নগালেণ্ড সীমান্তত বে-চৰকাৰী গাওঁবুঢ়া নিয়মীয়াকৰণ আৰু মাননী সম্পৰ্কত " । কিন্তু ইয়াতে লিখিছে not related to the Department - যিহেতুকে ইয়াত Department ৰ লগত related হয় কিন্তু ইয়াৰ উত্তৰটো মই পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই চাই দিম। এতিয়া নুৰুল হুদা ।

**শ্ৰীনুৰুল হুদা ঃ** অধ্যক্ষ মহোদয়, আমাৰ যিটো Date of Ballot আছে, প্ৰথম এটা উলিয়াইছিলে। তাৰ পিছত আৰু এটা উলিওৱা হৈছে- কিন্তু সেইটো ২৫-০২-২০২০ উলিয়াইছে ২৭-০২-২০২০ তাৰিখ উত্তৰ দিয়াৰ শেষ তাৰিখ। আমিতো গুৱাহাটীত নাথাকো ছাৰ, বেছিভাগ সময় সমষ্টিত থাকো । আমি গমেই নাপালো ছাৰ, ইয়াত আহিহে গম পালো। ১০ আৰু ১১ তাৰিখ দুদিন চেশ্যন হ'ব আমি কিন্তু ইয়াত কোৱেশ্বন দিব নোৱাৰিলো। গতিকে আমাক কোৱেশ্বন দিয়াৰ সুবিধাটো দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Actually এইটো আপোনালোকৰ কাৰো লোকচান নহয়। কাৰণ সেই দুটা দিনৰ কোৱেশ্বন আৰু দুটা দিন আমি extend কৰিছো। আমাৰ যি দুটা দিনৰ কোৱেশ্বন আছিল তাৰ কিছু কোৱেশ্বন আমি আগলৈ আনিছো। আপোনালোকৰ বাবে আৰু দুটা দিন খোলা আছে । গতিকে কোৱেশ্বন দিব, কোৱেশ্বন আপোনালোকে পাব- একো অসুবিধা নহয়। মোৰ কোঠালৈ আপুনি আহিব, মই কথাটো ভালকৈ বুজাই দিম।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত যিবোৰ প্ৰশ্ন কৰা হয়। তাৰ উত্তৰবোৰ যথাযথ হ'ব লাগে- as per our Rules and Procedure. উত্তৰ যদি ভুল থাকে তেতিয়া Point of Order হয়। মোৰ এটা প্ৰশ্নৰ উত্তৰৰ কথা ক'ব বিচাৰিছো। Starred Question No- 14- ইয়াত মোৰ প্ৰশ্নটো আছিলে - In view of the seriousness of the issue doesn't the Government think the person stearing the pro-

cess of NRC preparation should be secular Law abiding having respect to the Constitutional Provisions National and International accords Treatys and having respect to the Govt. stand decesion ? উত্তৰটো আহিলে Yes, অৰ্থাৎ বৰ্ত্তমানৰ যিজন NRC Coordinator - Hitesh Deb Sarma সম্পৰ্কে- দ্বিতীয় প্ৰশ্নটো চৰকাৰে admit কৰিলে যে তেওঁয়ে এই গোটেইখিনি কথা প্ৰসংঙ্গ ক্ৰমে তেওঁ ফিট। এতিয়া চাৰ - ।

**মাননীয় অধ্যক্ষ ঃ** নহয়, এতিয়া আপুনি যদি কয় উত্তৰটো ভুল হৈছে সেইটো কওক কিন্তু গোটেই details ক'ব নালাগে।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** অধ্যক্ষ মহোদয়, ফিট বুলি কৈছে, এতিয়া মই unfit বুলি প্ৰমান কৰিম ছাৰ। এইটো wrong Answer ছাৰ।

মাননীয় অধ্যক্ষ ঃ wrong Answer প্ৰমান ইয়াত কৰিব নালাগে। you submit why it is wrong so that I can consider - বিষয়টো আপোনাক আজি Point of Order ত raise কৰিবলৈ দিছো । আজি ৰেকিবুদ্দিন আহমেদেও কৈছে- মই নোট কৰিছো । আপোনাৰ Point of Order টোত আপুনি কৈছে যে আপোনাৰ কোৱেশ্চনৰ উত্তৰটো proper হোৱা নাই। এনেধৰণৰ বিষয়ত সকলোকে মোৰ কোঠালৈ মাতি নি আলোচনা কৰো । আপোনালোকে এইটো দিয়াৰ পিচত যদি কিবা থাকে Government য়ে clear কৰিব লাগিব।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** Sir, Under Rule -49 ত বা এটা বেলেগ device অত মোক দিয়ক ।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক সদায় দি আছো। আপুনি House ৰ time নল'ব।........ please, nothing will go record. Don't misuse the time of point of order. I will not allow. আপুনি এইবিলাক কৈ সদনৰ সময় নষ্ট নকৰিব....... বহক।

(হুলস্থূল--- কথাৰ কটা-কটি )

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** অসম চৰকাৰে নিয়োগ কৰা 55,000.........।

**মাননীয় অধ্যক্ষ ঃ** Please Sit down. No- nothing will go record .

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** অধ্যক্ষ মহোদয় মোক ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** No-Please Sit down- You are not only Member. .........anybody have point of order ? এতিয়া আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয় Starred Question No- 13

(হুলস্থূল---- প্ৰতিবাদ)

**মাননীয় অধ্যক্ষ ঃ**Please Sit down. otherwise I will have take the action for obstructing the House. You are obstructing the House Proceedings. Are you not listening to me? I am telling you Sit down. I am on the Leg. When Speaker on the Leg you must Sit down. Please...Sit down. This is not the way of running a House. Point of Order ত আপোনালোকে Grievance ক'ব। মই নোট কৰিম। মই মিনিষ্টাৰক মাতিম। কথাখিনি বুজি লৈ মই আপোনালোকক উত্তৰ দিম। যদি কিবা থাকে আপোনালোকে আনিব মই ডিভাইচ দিম।

(হুলস্থূল---- প্ৰতিবাদ )

**মাননীয় অধ্যক্ষ ঃ** You are spoiling valuable time here. Please don't Stand up. I am telling you, otherwise I will take action. পইন্ট অব অৰ্ডাৰ যোগেদি - মেম্বাৰসকলে যদি কিবা ভুল পায় আঙুলিয়াই দিবলৈ দিছো। তাতকৈ আন একো কৰিবলৈ কোৱা নাই। আপোনালোকে ক'ব- তেখেতসকলে উত্তৰ দিব- যিখিনি হয় - Public য়ে ঠিক কৰিব। আমি House ত আহিছো- কিবা যদি ভুল হয় আমাক দিব- আমি ব্যৱস্থা ল'ম।

(হুলস্থুল---- প্ৰতিবাদ )

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক ক'লো আৰু নক'ব, যদি কয়- I am Still Standing . No comment. You Please Sit down. When Speaker is on the Leg, you must Sit down- this is the Rule. মই কোনো বাক্য আপোনাক ক'বলৈ নিদিওঁ। যদি কয়- I will have no option but suspend you for the Day. I am telling You Adjournment motion is there, one important thing is there. You are spoiling Time.

(হুলস্থুল---- প্ৰতিবাদ )

**মাননীয় অধ্যক্ষ ঃ** I have suspended Sherman Ali Ahmed for making obstruction to the House Proceedings. Please Go Out. No option here... Marshal take him away. You are not the sole Member. other Members are here. You cann't do this. You have to go. এনেকৈ হাউচ চলাব নোৱাৰি। এতিয়া আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, Starred Question No- 13 । মোৰ প্ৰশ্নটো আছিলে যিটো ফিল্ম ফেয়াৰ এৱাৰ্ড অনুষ্ঠান হ'ল। এই অনুষ্ঠানত অসম চৰকাৰে 23 কোটি টকা দিছে। দিয়া বুলি ইয়াত লিখিছে। বিধায়কসকলক তাত Entry Pass দিয়া হৈছিল কিন্তু - 15-16 গৰাকী বিধায়কক দিয়া নাই। ইয়াত কিন্তু General Administration Department য়ে জানে বুলি কৈ দায় সামৰিছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটোৰ উত্তৰ স্পষ্টকৈ দিয়া নাই। মই নোট কৰি লৈছো। আপোনাক জনাম। এতিয়া প্ৰশান্ত ফুকন তাৰ পিছত শ্ৰীপদ্ম হাজৰিকা আপুনি কব।

**শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনটো যদি আপুনি বাদ দিয়ে আমাৰ এই সদন খনৰ বয়স আৰু ৩৯৫ দিন আছে। এই ৩৯৫ টা দিনৰ ভিতৰত আমাৰ যিটো নব গৃহ বনালে তালৈ আমাৰ স্থানান্তৰ কৰা ব্যৱস্থা হ'বনে কি এইটো আপোনাৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই জনাম। পইন্ট অফ অৰ্ডাৰ শেষ হৈ লওক।

**শ্ৰীপদ্ম হাজৰিকা ঃ** অধ্যক্ষ ডাঙৰীয়া, আজি বিধান সভাত উচ্ছেদ অভিযান সম্পৰ্কীয় এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰ আমাৰ মন্ত্ৰী ডাঙৰীয়াই দিছে। এই উত্তৰটোত এটা কথা স্পষ্ট যে আদালতৰ নিৰ্দ্দেশ মৰ্মে এই উচ্ছেদ হৈছে। গতিকে ইয়াত কথাটো আমি সঠিক ভাৱে চোৱাচিতা কৰিব লাগে। কাৰণ আদলতৰ নিৰ্দ্দেশ মৰ্মে এই উচ্ছেদটো হৈছে। এতিয়া কথা হ'ল আদালতৰ নিৰ্দ্দেশ মৰ্মে যিবিলাক উচ্ছেদ হয় তাত আচলতে কিছুমান লোকে পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ ভুৱা প্ৰমাণপত্ৰ দি আদালতত তেওঁলোকে আবেদন কৰে যে তেওঁলোকক উচ্ছেদ কৰিব নালাগে। আদালতে সেই ভুৱা নথিসমূহ পৰীক্ষা-নিৰীক্ষা কৰি নিৰ্দ্দেশ দিয়াৰ পিছত চৰকাৰে কিন্তু উচ্ছেদ কৰাৰ বাদে কোনো উপায় নাথাকে। সেইটোত আচলতে অযথা সময় নষ্ট কৰাৰ কোনো যুক্তি এই পবিত্ৰ বিধান সভাত

দেখা নাই। এইক্ষেত্ৰত আমাৰ চৰকাৰক গুৰুত্ব দিবলৈ মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। হৈ গ'ল।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** চাৰ, আমাৰ এটা সদনৰ সকলো কাৰ্য্যসূচী বাতিল কৰি সভা স্থগিত প্ৰস্তাৱ আছিল।

**মাননীয় অধ্যক্ষ ঃ** মই পাইছো। I have received two Adjournment Motions and the subject matters are almost same. The first one I had received at 8.30 p.m.yesterday from Hafis Basir Ahmed and 8 others and other was received by my office at 9.05 p.m. on the same day from the Leader of the Opposition & 14 others. Since, the subject matter of both the Notices are related to the same subject and as such, can be clubbed into a single Notice. যিহেতু AIUDF বিধায়িনী দলে আগতে দিছিল মই এই বিষয়টোত admissibility ৰ ওপৰত প্ৰথমে কবলৈ দিছো তাৰ পিছত I will give my view. এতিয়া আপুনি কব পাৰে।

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্ব পূৰ্ণ বিষয়ত আমি সভা স্থগিত কৰণৰ প্ৰস্তাৱ আনিছিলো। এই প্ৰস্তাৱ admissibility ৰ ওপৰত কব দিয়াৰ কাৰণে মই আপোনাক কৃতজ্ঞতা জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, সম্প্ৰতি আগতে 'কেব', পৰৱৰ্ত্তী পৰ্য্যায়ত 'কা' নাগৰিকত্ব সংশোধনী বিধেয়ক খন, আইনত পৰিনত হোৱাৰ আগে পিছে অৰ্থাৎ লোক সভা আৰু ৰাজ্য সভাত এই বিলখন পাছ কৰা প্ৰক্ৰিয়া আৰম্ভ হোৱাৰে পৰাই সমগ্ৰ ভাৰত বৰ্ষত আৰু বিশেষকৈ উত্তৰ-পূৱ ভাৰতৰ অসমত ইয়াৰ প্ৰতিবাদত জোৰদাৰ আন্দোলন চলিছে আৰু এতিয়াও চলি আছে। এই প্ৰতিবাদ কিহৰ কাৰণে কৰিব লগীয়া হ'ল? অধ্যক্ষ মহোদয়, আপুনি জানে যে এই প্ৰতিবাদ এই কাৰণে যে এইখন আইনত পৰিণত হোৱাৰ পিছত অসমৰ ৰাইজৰ, অসমবাসীৰ ওপৰত ইয়াৰ এটা সাংঘাটিক ধৰণৰ প্ৰভাৱ বিশেষকৈ ভাষা-সংস্কৃতিৰ ওপৰত প্ৰভাৱ পৰিব। ফলত অৰ্থনৈতিক, ৰাজনৈতিক ক্ষেত্ৰখন সংকুচিত হোৱাৰ আশংকা কৰা হৈছে। অসম চুক্তি ইয়াৰ দ্বাৰা নস্যাৎ কৰা হৈছে। সংবিধানৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰক ধূলিস্যাৎ কৰা হৈছে। এই কাৰণে আজি এই আইনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব লগীয়া হৈছে । চাৰ, আমি Adjournment Motion এই কথাটোৰ ওপৰত আনিছো, আইনখন পাছ হোৱা নোহোৱাৰ কথা নহয়, যিহেতু এই প্ৰতিবাদ Constitution ৰ Article 19 ৰ আধাৰত যিকোনো ভাৰতীয় নাগৰিকৰ প্ৰতিবাদ, য'ত বাকস্বাধীনতা দিয়া হৈছে, প্ৰতিবাদ কৰাৰ অধিকাৰ দিয়া হৈছে। প্ৰতিবাদ কৰাৰ এইটো এটা Constitution ৰ Fundamental Right. কিন্তু এই Right অসমৰ বা ভাৰত বৰ্ষৰ নাগৰিকে উপভোগ কৰাৰ ক্ষেত্ৰত, ৰাজনৈতিক পৃষ্ঠপোষকতাত এই বাক স্বাধীনতাক বাকৰুদ্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰে কিছু পদক্ষেপ লৈছে। আমি বিচাৰিছো এখন সুস্থ গণতান্ত্ৰিক ৰাষ্ট্ৰ। ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত এখন উল্লেখযোগ্য গণতান্ত্ৰিক তথা ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে পৰিচিত। ইয়াত যদি অন্যায়ৰ প্ৰতিবাদ কৰাৰ অধিকাৰ আমাৰ নাথাকে আৰু যি অন্যায়ৰ প্ৰতিবাদ কৰে তাক যদি ৰাষ্ট্ৰদ্ৰোহী বনোৱাৰ এটা প্ৰৱনতা চৰকাৰৰ থাকে বা ৰাষ্ট্ৰদ্ৰোহী বনাই আবদ্ধ কৰাৰ এটা যদি পদক্ষেপ লোৱা হয় তেতিয়াহলে আমি ইয়াত এখন সুস্থ গণতন্ত্ৰৰ আশা কৰিব নোৱাৰো। অধ্যক্ষ মহোদয়, আজি এই কাৰণে আমি এই আলোচনাটো বিচাৰিছো যে Adjournment Motion ৰ যিখিনি চৰ্ত আছে যি not more than one such Motion shall be made at the same

sitting. ইয়াত এটায়ে Motion অনা হৈছে, এটা বিষয়ৰ ওপৰত ইতিমধ্যে আপুনি ইয়াক একেলগ কৰি দিয়াৰ কথা কৈছে। Not more than one matter can be discussed on the same Motion and the Motion must be restricted to a specific matter of recent occurance. চাৰ, যোৱা ডিচেম্বৰ মাহৰ ৯ তাৰিখে এই আইনখন লোক সভাত পাছ হৈছে, ১১ তাৰিখে এইখন ৰাজ্যসভাত পাছ হৈছে, ১২ তাৰিখে এইখন ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰাৰ পিছত আইনত পৰিণত হৈছে। গতিকে এইটো recent occurance, এইটো বেছি পুৰণি বা বহুত আগতে ঘটা কোনো ঘটনা নহয়। অধ্যক্ষ মহোদয়, তৃতীয় কন্‌ডিচন দিয়া হৈছে The Motion must not revive discussion on a matter which has been discussed in the same session. এইটো বিষয়ৰ ওপৰত এইটো Session ত কোনো আলোচনা হোৱা নাই। Kaul and Shakdher ৰ যিখিনি condition of admisibility ৰ ওপৰত দিয়া হৈছে আমি তাত লক্ষ্য কৰিলে দেখিবলৈ পাওঁ, আমাক যি জাননী দিয়া হৈছে Adjournment Motion ৰ, তাত প্ৰথম condition দিয়া হৈছে Ministerial responsibility. ইয়াত কোৱা হৈছে Generally speaking, the subject matter of an Adjournment Motion must have direct or indirect relation to a conduct or default on the part of the Government of India and must be in the nature of the critisim of the action of the Government of India either for having done some action. চাৰ, এই বিষয়টো যিহেতু ইয়াক ৰাজনৈতিক মুনফাৰ কাৰণে বা ৰাজনৈতিক পৃষ্ঠপোষকতাত চৰকাৰে ইয়াৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি আমাৰ যি মৌলিক বাক স্বাধীনতা আছে তাত ৰূদ্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ কাৰণে চৰকাৰৰ Ministerial responsibility আছে। অধ্যক্ষ মহোদয়, দ্বিতীয়তে, admisibilityৰ কাৰণে কোৱা হৈছে relate to a single specifice matter সেইটো ইতিমধ্যে আলোচনা কৰা হৈছে। তৃতীয়তে আছে, Neither be couched in general terms nor cover a great number of

cases: সেইটো ইয়াত হোৱা নাই। চাৰ ইয়াৰ flexual basis ও আছে যে চৰকাৰে ক্ষমতাৰ অপব্যৱহাৰ কৰিছে, মৌলিক স্বাধীনতা খৰ্ব কৰাৰ প্ৰৱণতা, বহুত নিৰিহ মানুহে এই ক্ষেত্ৰত জীৱন আহুতি দিব লগীয়া হ'ল আৰু ৫ জনকৈ স্বহীদ হ'ল। ৫০ জন মানুহ আহত হ'ল, একাধিক মানুহ এতিয়ালৈকে জেলত আবদ্ধ হৈ থাকিব লগীয়া হ'ল। অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ। যেতিয়া মৌলিক অধিকাৰ খৰ্ব হয়, তেতিয়া মৌলিক অধিকাৰ সুৰক্ষাৰ কাৰণে তৎকালীন ব্যৱস্থা লোৱাটোৰ প্ৰয়োজন আছে । সেই কাৰণে আমি ভাবো বিষটো অতি গুৰুত্বপূৰ্ণ আৰু বিষয়টোৰ ওপৰত বিষদ ভাবে আলোচনা কৰিব লাগে । অধ্যক্ষ মহোদয়, যিবিলাক admisibility ৰ চৰ্ত ইয়াত আৰোপ কৰা হৈছে Rules of Procedure and Conduct of Business Practice and Procedure of the Parliament ৰ মাজত, সেই গোটেই খিনিৰ চৰ্ত আজিৰ বিষয়টোৰ ওপৰত প্ৰযোজ্য হয়। সেই কাৰণে মই আশা কৰিছো যে আমি যিটো motion আনিছো মাননীয় অধ্যক্ষ মহোদয়ে সেইটো গ্ৰহণ কৰি বিস্তাৰিত আলোচনা কৰিবৰ বাবে সুযোগ দিব।

**মাননীয় অধ্যক্ষঃ** শইকীয়া ডাঙৰীয়া ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি আমি যিটো সভা স্থগিত প্ৰস্তাৱ আনিছো, সেই প্ৰস্তাৱ অনাৰ কাৰণটো হ'ল যে অসমত আমি চৰকাৰৰ ফালৰ পৰা

আন্দোলনটোক প্ৰথমৰ পৰাই ৰাষ্ট্ৰ বিৰোধী আন্দোলন বুলি চিহ্নীত কৰিব বিচৰা হৈছে আৰু ইয়াৰ দ্বাৰা আমাৰ যিটো মৌলিক অধিকাৰ as provided under Article-19 of the Constitution of India, freedom of expression, ইয়াত violate কৰা হৈছে । ঠিক তেনেকৈ আন্দোলনটোত বাধা আৰোপ কৰিবলৈ ১৪৪ ধাৰা জাৰি কৰি ইয়াক নিষিদ্ধকৰণ কৰা হৈছে । কিন্তু যোৱা সময়চোৱাত বিভিন্ন উচ্চ ন্যায়ালয়ে এই ১৪৪ ধাৰা জাৰি কৰা কাৰ্য্য টোক অগণতান্ত্ৰিক বুলি আখ্যা দিছে আৰু এই ক্ষেত্ৰত কৰ্ণাটক উচ্চ ন্যায়ালয়ে ১৮ ডিচেম্বৰ তাৰিখে পুলিচক ভৎর্ষনা দিছে, এই ধাৰা CAA বিৰোধী আন্দোলনৰ ক্ষেত্ৰত প্ৰয়োগ কৰাৰ বাবে । ঠিক তেনেকৈ ব'ম্বে উচ্চ ন্যায়ালয়ে বিধেয়কৰ বিৰোধীতা হোৱাৰ ক্ষেত্ৰত কৈছে যে মাত্ৰ এখন আইনৰ বিৰোধীতা কৰাৰ বাবে মানুহ বিলাকক দেশদ্ৰোহী ক'ব পৰা নাযায় । গোটেই আন্দোলনটো হৈ আছিলে আমাৰ নাগৰিকত্ব সংশোধনী আইন, ২০১৯ ৰ বিৰোধীতা কৰাৰ বাবে । ঠিক তেনেদৰে, অসম চৰকাৰে এখন নিৰ্দেশনা দিছে যে চৰকাৰী কৰ্মচাৰী সকলে চৰকাৰক কোনো ধৰণৰ সমালোচনা বা চ'চিয়েল মিডিয়া অথবা কোনো ৰেলীত অংশগ্ৰহণ কৰিব নোৱাৰিব । সেই ক্ষেত্ৰটো ত্ৰিপুৰা উচ্চ ন্যায়ালয়ে ৯ জানুৱাৰী তাৰিখে এটা নিষেধাজ্ঞা দিছে যে চৰকাৰী কৰ্মচাৰী সকলে ৰাজনৈতিক ভাবে ৰেলীত অংশগ্ৰহণ কৰিব পাৰিব । অনুৰূপ নিৰ্দেশনা টেলেংগনা উচ্চ ন্যায়ালয়ৰ আছে । উচ্চতম ন্যায়ালয়ে শেহতীয়াকৈ চাহিন বাগৰ ক্ষেত্ৰত তিনি জনকৈ লোকক তাত থকা লোক সকলৰ লগত আলোচনা কৰিবলৈ পঠাইছে আৰু এই গোটেই খিনি কৰা হৈছে আইন শৃংখলা পৰিস্থিতিৰ অৱনতি নহ'বলৈ আৰু যিহেতু আইন শৃংখলাৰ বিষয়টো ৰাজ্যৰ এটা বিষয়। সেই গতিকে অসম চৰকাৰ এই ক্ষেত্ৰত দায়ী আৰু ১২ তাৰিখে লতাশিল খেলপথাৰত যিটো শান্তি সমদললৈ গুৱাহাটীৰ যুৱক শান্তিপূৰ্ণ ভাবে খোজ কাঢ়ি থাকোতেই তেওঁলোকক পুলিচৰ ফালৰ পৰা গুলীয়াই হত্যা কৰা হ'ল শ্বেম ষ্টেফৰ্ডৰ নিচিনা যুৱকক আৰু অন্যান্য কেইবাজনো শ্বহীদ হ'ল । কেইবাজনো ৰাষ্ট্ৰদোহৰ নিচিনা ভয়ানক গোচৰত বন্দী কৰি আন্দোলনটো স্থগিত কৰিব বিচৰা হ'ল । যিটো section-124(A) লগোৱা হৈছে। NIA ক লগোৱা হৈছে, আমাৰ মুখ্যমন্ত্ৰী মহোদয়, ভাৰতৰ গৃহ মন্ত্ৰী মহোদয়, ভাৰতৰ প্ৰধান মন্ত্ৰী মহোদয় তেখেত সকলে অভিযোগ কৰিছিল যে এই আন্দোলনটো কংগ্ৰেছে চলাই আছে, বিৰোধী সকলে চলাই আছে । এই সত্য প্ৰতিপন্ন কৰিবলৈ বহু কংগ্ৰেছ কৰ্মীক অসমৰ বিভিন্ন অঞ্চলত গ্ৰেপ্তাৰ কৰি জেলত থোৱা হৈছিল, অখিল গগৈ, ধৈৰ্য্য কোঁৱৰ, বিতুল সোণোৱাল, মানস কোঁৱৰ, শংখল চলিহা, কামৰুল ইচলাম চৌধুৰী, ধ্ৰুৱ গগৈ, যুগৰ আলম, বাবুল পুৰকায়স্থ, মনোৰঞ্জন বৰগোহাই, দিনা দত্ত, বাবুল চুটিয়া আৰু ৰাষ্ট্ৰদোহৰ অভিযোগত অভিযুক্ত কৰিলে । পৰৱৰ্তী সময়ত ইয়াৰ জামিন পাবলৈ সক্ষম হ'ল । পুলিচে আদালতত যিহেতু এই দোষ প্ৰতিপন্ন কৰিব নোৱাৰিলে আৰু অসমৰ এজন মন্ত্ৰীয়ে বাৰে বাৰে কৈ আছে যে কলাক্ষেত্ৰৰ ভিডিঅ' আৰু এই ভিডিঅ'ত পোৱা গৈছে । যি জন লোকক গ্ৰেপ্তাক কৰা হৈছে, তেওঁ নিজেও কৈছে যে যদিহে কিবা আছে সেইটো ৰাজহুৱা কৰিব লাগে তাৰ বাবে মই প্ৰত্যাহ্বান কৰিছো । এই ক্ষেত্ৰতো চৰকাৰে একো কৰা নাই । আমি শপত লৈছো সাংবিধানিক অধিকাৰৰ । গতিকে যিখিনি Admisibility ৰ বাবে Kaul and Shakdher খনলৈ নগৈ আমাৰ যিখিনি নিজৰ আছে তাত যি কেইটা চৰ্ত হ'ব not more than one, such motion shall be made at same sitting. আজি আমি প্ৰথম দিনাই এইটো দিছো । এইটো আমি specific দিছো, recent occurence যিহেতু ঘটনাটো হৈছে ডিচেম্বৰ মাহত । জানুৱাৰী মাহত আমি এটা প্ৰস্তাৱ আনিব বিচাৰিছিলো Special Session কিন্তু তাত provision নাছিলে। আমি আনিব

নোৱাৰিলো । Motion টো ইয়াত আগত আলোচনা হোৱা নাই । ঠিক তেনেধৰণে আমাৰ ৰাজ্যৰ বাবে প্ৰস্তাৱ ল'ব পাৰি যে যিখিনি শান্তিপূৰ্ণ আন্দোলনত চৰকাৰে ১৪৪ ধাৰা জাৰি কৰি আন্দোলনটোক ধ্বংস কৰিবলৈ বিচাৰিছিল, আৰু জনসাধাৰণৰ আধিকাৰ খৰ্ব কৰিব বিচাৰিছিল ইয়াৰ, বিৰুদ্ধে প্ৰস্তাৱ ল'ব পৰা যায় । গতিকে গোটেই কথাখিনি আলোচনা কৰাৰ প্ৰয়োজন আছে বুলি অনুভৱ কৰি আমি সভা স্থগিত প্ৰস্তাৱটো উত্থাপন কৰি আলোচনাৰ বাবে সময় বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ পৰা কংগ্ৰেছ দল আৰু এ এই ইউ ডি এফ দলে যিটো সভা স্থগিত প্ৰস্তাৱ আজি আনিছে আৰু বিধান সভাৰ সকলো কাৰ্য্যসূচী বাতিল কৰি সভা স্থগিত প্ৰস্তাৱটোৰ ওপৰত আলোচনা কৰাৰ কোনো যুক্তি যুক্ততা নাই ।কাৰণ ।Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ নিয়ম উল্লেখ কৰি হাফিজ চাহাবে এইটো পইন্ট পঢ়ি দিছে আৰু তাত কৈছে যে motion shall be dealt with the matter which is under execution by a court of law having jurisdiction. তাত এটা clearityৰ কথাটো কোৱা হৈছে ।অধ্যক্ষ ডাঙৰীয়া, এই CAA ৰ ওপৰত ইতিমধ্যে মাননীয় উচ্চ আৰু উচ্চতম ন্যায়ালয়ত বহু কেইটা গোচৰ চলি আছে। গতিকে এই বিষয়টো Sub-Judice বিষয়। গতিকে বিষয়টো আমাৰ Rules of Procedure and Conduct of Business ৰ Rules-58, sub-rules-7 ত কোৱা আছে যে "The motion shall not be dealt with any other which is under execution by Court of Law having jurisdiction in any part of the country." হাফিজ চাহাবে Kaul and Shakder ৰ Practice and Procedure of Parliament ৰ ২ টা মান পইন্ট উল্লেখ কৰিছে । গতিকে Kaul and Shakder তাত clear কৈ কৈছে (Page no. 564) of Kaul and Shakder ৰ first para ত আছে The police force to maintain the law and order can not be a subject matter of adjornment motion as under the Code of Criminal Procedure 1973. যিহেতু গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি আমাৰ পূৰ্ণ শ্ৰদ্ধা আছে । এখন গণতান্ত্ৰিক দেশত গণতান্ত্ৰিক ভাবে মানুহে আন্দোলন কৰিব পাৰে। কিন্তু গণতান্ত্ৰিক আন্দোলনটো যেতিয়া হিংসাত্মক ৰূপত যাব, পুলিচে ব্যৱস্থা ল'বলৈ বাধ্য হ'ব । আৰু অলপ আগতে আমাৰ হাজৰিকা ডাঙৰীয়াৰ যিজনে ঘৰ জলাইছিল তেখেতে নাম ল'বলৈ মানা কৰিলে, মইও নাম নলওঁ। গতিকে তেনেকুৱা ব্যক্তি সকলে যেতিয়া উচটনি দি সমাজ খনত এটা হিংসাত্মক ঘটনাৰ সৃষ্টি কৰে বা তাৰ লগত যদি কিছুমান ৰাজনৈতিক শক্তি ও জড়িত হৈ গোটেই পৰিৱশেষটো বিনস্ত কৰিবলৈ চেষ্টা কৰে। অধ্যক্ষ মহোদয়, Kaul and Shakdher য়ে এই কথাটো স্পষ্টকৈ কৈছে। তাৰোপৰি Page No-566 ৰ Para 1 ত কৈছে- In interpreting whether a matter is urgent or not, the Speaker is guided not by the ordinary meaning of the term but by the technical use of the term made in the Rule. গতিকে অধ্যক্ষ মহোদয় আমাৰ “Rules of Procedure and Conduct of Business in Assam Legislative Assemby ৰ Rule 56 তো এই কথাখিনি আছে। Sub-rule VI তো এই কথাখিনি আছে আৰু Parliament ৰ Practice and Procedure তো কথাখিনি আছে । বিষয়টো যেতিয়া Sub-Judice হ'ব, তেতিয়া বিধান সভাত আহিব নোৱাৰে।

আকৌ Kaul and Shakdher ৰ page No.567 ৰ Para 1 ত আছে "A matter which has been continuing for some time can't be raised through an Adjournment Motion." Next para ত কৈছে " A matter even of recent occurence, যিটো আমাৰ হাফিজ বছিৰ চাহাবেও উল্লেখ কৰিছে। " A matter even of very recent occurence is not 'urgent', if an opportunity for its discussion will arise in the ordinary course of Business within a resonably short time. অধ্যক্ষ ডাঙৰীয়া এইখন Budget Session . গতিকে Resonably আমাৰ এই বিষয়টো উত্থাপন কৰিবলৈ বিভিন্ন Device আছে । যথেষ্ট সময়ো আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, এইটোত হাফিজ বছিৰ চাহাবে আকৌ কৈছে যে এইটো Recent, urgent and definite, এই ক্ষেত্ৰত Kaul and Shakdher য়ে স্পষ্টকৈ কৈছে । 'Similarly, a matter which can be raised under any other procedural device viz.,calling attention notice, questions, short notice questions, half-an hour discussion, short duration discussion etc. can not be raised through an adjournment motion. আমাৰ "Rules of Procedure and Conduct of Business in Assam Legislative Assemby ৰ Rule 50, Half an Hour discussion, calling attention notice, questions, Rule 301, Rule 54 ইত্যাদি device আছে। গতিকে অন্য device ত এই বিষয়টো আলোচনা কৰিব পাৰি ।

দ্বিতীয়তে, page No.572ত কৈছে -The point is that if Hon'ble Members have a fairly good chance of raising the question on a debate, it will not be permitted as an adjournment motion. আকৌ, page No.574 ত কৈছে -It has further been held that an order passed in the ordinary administrations of law can not be subject matter of an adjournment motion even though there is no remedy for it under law. শেষত, Page No-576 ত স্পষ্টকৈ কৈছে- an adjournment Motion, on such incidents is held out of order if the Govt.comes forward with a plea that the matter is under investigation. গতিকে অধ্যক্ষ মহোদয়, এই CAA আন্দোলন সম্পৰ্কত যি সকল গ্ৰেপ্তাৰ হৈছে তেওঁলোকৰ বিৰুদ্ধে বিভিন্ন অভিযোগ আছে আৰু পুলিচে বৰ্তমান investigation কৰি আছে। লগতে; গোটেই অসমত যি হিংসাত্মক ঘটনা হৈছে সেই ঘটনা বিলাকৰ ওপৰতো ইতিমধ্যে চৰকাৰে তদন্ত কৰিছে। যিহেতু এই বিষয়টো investigation stage ত আছে গতিকে it can not be the subject matter of an adjournment motion. গতিকে অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে এইটোৱেই ক'ম যে মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়া, হাফিজ বচিৰ ডাঙৰীয়াই যিখিনি কথা ইয়াত উল্লেখ কৰিছে সেইখিনি adjournment motion ত আনিব নালাগে যিহেতু সেইখিনি অন্য device ত অনাৰ scope আছে। গতিকে অন্য deviceত আনি এই বিষয়টো তেওঁলোকে আলোচনা কৰক। চৰকাৰ আলোচনাৰ বাবে প্ৰস্তুত আছে। আলোচনা কৰিলে আমিও কিছু কথা ক'ব পাৰো আৰু তেখেতসকলেও কিছু কথা ক'ব পাৰে। আলোচনা কৰিলে আমি ভাল পাম। তেতিয়া সকলো কথা

স্পষ্ট হ'ব। কিন্তু adjournment motion ৰ feasibility ইয়াত নাই বুলি মই জনাইছো।

**মাননীয় অধ্যক্ষঃ** মই দুয়োটা পক্ষৰে কথা শুনিলো।

আপুনি কিবা ক'ব বিচাৰিছে নেকি? Leader of the Opposition হোৱা কাৰণে মই আপোনাক অনুমতি দিছো। নহ'লে বিতৰ্ক হৈয়েই থাকিব, গতিকে এই ক্ষেত্ৰত মই ৰুলিং দিব লাগিব।

**বিৰোধী দলৰ দলপতিঃ** চাৰ, আপুনি ৰুলিং দিব কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে বোধকৰো আমাৰ প্ৰস্তাৱটো ভালদৰে পঢ়া নাই। তেখেতে বিষয়টো sub-judice বুলি কৈ যিখিনি কথা ইয়াত ক'লে সেইখিনি আমাৰ প্ৰস্তাৱটোত নাই। আমি CAA ৰ কথা একেবাৰে উল্লেখ কৰা নাই। আমি বৰ্তমান অসম চৰকাৰে সংবিধানৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা কথাটোহে কৈছো। তেখেতে CAA ৰ ক্ষেত্ৰত আলোচনা কৰিব নোৱাৰো বুলি Kaul and Shakdher ৰ কিতাপখন উলিয়াইছে আৰু বাকীখিনি আমাৰ "Rules of Procedure and Conduct of Business in Assam Legislative Assemby" ত থকা বুলি কৈছে। চাৰ, আমি সংবিধানৰ ওপৰত আঘাত হানিছে বুলিহে কৈছো। আমি এনেদৰে এই কাৰণেই কৈছো কিয়নো সৰ্বোচ্চ ন্যায়ালয়ে Right to Agitate ৰ ব্যৱস্থা ৰাখিছে, মই সেইটো quote কৰিব বিচাৰিছো- 'Freedom of Speech- right to assemble demonstrate by holding dharna and peaceful agitation are the basic features of a democratic system, that people of a democratic country like ours have a right to raise their voice against the decision and action of a government, even to express their resentment over the action of the government on any subject of social or rationale importance.' চাৰ, আমি social or rationale importance থকা বুলি বিবেচনা কৰিয়েই এই স্থগিত প্ৰস্তাৱ আনি তাৎক্ষণিক আলোচনা কৰিব বিচাৰিছো। The Government has to respect and infact, encourage exercise of such rights. it is the abundant duty of the State to aid the exerice of the rights to freedom of speech as understood in its comprehensive sense and not to fatal or frustrated the exercise of such rights by exercising its executive or legislative power and passing order or taking action or direction in the name of reasonable restriction. চাৰ, তেখেতে যিটো কথা ক'লে যে administrative action ৰ ওপৰত আলোচনা কৰিব নোৱাৰো বা সংবিধানত এনেকুৱা কথা নাই। কিয়নো, সংবিধান Supreme Court য়ে interprete কৰিব।

মই যি ৫ জন শ্বহীদৰ কথা ক'লো, তেওঁলোকক অপ্ৰৰোচিত ভাৱে হত্যা কৰা হৈছে। পুলিচৰ ফালৰ পৰাও কোনো announcement কৰা হোৱা নাই। Magistrate ৰ যোগেদি-লাঠি চাৰ্জ, কন্দুৱা গেছ, Rubber Bullet, Water canon প্ৰয়োগৰ কথাখিনি পোহৰলৈ আনিবলৈ judicial enquiry এটা বিচাৰিছিলো, যিহেতু হাতীগাওঁ থানাত গৌহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা এজনে FIR দিছে ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃঅধ্যক্ষ মহোদয়, মই কথাখিনি Rules ৰ ভিত্তিতে কৈছো আৰু মই এটা কথা উল্লেখ কৰিছো যে আমি গণতান্ত্ৰিক আন্দোলনক কেতিয়াও

অস্বীকাৰ নকৰো। এখন গণতান্ত্ৰিক দেশত মৌলিক অধিকাৰ আছে যে গণতন্ত্ৰই আন্দোলন কৰিব পাৰে। কিন্তু গণতান্ত্ৰিক আন্দোলন মানে এইটো নহয় যে বিধায়কসকলৰ ঘৰ, দোকান বা টায়াৰ জ্বলাব বা এনেধৰণৰ অপ্ৰীতিকৰ ঘটনা হ'ব। গতিকে অধ্যক্ষ ডাঙৰীয়া ইয়াতে কথা এটা হ'ল যে Adjournment Motion ত 'কা' ৰ কথা উল্লেখ নাই বুলি কৈছে। কিন্তু AIUDF ৰ খনত উল্লেখ আছে মাথো ভাষাটো বেলেগ। তেখেতসকলে কৈছে যে নাগৰিকত্ব আইনৰ বিৰোধীতা কৰা কেইবাগৰাকী অসম প্ৰেমী লোকৰ ওপৰত ৰাষ্ট্ৰদ্ৰোহীতাৰ মিছা গোচৰ জাপি দি চৰকাৰে কাৰাবন্দী কৰি গনতান্ত্ৰিক ৰাজনৈতিক দমনমূলকভাৱে নীতি পৰিহাৰ কৰি নিৰপৰাধী অসমীয়া নেতা সকলক অতি সোনকালে মুকলি কৰি দিয়া হওঁক। ----হুলস্থুল------

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে নিৰ্দেশ দিব নোৱাৰে। মোৰ লগত দুয়োটা Notice য়েই আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, AIUDF ৰ Notice কালি পাইছো। আপোনালোকৰ যদিও পোৱা নাই তথাপিও response কৰিছো। কিন্তু সেইবিলাক debate লৈ মই নাযাওঁ।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা ক'ব বিচাৰিছো, প্ৰথম কথাটো হ'ল যে হয়, দুটা Notice আছে আৰু মই দুটাই পঢ়িছো। দুয়োটাতে almost গুঢ়াৰ্থটো একেই। গুঢ়াৰ্থটো হৈছে যে ইয়াত আন্দোলন চলি আছে। তাৰ লগত সম্পৰ্ক থকা কিছু মানুহ selectively arrest কৰিছে, আপোনালোকে তেনেকুৱা ধৰণৰ কথা কৈছে আৰু এই মানুহখিনিক এনেকুৱা কৰাটো গনতান্ত্ৰিক অধিকাৰৰ বিৰুদ্ধে। মই liberally দুই পক্ষৰ কথাখিনি শুনিলো। মই এই point বিলাক আজি নিজে চাম। ইয়াৰ relevancy টো চাম আৰু কালি মই ruling দিম আৰু আজি সেইকাৰণে adjourn হ'ব। এইটো reserved থাকিব। I can reserve my ruling, this is my prerogative.I will pass my ruling tomorrow. সদনত হুলস্থুল------

**(সদনত মাননীয় অধ্যক্ষৰ আসনৰ ওচৰত বিৰোধী পক্ষৰ সদস্যসকলে প্লে' কাৰ্ড প্ৰদৰ্শন কৰি তেওঁলোকৰ প্ৰতিবাদ সাব্যস্ত কৰি আছে।)**

**মাননীয় অধ্যক্ষঃ** সকলো বহক। Will you allow to continue the House proceedings?

**(সদনত প্ৰতিবাদমুখৰ পৰিৱেশ বিৰাজমান)**

**মাননীয় অধ্যক্ষঃ** মই ভাৱো, মই যিহেতু এটা ruling দিছো, আপোনালোক সকলোৱে মানিব লাগে। আপোনালোকে বহুত প্ৰতিবাদ কৰিলে, এতিয়া আৰু সদনক obstruct নকৰিব।

**(বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদী সুৰেৰে সদন কক্ষ ত্যাগ কৰে।)**

(কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ মাননীয় সদস্য সকলে হাতত প্লে কাৰ্ড লৈ মাননীয় অধ্যক্ষৰ আসনৰ ওচৰলৈ আহি সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। সেইখিনি সময়ত শাসক দলৰ কিছুমান সদস্যই নিজ নিজ আসনৰ পৰাই কংগ্ৰেছ আৰু এ আই ইউ ডি এফক ভাই-ভাই বুলি চিঞঁৰি থকাত সদনত এটা গণ্ডগোলৰ সৃষ্টি হয়। তাৰ ফলত স্পষ্টভাৱে বক্তব্যবোৰ শুনা নগ'ল। ইয়াৰ পিছত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ মাননীয় সদস্য সকলে সদন কক্ষ ত্যাগ কৰে।)

**মাননীয় অধ্যক্ষ ঃ** কথাটো হ'ল যে যেতিয়া Adjournment Motion আহে Admissibility পোৱাৰ পিছত মোৰ এটা ৰুলিং থাকে। মই আজি তেওঁলোকক ৰিজেক্ট কৰি দিয়া নাই। মই শাসক আৰু বিৰোধীৰ কথাখিনি শুনিলো। ইয়াত অলপ জটিলতা আছে। প্ৰথম ৰিজ'লিউশ্বনটো

লোৱাৰ পিছত আমি দ্বিতীয় ৰিজ'লিউশ্বনটো নললোহেঁতেন। কিন্তু Spirit টো একেই কাৰণে মই ভাৰিছো দুয়োটা প্ৰস্তাৱ একেলগ কৰিলে দুয়োটো পক্ষই ভাল পাব। কিন্তু পিছত তেখেতসকলে সেই কথাটো কৈছে। মই তেখেত সকলৰ সেই কথাটো শুনিছো। মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি যুক্তি দিছে, সেইখিনি অতি গুৰুত্বপূৰ্ণ। মই সেইখিনিও ৰেকৰ্ড কৰিছো। মই অৰ্ডাৰটো আজিয়েই দিব পাৰো। কিন্তু মই দিছো I have to take your point also. You have raised different points opposing the Adjournment Motion. So those are important. মই যদি Adjournment Motion টো আজি allow কৰো তেতিয়াও আজি আলোচনা নহয়। ৰুলত আছে যে Adjournment Motion টো allow কৰাৰ পিছত মই এটা নিৰ্দিষ্ট তাৰিখ ঠিক কৰি দিম। তেতিয়াহে আলোচনা হ'ব। মই মেম্বাৰ সকলক বুজাব বিচাৰিছো যে মই যদি Adjournment Motion টো allow কৰো তাৰ আলোচনা হ'ব এটা নিৰ্দিষ্ট সময়ত। যিটো মই দুদিন বা তিনি দিনৰ পিছত ঠিক কৰি দিম। গতিকে Adjournment Motion টো এনেকুৱা নহয় যে কিবা এটা ক'লে লগে লগে ৰুলিং আহিব আৰু তাৰ পিছত লগে লগে ক'বলৈ পাম। সেইটো নহয়। মই যেতিয়া allow কৰিম তেতিয়াহে ক'বলৈ পাব। এইটো এটা ৰুল হয়। গতিকে তেখেতসকলে বেয়া পাইছে ৰুলিংটো ৰিজাৰ্ভ ৰখাৰ কাৰণে। সেই কাৰণে তেখেতসকলে প্ৰটেষ্ট কৰিছে। They have right to protest and they can go out instead of disturbing the House. মই ভাল পালো যে তেখেতসকলৰ their Good sense prevail আৰু তেখেতসকলে বাটটো এৰি দিলে। মই এতিয়া মাননীয় সদস্য পবিন্দ্ৰ ডেকাক তেখেতৰ পইণ্টটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই শূন্যকালীন ঘণ্টাত আমাৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এটা অতি স্পৰ্শকাতৰ বিষয় উত্থাপন কৰিবলৈ বিচাৰিছো। বিষয়টো হৈছে-অসমীয়া 'খবৰ কাকত'ত যোৱা ২৮ ফেব্ৰুৱাৰী ২০২০ ত এটা খবৰ প্ৰকাশ পাইছিল যে কেঞ্চাৰ ৰোগীৰ সংখ্যা অকল্পনীয় ভাৱে বৃদ্ধিৰ বিপৰীতে আন্তঃগাঁথনিৰ অভাৱ। ডাঃ অমল চন্দ্ৰ কাকতি আমাৰ বি বৰুৱা কেঞ্চাৰ হস্পিতালৰ সঞ্চালক। অসমত দৈনিক ৪২ জন লোকৰ দেহত বিয়পে মাৰাত্মক কেঞ্চাৰৰ বীজ। ৰাজ্যত বছৰি আক্ৰান্ত ৩০ হাজাৰ লোক। তেখেতে ইয়াত সংবাদ মেল পাতি কৈছে যে ৰাজ্যখনত আৰু উত্তৰ-পূৰ্বাঞ্চলত গোটেই ভাৰতবৰ্ষৰ তুলনাত অতি ভয়াবহৰূপে কেঞ্চাৰ ৰোগৰ প্ৰাদুৰ্ভাৱ হৈছে। প্ৰতি বছৰে ৩৯ হাজাৰ ব্যক্তি এই ৰোগত আক্ৰান্ত হৈছে। তাৰে ৩০ হাজাৰেই কেৱল অসমৰ আৰু বাকী ৯ হাজাৰ অন্য কেইখন ৰাজ্যৰ। তেখেতে অভিযোগ কৰিছে আৰু আমিও বিধায়ক হিচাপে দেখা পাইছো যেতিয়া আমি শ্বহীদ আঁচনিৰ পইচা দিওঁ, আমি যেতিয়া শ্বহীদ আঁচনিৰ পইচা দিবলগীয়া হয়, তাৰে আধাই হৈছে কেঞ্চাৰ ৰোগী। ১৯৭৪ চনত তেতিয়া আমি বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিলো আৰু এটা ৰিপোৰ্ট পঢ়িছিলো। সেই ৰিপোৰ্টটোত তেতিয়া কৈছিল যে অসমৰ আকৌ অবিভক্ত কামৰূপ জিলাত কেঞ্চাৰ ৰোগৰ প্ৰাদুৰ্ভাৱটো বেছি। তেখেতে আকৌ কৈছে যে হাজাৰ হাজাৰ কেঞ্চাৰ ৰোগীক চিকিৎসা কৰিবৰ বাবে আমাৰ সাতখন চিকিৎসালয় আছে। তাৰে বি বৰুৱা কেঞ্চাৰ ইনষ্টিটিউট ১ নম্বৰ আৰু বাকী মেডিকেল কলেজতো কেঞ্চাৰ ৰোগৰ চিকিৎসা কৰা হয়। কিন্তু তাত আন্তঃগাঁথনিৰ অভাৱ আছে। যাৰ কাৰণে আমাৰ কেঞ্চাৰ ৰোগীসকলে ভাৰতবৰ্ষৰ অন্য ৰাজ্যলৈ চিকিৎসা কৰিবলগীয়া হয় আৰু আমি সকলোৱে জানো যে কেঞ্চাৰ ৰোগৰ চিকিৎসা অতি ব্যয়বহুল। এইটো এটা ধাৰণা কৰা হৈছে যে ৰাজ্যখনৰ ৩ কোটি ২১ লাখ ৬৪ হাজাৰ পৰিয়ালৰ প্ৰায় ১০ শতাংশ লোকৰ ঘৰে ঘৰে

কেঞ্চাৰ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিছে। কিন্তু আন্তঃগাঁথনিৰ অভাৱ হৈছে আৰু ডাক্তৰো কমিছে। তেওঁ এটা হিচাপ দিছে যে ভাৰতবৰ্ষত যিমান কেঞ্চাৰ ৰোগ হয়, তাৰে তুলনাত প্ৰায় ৬ হাজাৰ ৫ শ হে কেঞ্চাৰ ৰোগৰ বিশেষজ্ঞ আছে। গতিকে মই অসম চৰকাৰক এটা অনুৰোধ কৰিব বিচাৰিছো যিহেতু অসমত কেইবাখনো হস্পিতাল হ'ল। তাত যাতে কেঞ্চাৰ ৰোগীসকলে চিকিৎসা কৰিব পাৰে। বি বৰুৱা কেঞ্চাৰ হস্পিতালৰ এনেকুৱা এটা অৱস্থা তাত বিৰ দি বাট নাপায়। তাত কেঞ্চাৰ ৰোগীসকলক ৰাখিবলৈ সুবিধা নোহোৱা হৈছে আৰু বাকীসমূহতো একেই অৱস্থা হৈছে। আমাৰ চৰকাৰে বিবেচনা কৰিব পাৰে নেকি যে যি কেইখন আমাৰ নতুন নতুন হস্পিতাল আছে তাত কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ বাবে ব্যৱস্থা ল'ব লাগে। এতিয়া আমাৰ যিখিনি চৰকাৰী চাকৰিয়াল আছে, সেইখিনি বাহিৰত চিকিৎসা কৰিলে চৰকাৰে যিখিনি খৰচ হয়, সেইখিনি নিৰ্দিষ্ট হাৰত ঘূৰাই দিয়ে। কিন্তু বাকী যিখিনি দুখীয়া মানুহ সেইখিনিয়ে বাহিৰত গৈ চিকিৎসা কৰে। কিন্তু তেওঁলোকৰ বাহিৰত গৈ চিকিৎসা কৰাৰ সক্ষমতা আচলতে নাই। গতিকে এনেকুৱা ধৰণৰ এটা ব্যৱস্থা কৰাৰ বাবে অনুৰোধ জনালো। লগতে যিসকল চিকিৎসকৰ কেঞ্চাৰ ৰোগৰ চিকিৎসা কৰাৰ ইচ্ছা আছে সেইসকলক ভাৰতৰ বা ভাৰতৰ বাহিৰত থকা উন্নত চিকিৎসালয়ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগতে আপুনি জানে যে আমাৰ হাজাৰ হাজাৰ কিডনীৰ ৰোগী আছে। প্ৰায় ভাগ হস্পিতালত গ'লে আপুনি দেখা পাব যে ডায়েলেচিচ কৰি আছে। গুৱাহাটী চিকিৎসালয়ত এতিয়া ইমান ভিৰ হৈছে যে ডায়েলেচিচ কৰিবলৈ ৰোগী ৰৈ থাকিবলগীয়া হয়। এনেধৰণৰ এটা অৱস্থা হৈছে। গতিকে মই আশা কৰিম আৰু মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আৰু অধিক চিকিৎসালয়ত যাতে চিকিৎসাৰ ব্যৱস্থা কৰে আৰু আন্তঃগাঁথনিৰ অভাৱ থকা চিকিৎসালয়ত আন্তঃগাঁথনিৰ ব্যৱস্থা কৰে। তাৰে অনুৰোধ জনাই শূন্যকালীন ঘণ্টাৰ অসমীয়া 'খবৰ বাতৰি কাকত'ত প্ৰকাশিত খবৰটো দৃষ্টি আকৰ্ষণ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰীপীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, শূণ্যকালীন ঘণ্টাৰ যোগেদি সন্মানীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ সমস্যাৰ কথা আজি সদনত উ পস্থাপন কৰিছে। তেখেতে কৈছে যে, কেঞ্চাৰ ৰোগীৰ সংখ্যা অকল্পনীয় হাৰত বৃদ্ধিৰ বিপৰীতে আন্তঃগাঁথনিৰ অসমত অভাৱ। মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেঞ্চাৰ ৰোগীৰ সংখ্যা বঢ়াৰ কথাটো আমি নুই কৰিব নোৱাৰো। অসমত প্ৰত্যেক বছৰে প্ৰায় বত্ৰিছ হাজাৰ নতুন কেঞ্চাৰ ৰোগীৰ চিনাক্তকৰণ হৈ আছে আৰু এই বত্ৰিছ হাজাৰৰ সত্তৰ শতাংশই লাষ্ট ষ্টেজত হয়। কেঞ্চাৰৰ First/second/ third / forth stage, থাকে, সেইখিনি আমি সকলোৱে জানো। First stage ত যদি detect হয়, তেতিয়া মানুহজন. বচাৰ সম্ভাৱনা থাকে, কিন্তু forth stage, ত detection হ'লে মানুহজন্ৰ বচাৰ সম্ভাৱনা কমি যায়, mortality rate হৈছে চল্লিছৰ পৰা পঞ্চাছ শতাংশ। First stage ত যদি detect হয়, পঞ্চাছ শতাংশ মৃত্যুমুখত পৰে। গতিকে এই বিষয়ে আমি অসম চৰকাৰ বা অসম চৰকাৰৰ স্বাস্থ্য বিভাগ সচেতন আৰু আমি কেঞ্চাৰৰ বিৰুদ্ধে যুজ দিয়াৰ কাৰণে প্ৰয়াস কৰিছো আৰু ইতিমধ্যে আমি কাম-কাজ আৰম্ভ কৰিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই সদনত জনাবলৈ পায় সুখী হৈছো যে, অসম চৰকাৰে Assam Cancer Care Foundation গঠন কৰি অসম চৰকাৰৰ স্বাস্থ্য বিভাগ আৰু TATA Trust ৰ মাজত MOU কৰি প্ৰায় ১০৮০ (এক হাজাৰ আশী কোটি) টকাৰ ব্যয়ৰে ১৮ খন হস্পিতাল আমি বনাবলৈ প্ৰচেষ্টা আৰম্ভ কৰিছো আৰু ইয়াৰে ৮৩০ কোটি (আঠ শ ত্ৰিশ কোটি) টকা দিব TATA Trust য়ে। মই TATA Trust ক

ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ ভিতৰত ইতিমধ্যে দুটা পৰ্য্যায়ত আমাৰ এই হস্পিতাল কেইখনৰ কাম আৰম্ভ হৈছে। আমাৰ First phase আৰু second phase ৰ অন্তৰ্গত প্ৰথম phase ত গুৱাহাটী মেডিকেল কলেজত যিখন Cancer Institute আছে তাত এক নতুন আন্তঃগাঁথনিৰ কাম আৰম্ভ হৈ গ'ল। ডিব্ৰুগড়ত ইতিমধ্যে কাম আৰম্ভ হৈ গৈছে আৰু শিলচৰত অতি সোনকালে কাম আৰম্ভ হ'ব। যোৰহাট, বৰপেটাত ইতিমধ্যে কাম আৰম্ভ হৈছে, ডিফুত অতি সোনকালে কাম আৰম্ভ হ'ব। তেজপুৰ, কোকৰাঝাৰ, লক্ষিমপুৰত কাম আৰম্ভ হৈছে আৰু মঙ্গলদৈত অতি সোনকালে কাম আৰম্ভ হ'ব। এইখিনি হৈছে প্ৰথম পৰ্য্যায়ৰ কাম। দ্বিতীয় পৰ্য্যায়ত আমি বাকী ৮ খন হস্পিতালৰ অতি সোনকালে কাম আৰম্ভ কৰিম আৰু মই ভাবো ইয়াৰ পৰা অসমৰ কেঞ্চাৰ ৰোগী সকলৰ যথেষ্ট সুবিধা হ'ব আৰু আমি জাতিটোক বচাবলৈকে হয়তো কিছু হলেও সুবিধা পাম। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অসম চৰকাৰে মাননীয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমান এখন এটা অতি গুৰুত্বপূৰ্ণ আঁচনি আমাৰ আৰ্থিকভাৱে কম স্বচ্ছল ব্যক্তি সকলৰ কাৰণে অনাৰ ব্যৱস্থা কৰিছিল। মাননীয় স্বাস্থ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অটল অমৃত অভিযান বুলি এখন আঁচনি আজিৰ পৰা প্ৰায় তিনি বছৰৰ আগতে আনিছিল। আমি সকলোৱে জানো যে অটল অমৃত অভিযান আমি প্ৰথমে ছয় টা বেমাৰ সামৰি এখন এখন কাৰ্ড দিছিলো। অসমৰ প্ৰায় ৯২ শতাংশ মানুহে এই কাৰ্ডখন লাভ কৰিছিল। যাৰ পাচ লাখ টকাৰ তলত income আৰু তাৰে বি পি এল সকলে বিনামূলীয়াকৈ এই কাৰ্ডখন পাইছিল আৰু এক লাখৰ ওপৰত পাঁচ লাখৰ সীমাত এশ টকা প্ৰত্যেক বছৰে দিব লাগে। প্ৰত্যেকজন ব্যক্তিয়ে এই কাৰ্ডখন পোৱাৰ আমি সুবিধা কৰি দিছো আৰু যিজনে এতিয়াও পোৱা নাই, আমাৰ চৰকাৰী হস্পিতালত গ'লে সেই কাৰ্ডখন লগে লগে বনাই দিয়ে। আমি এই কাৰ্ডখনৰ যোগেদি মুলতঃ কেঞ্চাৰ , কিড্‌নি আৰু হাৰ্টৰ বেমাৰক টাৰ্গেট কৰিছিলো। এনেকুৱাকৈ প্ৰথমতে ছয়টা বেমাৰক আমি টাৰগেট কৰি এই অটল অমৃত অভিযান চলাইছিলো। এতিয়া যদি আই চি ইউ ত ট্ৰিটমেণ্ট কৰিব যায়, আই চি ইউ ট্ৰিটমেণ্ট অলপ ব্যয়বহুল হয়। গতিকে এই অটল অমৃত অভিযানৰ অধীনত আমি এই আই চি ইউৰ ট্ৰিটমেণ্টটো অন্তৰ্ভুক্ত কৰিছো। Accidental treatment টো অলপ ব্যয়বহুল হয়। গতিকে এইবাৰৰ পৰা আমি Accidental treatmen টোত এই অটল অমৃত অভিযানৰ অধীনত আনিছো। জাপানীজ এন্‌কেফেলাইটিছ আমাৰ অসমৰ কাৰণে এটা গুৰুত্বপূৰ্ণ সমস্যা। যোৱাবাৰ জাপানীজ এন্‌কেফেলাইটিছত আক্ৰান্ত হোৱা ৰোগীসকলক আমি চৰকাৰী হস্পিতাল, প্ৰাইভেট হস্পিতাল সকলোতে এক লাখকৈ টকা দিয়াৰ ব্যৱস্থা কৰিছিলো। এইবাৰৰ পৰা আমি অটল অমৃত অভিযানৰ অধীনলৈকেও এই জাপানীজ এন্‌কেফেলাইটিছ বেমাৰবিধ আনিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই সদনত জনাবলৈ পাই সুখী হৈছো যে, এতিয়ালৈকে অটল অমৃত অভিযানৰ অধীনত সহায় কৰা কেঞ্চাৰ ৰোগীৰ সংখ্যা হ'ল ৩৭ হাজাৰ সাতশ ২৫ গৰাকী। অটল অমৃত অভিযানৰ মুঠ হিতাধিকাৰী৪৭ শতাংশ কেঞ্চাৰ ৰোগীয়ে পাইছে। গতিকে এইটো আমাৰ চৰকাৰৰ এটা উল্লেখনীয় পদক্ষেপ বা সাফল্য বুলি মই অনুভৱ কৰো। কিন্তু কাম কৰিবলৈটো বহুত আছে বুলি মই কোনো দিনে অস্বীকাৰ নকৰো। আমি সেই কাৰণে ওঠৰখন হস্পিতাল বনোৱাৰ কাৰণে প্ৰয়াস কৰিছো। আধা সংখ্যক কাম আৰম্ভ হৈ গৈছে, আধা সংখ্যকৰ কাম সোনকালে হ'ব। ডিব্ৰুগড়ৰ কেঞ্চাৰ হস্পিতালখন মাৰ্চ ২০ ৰ ভিতৰত আৰম্ভ হ'ব। বাকীখিনি পিছৰ বছৰৰ ভিতৰত আমি আৰম্ভ কৰিম। কেন্দ্ৰীয় চৰকাৰৰ এখন বিশেষ আঁচনি আছে, সেইখন হৈছে আয়ুস্মান ভাৰত আঁচনি। সেই আয়ুস্মান ভাৰত আঁচনিখনৰ যোগেদি বি পি এল সকলে বিনামুলীয়া ট্ৰিটমেণ্ট পায়, যিকোনো

ট্ৰিটমেণ্ট। তাৰ ফলত যথেষ্ট সংখ্যক কেঞ্চাৰ ৰোগীয়ে হওঁক বা অন্যান্য ৰোগীয়ে হওঁক সকাহ পোৱা বুলি মই অনুভৱ কৰো। আজিৰ পৰা প্ৰায় এবছৰ আগতে গুৱাহাটী মেডিকেল কলেজৰ যিখন Cancer Institute আছে তাৰ Principal আৰু তাৰ Superintendent তেখেতলোকে মোক এদিন জনাইছিল যে অটল অমৃত অভিযান আৰম্ভ হোৱাৰ পাছত ৰোগীৰ সংখ্যা বাঢ়িছে। আমাৰ চৰকাৰী কেঞ্চাৰ হস্পিতাল ৰোগীৰ সংখ্যা বাঢ়িছে। তেখেতলোকে মোক জনাইছিল যে, বহুত এনেকুৱা ৰোগী আগতে আছিল detect নহয় বা ট্ৰিটমেণ্ট নোহোৱাকে মৃত্যুমুখত পৰিছিল। কিন্তু আমাৰ চৰকাৰৰ এটা উল্লেখনীয় সফলতা বা উল্লেখযোগ্য পদক্ষেপৰ কাৰণে আমি এতিয়ালৈকে যোৱা তিনি বছৰত ৩৭ হাজাৰ সাতশ ২৫ জন ৰোগীক দুই লাখ টকালৈকে বিনামুলীয়া ট্ৰিটমেণ্ট কৰি দিবলৈকে সক্ষম হৈছো। আকৌ কৈছো যিটো মুঠ অটল অমৃত যোজনাৰ হিতাধিকাৰীৰ ৪৭ শতাংশ। মই শ্ৰীপবিন্দ্ৰ ডেকা ডাঙৰীয়াক এই গুৰুত্বপূৰ্ণ সমস্যাৰ কথা উত্থাপন কৰাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো তাৰ লগে লগে আৰু দুটামান কথা কও যে, কেঞ্চাৰ প্ৰতিৰোধৰ কাৰণে আমি সংবাদ মাধ্যমৰ যোগেদি বিভিন্ন সময়ত বিজ্ঞাপনো প্ৰচাৰ কৰি আছো। ধপাত জাতীয় খাদ্য, দুষিত পৰিবেশ, মদ, নিচাযুক্ত খাদ্য খালে কেঞ্চাৰ হয় বুলি আমি জানো। গতিকে এই সমূহ যাতে গ্ৰহণ কৰা নহয়, তাৰ কাৰণে আমি সময়ে সময়ে বিজ্ঞাপন যোগে ৰাইজক আহ্বান জনাইছো। মই আজি সদনক জনাবলৈ পাই সুখী হ'ম যে, আমি ইতিমধ্যে এইখিনি কাম কৰিছো আৰু যদি পৰৱৰ্ত্তী সময়ত আমি যিখিনি কৰিব লাগে কেঞ্চাৰ ৰোগৰ নিৰাময়ৰ কাৰণে, কেঞ্চাৰ ৰোগী সকলক সহায় কৰিবৰ কাৰণে আমি কৰিবলৈ বদ্ধ পৰিকৰ আৰু কৰিবলৈ চেষ্টা কৰিম। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ কাৰ্য্যসূচী নং - ২**

**কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন**

**০২-০৩-২০২০**

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অধ্যক্ষৰ কাৰ্য্যালয় সভাকক্ষত যোৱা ইং ২৪ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে আবেলি ৪ বজাত অনুষ্ঠিত হয় আৰু এই বৈঠকতে যোৱা ইং ১২ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে প্ৰস্তুত কৰা দিনপঞ্জীখনৰ কিছু সংশোধন কৰি চুড়ান্ত কৰে।

সেই অনুসৰি ইং ২ মাৰ্চ ২০২০ তাৰিখৰ পৰা ইং ৩০ মাৰ্চ, ২০২০ তাৰিখ পৰ্য্যন্ত বিধান সভাৰ অধিবেশন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

ইং ৬ মাৰ্চ, ২০২০ তাৰিখ শুক্ৰবাৰে আবেলি ৩ বজাত ২০২০-২১ বিত্তীয় বৰ্ষৰ বাজেট উপস্থাপন কৰা হ'ব। ইং ৭, ১০, ১১ মাৰ্চ ২০২০ তাৰিখে বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ অন্তত বিত্ত মন্ত্ৰীয়ে উত্তৰ দিব।

ইং ১২ মাৰ্চ ২০২০ তাৰিখৰ পৰা ইং ২৩ মাৰ্চ ২০২০ তাৰিখলৈ বিভাগীয় ভাৱে সম্পৰ্কীত স্থায়ী সমিতি সমূহৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে সদনৰ কাৰ্য্যসূচী ১২ দিন স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। ইং ২৪মাৰ্চ ২০২০ তাৰিখে বিভাগীয় ভাৱে সম্পৰ্কীত স্থায়ী সমিতিৰ প্ৰতিবেদন দাখিল কৰাৰ অন্তত দাবী মঞ্জুৰী সমূহৰ ( কৰ্ত্তন প্ৰস্তাৱ) আলোচনা হ'ব আৰু ইং ২৬ মাৰ্চ, ২০২০ তাৰিখে

দাবী মঞ্জুৰীৰ ওপৰত ভোটদান হোৱাৰ উপৰিও বিনিয়োজন বিধেয়ক, ২০২০ খন উত্থাপন কৰাৰ লগতে পাৰিত কৰা হ'ব। ইং ২৮ মাৰ্চ ২০২০ তাৰিখে 'অধ্যক্ষৰ উদ্যোগ' শিতানত আলোচনা

হ'ব।

কাৰ্য্য উপদেষ্টা সমিতিয়ে শুক্রবাৰৰ সদনত কাৰ্য্যসূচী পূৰ্বে নিৰ্দিষ্ট কৰা সময়ৰ পৰিৱৰ্তন ঘটাই সেই দিনৰ কাৰ্য্যসূচী পুৱা ৯ বজাৰ পৰা ১১-৩০ বজালৈ সীমিত কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে আৰু এইক্ষেত্ৰত মাননীয় অধ্যক্ষক বিধিগত ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়।

ইতিমধ্যে চলিত বাজেট অধিবেশনৰ দিন পঞ্জীখন সদনৰ মাননীয় সকলো সদস্য-সদস্যাৰ মাজত বিতৰন কৰা হৈছে। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

ঘোষনা - কাৰ্য্যসূচী নং- ৩। ২ মাৰ্চ ২০২০। অসম বিধান সভাৰ ˉ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ নিয়ম ৯/ ১ ইয়াৰ অধীনত চতুৰ্দ্দশ অসম বিধান সভাৰ দ্বাদশ অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্নলিখিত মাননীয় সদস্য কেইগৰাকী সভাপতি হিচাপে মনোনীত কৰা হৈছে।

১) ড০ মতিউৰ ৰহমান মণ্ডল।
২) শ্ৰী বিনন্দ কুমাৰ শইকীয়া
৩) শ্ৰীমতী ৰেণুপমা ৰাজখোৱা
৪) শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**কাৰ্য্যসূচী নং ৪।** এতিয়া মাননীয় পবিন্দ্ৰ ডেকা ।

**শ্ৰী পবিন্দ্ৰ ডেকা, সদস্য** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ অধীনত ৫৪ নং ৰুলৰ অধীনত মই এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। বিষয়টো হ'ল প্ৰতিদিন কাকতত যোৱা ১৪ ফেব্ৰুৱাৰী তাৰিখে এটা বাতৰি প্ৰকাশ পাইছিল, অসমৰ ৭ কিঃ মিঃ অঞ্চল সামৰি অৰুণাচলৰ নতুন জিলা গঠন। অসম আৰু অৰুণাচল প্ৰদেশৰ যি সীমাবিবাদ দীৰ্ঘদিন ধৰি চলি আছে, আকৌ সেই বিবাদ, আকৌ তাত গোল-মাল আৰু তাত মৰা-কটা আৰম্ভ হৈছে। কেৱল তাতে যে হৈছে তেনে নহয়, মেঘালয়, নাগালেণ্ড সেই একে ঘটনা সাম্প্ৰতিক কালত সংঘটিত হৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক ৰাজ্যত বৰ্তমান সীমা বিবাদ চলি আছে, এই সীমা বিবাদ আজিৰ নহয়। ১৯৬২ চনত যেতিয়া প্ৰথম নগা পাহাৰ নাগালেণ্ড হৈছিল, তেতিয়া ১৯৬৯ চনত প্ৰথম অসম আৰু নগালেণ্ডৰ সীমাত এক বিবাদ ঘটিছিল, আৰু মেৰা পানীত কেইবাজনো লোকৰ সংঘৰ্ষত মৃত্যু হৈছিল, সেয়াই আৰম্ভণি। ১৯৬৯ চনত যি আৰম্ভ হ'ল অসম আৰু নগালেণ্ডৰ মাজত তাৰ পিছত ১৯৭১ চনত North East Reorganization Act মতে যেতিয়া আকৌ মেঘালয় হ'ল ১৯৭৩ চনত, মিজোৰাম হ'ল ১৯৮৭ চনত, অৰুণাচল হ'ল ১৯৮৮ চনত তেতিয়া লাহে লাহে নগালেণ্ডৰ সীমান্তত ঘটা সেই ঘটনাবিলাক এই বিলাক ৰাজ্যলৈকো গ'ল। গতিকে এই সীমাবিবাদ ১৯৬৯ চনৰ পৰা আৰম্ভ হৈ আজিলৈকে ৰাজ্যখনত মাজে মাজে ই এনেধৰণৰ এক পৰিস্থিতি সৃষ্টি কৰে। আপোনালোক বহুতৰে মনত আছে যে ১৯৭২ চনত মেৰাপানী, ৰেংমা অঞ্চল ,গেলেকী এইবোৰ ঠাইত কি সংঘৰ্ষ ঘটিছিল, সীমান্ত সম্পৰ্কে। সেই কথা বহুতৰে সেই সময়ত যি সকল আছিল, তেওঁলোকৰ হয়তো মনত আছে। এইবিলাক বৃটিছ সকলে আমাৰ অসমৰ লগত অৰ্ন্তভুক্ত কৰিছিল ১৯ শতিকাৰ মধ্য ভাগত। কিন্তু নগালেণ্ডে তেতিয়াৰে পৰা ইয়াৰ বিৰুদ্ধে বিদ্ৰোহ কৰি আছে। তেওঁলোকৰ কথাটো অলপ বেলেগ। বাকীবিলাক ৰাজ্য আমাৰ সম্পুৰ্ণ জিলা আছিল, তাৰ পৰা আমাৰ মন্ত্ৰী আছিল, অসম বিধান সভাত যেতিয়া ১৯৩৭ চনৰ ৭ এপ্ৰিল তাৰিখে আৰম্ভ হৈছিল তেতিয়াও তেওঁলোক আমাৰ সদস্য আছিল। আমি সাতভনী, আমি প্ৰায়ে ৰাজনৈতিক ভিত্তিত, ছাত্ৰ বিলাকে ছাত্ৰ ভিত্তিত,

কৰ্মচাৰী বিলাকে কৰ্মচাৰীৰ ভিত্তিত বিভিন্ন ধৰনৰ একতা সৃষ্টি কৰাৰ বাবে, বিভিন্ন সংগঠনে একেলগে আন্দোলন কৰিছে। অসম আন্দোলনত মই নিজে উত্তৰপূবৰ ১২টা আঞ্চলিক দলৰ লগ হৈ আমি আন্দোলন কৰিছিলো। অসম আন্দোলনত তেওঁলোকে সমৰ্থন কৰিছিল। তাৰ পিচতো তেওঁলোকে আৰু বিভিন্ন ধৰণৰ আন্দোলনত আমাক সমৰ্থন কৰিছিল, আমিও তেওঁলোকক সমৰ্থন কৰো। কিন্তু দূৰ্ভাগ্যবশত যেতিয়াই আমাৰ এই সংঘৰ্ষ আৰম্ভ হয়, তেতিয়াই তাত মৰাকটা লাগি যায়। এই সমস্যাটোৰ সমাধান আজিলৈকে আমি কৰিব পৰা নাই। ১৯৬৯ চনত নাগালেণ্ড, মেৰাপানী, ৰেংমা এই অঞ্চলত যেতিয়া ঘটনা ঘটিছিল তেতিয়া অসম চৰকাৰৰ আৰ্জি মতে ভাৰত চৰকাৰে এখন কমিটি গঠন কৰি দিছিল। সুন্দৰম কমিটি বুলি কয়। কে ভি কে সুন্দৰম নামৰ এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশক লৈ এখন কমিটি গঠন কৰি দিছিল। এই কমিটিয়ে গোটেই বিষয়টো অধ্যয়ন কৰি ১৯৭২ চনত প্ৰতিবেদন দাখিল কৰিছিলআৰু দুৰ্ভাগ্যবশত সেই প্ৰতিবেদন নগালেণ্ডে অগ্ৰাহ্য কৰিলে। নগালেণ্ডক সেই সময়ত কেন্দ্ৰীয় চৰকাৰে সৈমান কৰিব নোৱাৰিলে। নোৱাৰাৰ ফলত প্ৰথমতে নগালেণ্ড আৰু অসমৰ সীমান্তত সদায় এনেকৈ সংঘৰ্ষ হৈ থাকিল। এতিয়া শেহতীয়াকৈ আহিছে অৰুণাচল, অৰুণাচলে ১৬ শ শতিকালৈকে অৰুণাচলনো কি আছিল, অসম বুৰঞ্জীত বা ভাৰত বুৰঞ্জীত কোনো তথ্য নাই। কেৱল বৃটিছসকলে ১৯৭১ চনত যেতিয়া প্ৰথম চেক্টৰ গঠন কৰে, North Eastern Sector,সেই চেক্টৰত অন্তভূক্ত কৰি তেওঁলোকে যেতিয়া আমাৰ লগত একেলগে বেংগলৰ পৰা শাষিত হৈছিল। তাৰ পাছত লাহে লাহে কেন্দ্ৰীয় শাসিত অঞ্চল, তাৰ পাছত ১৯৮৭ চনত এখন ৰাজ্য হিচাপে পৰিগণিত হ'ল। ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ পাছত তেওঁলোকৰ মাটি আমাতকৈ বেছি হ'ল। আমাৰ ৭৮ হাজাৰ বৰ্গ কিঃমিঃ তেওঁলোকৰ ৮৩ হাজাৰ বৰ্গ কিঃমিঃ। ৫০০০ বৰ্গ কিঃমিঃ ভূমি তেওঁলোকৰ বেছি স্বত্তেও, তেওঁলোকে আমাৰ বিশেষকৈ বান্দৰদোৱা, লক্ষিমপুৰ আদি বিভিন্ন ঠাইত তেওঁলোকে এতিয়া লাহে লাহে মাটি আগ্ৰাসন কৰিছে। শেহতীয়াকৈ এই ঘটনাটো ঘটিছে আৰু ৭ কিঃমিঃ এলেকা তেওঁলোকে সামৰি অৰুণাচলত নতুন জিলা গঠন কৰিছে। এতিয়া কথাটো হৈছে, আমি তেওঁলোকক ভাই বুলি কওঁ, কিন্তু তেওঁলোকে ত্ৰই সুযোগবিলাক লৈ এইবিলাক কৰিছে, আৰু আমাৰ দুৰ্ভাগ্য এইটোৱেই যে অসম চৰকাৰ আন্তঃৰাজ্যিক সীমা সম্পৰ্কে মীমাংসা কৰি দিয়া অসম চৰকাৰৰ এক্টিয়াৰ নাই। এইটো সম্পূৰ্ণ ভাৰত চৰকাৰৰ এক্টিয়াৰ, যেনে সুন্দৰম আয়োগ গঠন কৰিছিল। মাজে মাজে যিখন জিলাত ঘটনা ঘটে তাত উপায়ুক্ত পৰ্য্যায়ৰ আলোচনা একোটা হয়। কিন্তু তাৰ পাছত উপায়ুক্তই আলোচনা কৰি কিনো হ'ল, এই বিষয়ে অসমৰ মানুহে আৰু নাজানে আৰু যেতিয়াই গোলমাল লাগে যেনে মেঘালয়ত গোলমাল, লাংটিত গোলমাল, বকোৰ ওচৰত গোলমাল লাগিছে তেনেকৈ নাগালেণ্ডত আকৌ গোলমাল লাগিছে, আকৌ থেলাহেচা হৈছে এতিয়া আকৌ হয়তো উপায়ুক্ত পৰ্য্যায়ত এটা আলোচনা হ'ব। কিন্তু সেই আলোচনাটো আমাৰ কাৰণে ফলপ্ৰসু নহয়। সেই কাৰণে মই অসম চৰকাৰক এটা অনুৰোধ কৰো, যে once for all এই সমস্যাটো যদি সমাধান হয়, সৰ্বতিকালৰ কাৰণে আমি ভাৰত চৰকাৰক অনুৰোধ কৰিব লাগে যে আপোনালোকে এখন কমিটি গঠন কৰি দিয়ক, সুন্দৰম কমিটি যেনেকৈ গঠন কৰিছিল,১৯৭১ চনত, ঠিক তেনেকৈ আমাক এখন কমিটি গঠন কৰি দি সমস্যাটো আপোনালোকে সমাধান কৰি দিয়ক। ১৯৭১ চনত সুন্দৰম কমিটি যেনেকৈ গঠন কৰিছিল, ঠিক তেনেকৈ এখন কমিটি গঠন কৰি এই সমস্যাটো আপোনালোকে সমাধান কৰি দিয়ক। নহ'লে এই সমস্যাটো থাকিয়েই যাব আৰু আমাৰ মাজত যি ভাতৃত্ববোধ চলি আছে এই ভাতৃত্ববোধ লাহে লাহে নাইকিয়া হৈ যাব। এতিয়া আমাৰ তেওঁলোকৰ লগত খুবেই ভাল সম্পৰ্ক।

কিন্তু লগে লগে বকো, অৰুণাচল, নাগালেণ্ডত আকৌ সংঘৰ্ষ আৰম্ভ হৈছে। “A spark neglected burns the house” - এই কথাটো আমি সকলোৱে জানো যে ফিৰিঙতিৰ পৰাই খাণ্ডৱ দাহ হয়। গতিকে লাহে লাহে ফিৰিঙতিৰ পৰাই খাণ্ডৱ দাহ হোৱাৰ উপক্ৰম হৈছে। সেয়ে মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী বা সীমান্ত অঞ্চলৰ উন্নয়ন বিভাগৰ মন্ত্ৰীক অনুৰোধ জনাম যে, ভাৰত চৰকাৰক অনুৰোধ জনাব লাগে যে আকৌ ১৯৭১ চনত যেনেকৈ সুন্দৰম কমিটি গঠন কৰি এই সমস্যাটোৰ এটা সমাধান বিচাৰিছিল ঠিক তেনেদৰে গোটেই কেইখন ৰাজ্যৰ ভিত্তিত হয় এজন এজন বিচাৰক দি নতুবা এখন কমিটি গঠন কৰি এই উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তৰাজ্যিক যি সীমা সমস্যা, এই সমস্যা সমাধানৰ চেষ্টা কৰিব লাগে। ধন্যবাদ।

**শ্ৰী উৎপল দত্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আজি তৰাযুক্ত প্ৰশ্ন ১৫ নং ৰ উত্তৰত বিভাগীয় মন্ত্ৰীয়ে জনাইছে লখিমপুৰত প্ৰায় ৬০-৭০ জন মানুহে প্ৰশাসনকো কোনো কাম কৰিবলৈ দিয়া নাই। এই ঘটনাটো হৈ যোৱাৰ পিছত মই ৰাজহ মন্ত্ৰীকো এপাক আহিবলৈ কৈছিলো। এতিয়ালৈকে ৰাজ্য চৰকাৰৰ পৰা কোনো এজন মন্ত্ৰী বা চৰকাৰী বিষয়া যোৱা নাই। এই ঘটনাটো হৈ আছে আৰু ওচৰ চুবুৰীয়া বহুতো মানুহে ঘৰ এৰি যাব লগীয়া হৈছে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিদৰে কৈছে যে এই পৰিস্থিতি লাহে লাহে বেয়াৰ ফালে গতি কৰি আছে। সেয়ে ৰাজ্য চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰক হেচাঁ প্ৰয়োগ কৰি হ'লেও এখন কমিটি বনাই যাতে এই সমস্যাটো সমাধান কৰাৰ কাৰণে এটা বাস্তৱ ব্যৱস্থা ল'বলৈ মই অনুৰোধ জনালো। লগতে ফৰেষ্ট বিভাগৰ বহুতো মাটি তেওঁলোকে দখল কৰিছে আৰু গছ-গছনি কাটি আছে। বন বিভাগৰ মানুহে গৈ ঘৰ ভাঙি দিলেও কেইদিন মান পিছত তেওঁলোকে আকৌ নতুনকৈ ঘৰ বনাই আগ্ৰাসন কৰি আছে। এই ক্ষেত্ৰত মই বাস্তৱ ব্যৱস্থা এটা ল'বলৈ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত “অসমীয়া প্ৰতিদিন কাকত” ত ১৪ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে প্ৰকাশিত “অসমৰ ৭ কিলোমিটাৰ এলেকা সামৰি অৰুণাচলৰ নতুন জিলা গঠন” সম্পৰ্কত মাননীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো বিষয় ইয়াত উত্থাপন কৰিছে সেইটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। উপাধ্যক্ষ মহোদয়, অসমৰ ৭ কিলোমিটাৰ এলেকা সামৰি অৰুণাচলৰ নতুন জিলা গঠনৰ বিষয়টো চৰকাৰ অৱগত নহয়। অসম আৰু সেই সময়ৰ অৰুণাচল প্ৰদেশ কেন্দ্ৰীয়শাসিত ৰাজ্যৰ সীমা নিৰ্ধাৰণৰ বাবে Survey of India ই ১৯৭১ চনৰ পৰা ১৯৭৪ চনৰ ভিতৰত জৰীপ কৰি সীমাৰ খুঁটি (Boundary pillar) স্থাপন কৰে। এই জৰীপৰ সময়ত Survey of India ৰ লগত অসম আৰু অৰুণাচল প্ৰদেশ দুয়োখন চৰকাৰৰ প্ৰতিনিধিয়ে সহযোগ কৰে। এই জৰীপৰ সময়ত Survey of India ই দিয়া তথ্য মতে তলত দিয়া পৰিমাণৰ আন্তঃৰাজ্যিক সীমা জৰীপ কৰে আৰু খুটাঁ স্থাপন কৰে।

| জৰীপৰ সময় | জৰীপ কৰা অংশ | জৰীপ কৰা সীমাৰ বৈখিক দৈৰ্ঘ্য |
|---|---|---|
| ১৯৭১-৭১ | অসমৰ ধনশিৰি নদী-পাচঁনৈ- | |
| | ভৰলিৰ পৰা বৰগাং নদীলৈ | ২৭১বৈখিক কিলোমিটাৰ |
| ১৯৭২-৭৩ | বুৰৈ নদীৰ পৰা-মৰ নদীলৈ | |

| | | |
|---|---|---|
| ১৯৭৩-৭৪ | মৰ নদীৰ পৰা সোৱনশিৰি নদীলৈ আৰু টিয়ক নদীৰ পৰা টিৰাপ নদীলৈ | ১২৫ৰৈখিক কিলোমিটাৰ |
| | মুঠ - | ৩৯৬ ৰৈখিক কিলোমিটাৰ |

(Linear Kilometre)

সেই সময়তে অৰুণাচলৰ স্থানীয় লোকৰ আপত্তিৰ বাবে কিছু ঠাইৰ জৰীপৰ কাম বন্ধ থাকে। বন্ধ হোৱা জৰীপৰ কাম আগবঢ়াবলৈ আৰু অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা নিৰ্ধাৰণৰ বাবে সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰে High Powered Tripartite Committee এখন গঠন কৰি দিয়ে। এই Committee ত Survey of India ক কেন্দ্ৰীয় চৰকাৰক প্ৰতিনিধিত্ব কৰিবলৈ আৰু কমিটিৰ আহ্বায়ক (Convenor) পাতি দি অসম চৰকাৰ আৰু সেই সময়ৰ অৰুণাচল প্ৰদেশৰ এজনকৈ সভ্য লৈ তিনিজনীয়া কমিটি গঠন কৰে। এই কমিটিয়ে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা সংক্ৰান্তীয় সকলো নথিপত্ৰ আৰু ন-পুৰণি মেপ বোৰৰ সহায় লৈ Survey of India ৰ 1.50,000 স্কেলৰ মেপত সীমাৰেখা নিৰ্ধাৰণ কৰি তিনিওজন সদস্যই নিজ নিজ কাৰ্য্যালয়ৰ মোহৰ সৈতে ২৯-১০-১৯৮০ তাৰিখে স্বাক্ষৰ কৰে। এই স্বাক্ষৰিত মেপৰ ওপৰত ভিত্তি কৰি পুনৰ ১৯৮৩-৮৪ চনত, সেই সময়ৰ অসমৰ ডিব্ৰুগড় জিলা আৰু অৰুণাচল প্ৰদেশৰ লোহিত জিলাৰ মাজত মুঠ ৯৩ ৰৈখিক কিলোমিটাৰ সীমা জৰীপ কৰে। ওপৰত উল্লেখ কৰা ১৯৭১-৭৪ আৰু ১৯৮৩-৮৪ চনলৈ মুঠ ৪৮৯ ৰৈখিক কিলোমিটাৰ সীমা জৰীপ কৰা হয়।

কিন্তু পুনৰ অৰুণাচলী লোকৰ বাধাৰ বাবে বাকী থকা সীমা জৰীপ কৰিব পৰা নগ'ল।

অৰুণাচল প্ৰদেশৰ ভিতৰত নতুন জিলা গঠন কৰা সংক্ৰান্তত এই চৰকাৰৰ হাতত কোনো ধৰণৰ তথ্য নাই। যদিহে অৰুণাচল প্ৰদেশে নতুন জিলা গঠন কৰি অসমৰ মাটি অৰুণাচলৰ অৰ্ন্তভুক্ত কৰিছে, তেন্তে এইয়া বে-আইনী হৈছে আৰু অৰুণাচলৰ পৰা নতুন জিলাৰ মানচিত্ৰ পালেহে অসমৰ মাটি অৰুণাচলৰ অৰ্ন্তগত হৈছে নে নাই সবিশেষ ক'ব পৰা যাব।

উপাধ্যক্ষ ডাঙৰীয়া, এই সম্পৰ্কত আচঁলতে এটা কেচ চুপ্ৰীম কোৰ্টত বৰ্তমান চলি আছে। অসম চৰকাৰে লখিমপুৰৰ ডি চিৰ পৰা সাম্প্ৰতিক ঘটনাৱলীৰ তথ্য লৈছে আৰু তেওঁ কৈছে যে তেওঁৰ হাতত বৰ্তমান জিলা গঠনৰ কোনো তথ্য নাই। যদি আমি জিলা গঠন কৰাৰ তথ্য পাওঁ তেনেহ'লে অৰুণাচল চৰকাৰৰ লগত আমি কথাখিনি আলোচনা কৰিব পাৰিম। অসম-অৰুণাচল সীমান্তৰ পাঁচখন ঠাইত অলপ বিতৰ্ক আছে। তাৰে ভিতৰত লিকাবলি, সোৱনশিৰিৰ নামনি অংশৰ যিটো এলেকা সেইটো আগৰে পৰা অলপ সংবেদনশীল হৈ আছে। গতিকে এই সম্পৰ্কত যিহেতু চুপ্ৰীম কোৰ্টত এটা কেচ চলি আছে।

এই বিষয়টো আমি আমাৰ গৃহ বিভাগৰ বিষয়াসকলৰ লগত ভালকৈ আলোচনা কৰিছিলো। ডেকা ডাঙৰীয়া বা দত্ত ডাঙৰীয়াই যিটো কথা কৈছে সেইখিনি আমাৰ ফালৰ পৰা চুপ্ৰিম কোটত দাখিল কৰা হ'ব। আমিও আমাৰ যিখিনি আন্তৰাজ্যিক সীমা মেঘালয়,অৰুণাচল বা নগালেণ্ডৰ লগতেই হওঁক সোনকালে নিস্পত্তি হোৱাটো বিচাৰো। এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয় গতিকে আপোনালোকে যিখিনি কথাত উদিগ্ন চৰকাৰো সেইখিনি কথাত উদিগ্ন। গতিকে এই সীমাৰ বিষয়টো নিস্পত্তি কৰিবলৈ আমি চেষ্টা কৰিম। যিহেতু বিষয়টো চুপ্ৰিম কোৰ্টৰ বিষয়, আমাৰ হাতত তথ্য আছে- মেপ আছে। গতিকে আমাৰ মাটি কিমান আছে, অৰুনাচলত কিমান আছে গোটেইখিনি জোখ-মাখ কৰা আছে। মই মেপখন নিজে চাইছো গতিকে যিহওঁক এই কথাটো চৰকাৰে নিশ্চয়

ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে। এতিয়া পবিন্দ্ৰ ডেকা ।

**শ্ৰীপবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** উপাধ্যক্ষ মহোদয়, মই কৈছো যে অৰুনাচলৰ যিটো কথা কৈছে যে Supreme Court হৈ আছে সেইটো আমি জানো। সেইটো এটা particular Area, মই কৈছো as a whole. এতিয়া ত্ৰিপুৰাক বাদ দি বাকীবিলাকৰ লগত আমাৰ সীমা বিবাদ আছে। আন্তৰাজ্যিক সীমা বিবাদ আমিতো সমাধান কৰিব নোৱাৰো। আমি কেৱল Law & Order টো চাব পাৰো। এইটো ভাৰত চৰকাৰৰ দায়িত্ব ভাৰত চৰকাৰে আগতে commission গঠন কৰি চেষ্টা কৰিছিল। এতিয়াও আমাৰ চৰকাৰে অনুৰোধ নকৰিলে ভাৰত চৰকাৰে কেতিয়াও কমিশ্যন গঠন নকৰে। গতিকে আমাৰ চৰকাৰে ভাৰত চৰকাৰক অনুৰোধ কৰিব লাগে যে আমাৰ সীমা বিবাদটো নিস্পত্তি কৰি দিব লাগে। ৰাজ্য চৰকাৰে স্পষ্টভাবে কৈছে যে ২৪০৫ পইন্টত ২৫ হেক্টৰ মাটি অৰুনাচলে ৰাখিছে। এতিয়া সেইদিনাৰ ঘটনাত অৰুনাচলৰ মন্ত্ৰী আৰু উচ্চ পদস্ত বিষয়াসকল আহিছে। জিলা উপায়ুক্তৰ লগতো কথা পাতিছে। আমাৰ ফালৰ পৰা আমাৰ মন্ত্ৰী এজন বা উচ্চ পদস্ত বিষয়া এজন তাত যাব লাগিছিল। তাত যিখিনি খিলঞ্জীয়া মানুহ আছে তেওলোকে ঘৰ বাৰী এৰি পলাই আহিছে। সেই কাৰণে তেওঁলোকক সাহস দিবলৈ ৰাজ্য চৰকাৰৰ মন্ত্ৰী বা উচ্চ পদস্থ এজন বিষয়া তালৈ যোৱা উচিত আছিল। এইখিনি মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিগোচৰ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে । এতিয়া মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** আমাৰ ডেকা ডাঙৰীয়াই যিটো কথা কৈছে যে, আমাৰ গোটেই কেইখন ৰাজ্যৰ লগত যি সীমা বিবাদ আছিল এইটো ভাৰত চৰকাৰক আমি অনুৰোধ কৰিম। এতিয়া আমাৰ ভাৰত চৰকাৰে ৩ জনীয়া কমিটি কৰি দিছে। Survey of India Convenor কৰি দিছিল। ৩ জনীয়া কমিটিত তেওঁলোকে স্বাক্ষৰ কৰি ১৯৮০ চনত এটা ৰিপোৰ্ট দিছিল। তাৰ পিছত বিষয়টো চুপ্ৰিম কোৰ্টলৈ গ'ল। কোৰ্টলৈ যোৱাৰ পিছত তাতে বিচৰাধীন হৈ থাকিল। গতিকে নিস্পত্তি নোহোৱাৰ বাবে ভাৰত চৰকাৰৰ হাত দিব পাৰে। আমি ভাবিছো যে কেছটো সোনকালে নিস্পত্তি হওঁক। ২ নং কথাটো হ'ল উৎপল দত্ত ডাঙৰীয়াই কথা এটা কৈছে যে ২৪০৫.২৫ হেক্টৰ মাটি দখল কৰা আছে। এই মাটিখিনি আজি দখল কৰা নহয়। তেতিয়া North Eastern Frontier Agency (NEFA) আছিল। এনেধৰণৰ আৰু কেইবাটাও এজেন্সি আছিল। তাৰ পিছত চেন্ট্ৰেলৰ অধীনলৈ আহিল। তাৰ পিছত কেন্দ্ৰীয় শাসিত অঞ্চল হ'ল। পিছত আকৌ প্ৰদেশ হ'ল। গতিকে সেই সময়ত ১৯৬৩-১৯৬৪-১৯৬৫-১৯৬৬ তেই এই মাটিখিনি দখল কৰিছিল। সেই কাৰণে তাত Air Force ত এটা Bombing Station আছে। অৰুণাচলে বম্বিং ষ্টেশ্যনৰ মাটিখিনি জৰীপ কৰাৰ বাবে ইচ্ছা কৰা নাই। সেই কাৰণে আপোনালোকৰ উদ্বেগটো আমি চেন্ট্ৰেল গৰ্ভমেন্টৰ লগত গ্ৰহণ কৰিম। Politically ও কৰিম- লগতে Administratively ও কৰিম। আমি ভাৰত চৰকাৰৰ লগত আলোচনা কৰি এখন কমিশ্যন গঠন কৰি আমাৰ গোটেই কেইখন ৰাজ্যৰ লগত যি সীমা বিবাদ আছে সেইটো নিস্পত্তি কৰাৰ বাবে অনুৰোধ কৰিম। নাগালেণ্ডৰ লগত সদায় গোলাঘাট , শিৱসাগৰ নাজিৰা আদি অঞ্চলৰ নগাসকলৰ লগত বিবাদ হৈ থাকে। ঠিক তেনেকৈ অৰুণাচলত লক্ষীমপুৰ লগত গণ্ডগোল হৈ থাকে। মেঘালয়ৰ লগত হৈ থাকে। গতিকে আমি ভাৰত চৰকাৰক আমি অনুৰোধ কৰিম যে এই বিবাদটো সৰ্বকালৰ বাবে নিস্পত্তি কৰি দিয়ক। এইটো এটা long standing

issue. ভাৰত- বাংলাদেশ বৰ্ডাৰটো অলপ মাটিৰ কাৰণে চীল হোৱা নাছিল। কিন্তু যি মুহূৰ্তত সিদ্ধান্ত হ'ল যে এইখিনি আমাৰ মাটি, সেইখিনি তেওঁলোকৰ মাটি তেতিয়াই লগে লগে বৰ্ডাৰটো হৈ গ'ল। আমাৰ কথাটো হ'ল - Give And take Policy যে হওঁক বা বুজা বুজিৰ মাজেৰে হওঁক এইটো নিস্পত্তি হোৱাটো বিচাৰো। এই গোটেইখিনি কথা আমি ভাৰত চৰকাৰলৈ অৱগত কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** কাৰ্য্যসূচী নং ৫ । শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নিয়মৰ অধীনত আজি অসমৰ গোধনৰ ওপৰত আলোচনা কৰাটো একান্তই জৰুৰী বুলি অনুভৱ কৰো। কিয়নো অতি পৰিকল্পিতভাৱে অসমৰ গোধনসমূহ চোৰ কৰাৰ বাবে দুষ্ট চক্ৰ সক্ৰিয় হৈ আছে। আজি বহু বছৰৰ পৰা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় বহু কঠোৰভাৱে প্ৰতিখন থানাত এলাৰ্ট কৰি দিছে। আজি সেই কাৰণে হয়তো যোৱা এক বছৰৰ মানৰ পৰা আমি পেপাৰখন খুলিলে দেখা পাওঁ যে অমুক থানাৰ অন্তৰ্গত ট্ৰাক ভৰ্ত্তি চোৰাং গৰু জব্দ কৰিছে, ম'হ জব্দ কৰিছে। চোৰাং ব্যৱসায়ীসকলক ধৰা হৈছে। আগতো চলি আছিল। আগৰ চৰকাৰৰ দিনতো চলি আছিল তেতিয়া কিন্তু আমি পেপাৰবিলাকত এইবিলাক খবৰ পোৱা নাছিলো। এতিয়াহে গৰুৰ চোৰাং ব্যৱসায়ীসকলক ধৰি আছে। আগতেও বহু গোধন চোৰাংভাৱে বাংলাদেশলৈ চালান হৈ আছিল। এইবোৰ পৰিকল্পিতভাৱে কৰি থকা হৈছে নেকি ? কাৰণ আমাৰ গোধনৰ পৰা বাংলাদেশ অৰ্থনৈতিকভাৱে লাভবান হৈছে। আমাৰ অসমখন যিহেতু এখন কৃষি প্ৰধান ৰাজ্য। গ্ৰাম্য অৰ্থনীতিত গো ধনেই আমাৰ সম্পদ। গৰু নাথাকিলে সকলো খেতি পথাৰ বিক্ৰী কৰি দিব লাগিব। গৰু নাথাকিলে আমাৰ জাতীয় উৎসৱ পালন কৰিব নোৱাৰিব। গতিকে দল - সংগঠনবিলাকক এই বিষয়ে চিন্তা কৰিবলৈ অনুৰোধ কৰা হ'ল। গো সম্পদটো এটা পৰিকল্পিতভাৱে চোৰ কৰা বুলি অনুভৱ কৰিছো। কাৰণ চাওক ইংৰাজৰ দিনতো যেতিয়া তেওঁলোকৰ আমদানিকৃত বস্তুবিলাক আমাৰ ভাৰতত চাহিদা নাছিল তেতিয়া তেওঁলোকে অনুসন্ধান কৰিলে আৰু দেখিলে যে ভাৰতৰ মানুহবিলাক বৰ সুখী। কাৰণ তেওঁলোকে পথাৰত গৰুৰে খেতি কৰিছে আৰু গৰুৰ গাখীৰৰ ৰমৰমীয়া ব্যৱসায় চলাই আছে। তেতিয়া ইংৰাজে Cow House বিলাক বনালে। কেৱল সেয়াই নহয় বেলেগ বেলেগ মানুহ লগ লগাই গোধন বিলাক ধ্বংস কৰিবলৈ ধৰিলে। এইটো এটা ভাৰতৰ অৰ্থনীতি ধ্বংস কৰাৰ এটা পৰিকল্পনা। গৰুৰ গাখীৰৰ ৰমৰমীয়া ব্যৱসায়, গতিকে ইংৰাজে কৰিলে কি অলপ গৰুৰ ঘৰ বোৰ খুলি দিলে কেৱল সেয়াই খোলাই নহয়, অকমান বেলেগ বেলেগ মানুহ লগলগাই গো ধ্বংস, গো নাশ যজ্ঞ আৰম্ভ কৰিছিল। গতিকে এইটো এটা প্ৰচেষ্টা, অৰ্থনীতি ধ্বংস কৰাৰ। মই আপোনালোকক জনাব পাই সুখী হৈছো যে গৰু এনেকুৱা সম্পদ অকল কৃষকেই যে উপকৃত হ'ব সেইটো নহয়। গোমুত্ৰৰে এনেকুৱা কিছুমান বেমাৰৰ দৰৱ উলিয়াইছে, কেন্সাৰ প্ৰতিশোধকৰো দৰৱৰ আবিষ্কাৰ হৈছে। গুজৰাটৰ এখন আয়ুৰ্বেদিক হস্পিটালত কেন্সাৰ ৰোগী সকলক গৰুৰ লগতে থাকিব দিয়ে, গৰুৰ গোবৰৰ লেপ দিয়ে আৰু গোমুত্ৰৰে পঞ্চমৃত বনাই। ঘি, মৌ, গাখীৰ আৰু গোমুত্ৰৰে পঞ্চমৃত বনাই খাবলৈ দিয়ে। গতিকে ৰোগী ভাল হোৱা বুলি আমি নিজেই প্ৰমাণ পাইছো। গতিকে আমাৰ আগৰ ঋষিমুনী বিলাকেও গৰুৰ গোবৰেৰে যজ্ঞ কৰিছিল। গৰুৰ গোবৰৰ লগত আয়ুৰ্বেদিক দ্ৰব্য মিলাই এনেকুৱা ধৰণৰ যজ্ঞত আহুতি দিছিল, সেই গোটেই পাঁচ-দহ কিলোমিটাৰ অঞ্চললৈ সেই ধোৱাটোৱে পবিত্ৰ কৰি দিয়ে। মই ভাৱো ক'ৰনা ভাইৰাচটো এনেকুৱা ধৰণৰ আমি যদি প্ৰয়োগ কৰো নিশ্চয় উপকৃত হ'ব। দ্বিতীয়তে, আমাৰ কেইটামান চিন্তাজনক বিষয় হৈছে যে

বোকাঘাট, কলিয়াবৰ, নগাওঁ, হোজাই আৰু দবকা এই থানা বিলাকত মই অক্টোবৰ আৰু নবেম্বৰ মাহৰ পেপাৰ বোৰ চাইছো, চাই দেখা পাইছো এই থানাবিলাকে গৰুবোৰ জব্দ কৰি আছে। কিন্তু সেই গৰুবোৰ যায় কোনটো ৰাস্তাৰে? বোকাঘাট, কলিয়াবৰ, নগাওঁ, হোজাই, ৰহা, দবকা হৈ এটা ৰাস্তা আমাৰ যোৰাবাটলৈ আহে। যোৰাবাটৰ পৰা তেওঁলোকে শ্বিলং মেঘালয় হৈ বাংলাদেশ যায়। অন্য এটা ৰাস্তা, অধ্যক্ষ মহোদয়, মই নিজেই গৈছো যে নেলী কাৰ্বিআংলঙলৈ যায় তাৰ পৰা মেঘালয়ত সোমায় আৰু তাৰ পৰা বাংলাদেশলৈ চালান হয়। আমাৰ থানা বোৰ যে সক্ৰিয় হৈ গৈছে তাৰ এটা প্ৰমাণ দিওঁ, যোৱা ২৯ ফেব্ৰুৱাৰীত চিপাঝাৰৰ কুৰোৱাত নগাওঁ ৰূপহী বজাৰৰ পৰা কিনা গৰু উদ্ধাৰ কেনেকৈ হ'ল? ভালকৈ ভাৱকচোন, কাৰণ সেই ৰাস্তাটো যোৰাবাট হৈ বাংলাদেশলৈ আছিল। যিহেতু আমাৰ থানাবিলাক এলাৰ্ট হৈ গ'ল সেই কাৰণে নগাওঁৰ ৰূপহীত কিনা গৰু আহি ২৯ তাৰিখে চিপাঝাৰৰ কুৰোৱাত উদ্ধাৰ হৈ গ'ল। পুলিচেটো ধৰিয়ে আছে, তথাপি তেওঁলোকক অকণমান ফোৰ্চৰ দৰকাৰ। কাৰণ গৰু ধৰি থাকিলে আমাৰ বাকী কাম কেতিয়া কৰিব? গতিকে অতিৰিক্ত ফোৰ্চ আমাৰ থানা বিলাকক অত্যন্ত দৰকাৰ হৈ পৰিছে। আটাইতকৈ ডাঙৰ কথা যিবোৰ গৰুৰ বজাৰ, সেই বজাৰ বিলাকত কিন্তু অকমান নাকী লগাবলৈ মই অনুৰোধ কৰিলো। কাৰণ নমাইলৰ গৰুৰ বজাৰ, ৰূপহীৰ গৰুৰ বজাৰ তাৰপিছত নগাঁও, হোজাই, মৰিগাঁৱত সাপ্তাহিক আৰু অৰ্ধ সাপ্তাহিক গৰুৰ বজাৰো বহে। তাৰ যিবোৰ ৰছিদ আছে সেই ৰছিদ বিলাক ভূৱা। এইকাৰণে মই ভূৱা বুলি কৈছো কাৰণ তাত কোনে কিনিছে, কোনে বিক্ৰী কৰিছে তাৰ কোনো হিচাপ নাই। এটা দালাল চক্ৰই এই গৰুবোৰ কিনা-বেচা কৰে। সেই ৰছিদবিলাক দালালে দিয়ে। গতিকে এই গৰুৰ বজাৰ বিলাকত অতি সোনকালে নাকী লগাওঁক। মই খুব ভাল পাইছো, গৌৰীপুৰ থানাক ধন্যবাদ জ্ঞাপন কৰিছো। গৌৰীপুৰৰ যিখন গো বজাৰ প্ৰশাসনে অভিযান চলাই অবৈধ কিছুমান কাগজ-পত্ৰ তেওঁলোকে জব্দ কৰিছে। যিবোৰ ৰছিদ বৈধ নাছিল। গতিকে এই গৰুৰ বজাৰ বিলাকক নাকী লগাওঁক। যিহেতু আমি ৰাজপথ বিলাকত আমাৰ থানা সমূহ খুব ষ্ট্ৰিক হৈ পৰিছে সেইবাবে এতিয়া চোৰাং কাৰবাৰ সমূহত জলপথ ব্যৱহাৰ কৰিছে। গতিকে এই জলপথৰত আমাৰ ৰিভাৰ পুলিচ আছে হয়তো পৰ্য্যাপ্ত নহয়, ৰিভাৰ পুলিচকো সক্ষম কৰি দিয়াতো আমাৰ দৰকাৰ বা প্ৰয়োজন আহি পৰিছে। ৰঙিয়াত যিকেইটা গৰু জব্দ হ'ল আমাৰ ২৫ ফেব্ৰুৱাৰী তাৰিখে তাত কিন্তু এজন কংগ্ৰেছী

নেতা ধৰা পৰিছে, এইটো মই আজি বিধান সভাত জনাই থৈছো। এতিয়া আহো ধুবুৰীৰ ফালৰ পৰা, ধুবুৰীৰ দক্ষিণ শালমাৰ মানকাচাৰ অঞ্চলটো অলপ চেনচেটিভ হৈ আছে। এই কাৰণে সংবেদনশীল হৈ আছে যিহেতু সেইখিনি অসম বাংলাদেশৰ বোৰ্ডাৰ। যিহেতু অসম বাংলাদেশৰ বোৰ্ডাৰ হয় সেইবাবে আপোনালোকে নিশ্চয় অনুভৱ কৰিছে আমাৰ থানা আৰু পুলিচে কিমান তেওঁলোকে দিনে ৰাতি পৰিশ্ৰম কৰিব লগা হয়। কিন্তু ৰাস্তা বোৰ এনেকুৱা গাঁৱৰ সৰু ৰাস্তা পাৰ হৈ যায়। নদীয়েদি গৈ ব্ৰহ্মপুত্ৰত গুচি যায়। তেওঁলোকে জব্দ কৰে কিন্তু অত্যন্ত কষ্টৰ সন্মুখীন হৈছে। মই এই কাৰণে কৈছো কষ্টৰ সন্মুখীন হৈছে বুলি কাৰণ সেই গৰুবোৰ বেছিকৈ চৰ অঞ্চলবোৰত ৰখা হয়। যেনে মহামায়া চৰ, হাতীচৰ, ৰথমাৰী চৰ, ধুবুৰীৰ হালখুৱা চৰ, বাইলাৰ চৰ, এই বাইলাৰ চৰত কি হয় ওখ ওখ কহুৱা বিলাকত গৰুবোৰ লুকুৱাই থৈ দিয়ে। বাইলাৰ চৰত আমি নিজেই গৈ চাই আহিছো। ওখ ওখ কহুৱা বোৰৰ মাজত যদি হাজাৰ হাজাৰ গৰু লুকুৱাই থৈ দিয়ে কোনেও দেখা নাপাব। সেই চৰ বিলাকৰ পৰা গৰু বিলাকক ৰাতিয়ে পানীয়েদি চালান দিয়ে। গতিকে আমাৰ থানাই ৰাস্তাবোৰ সুৰক্ষিত কৰিছে কিন্তু পানীৰ ক্ষেত্ৰত অৰ্থাৎ জলপথৰে গৰুবোৰ বাংলাদেশলৈ

লৈ যোৱা হয়। সেই কাৰণে অতি সোনকালে কিবা এটা কৰিবৰ কাৰণে প্ৰয়োজন হৈছে। কাৰণ এই কাৰণে কৈছো বাংলাদেশ এতিয়া অৰ্থনৈতিক ভাৱে যথেষ্ট সৱল হৈ পৰিছে আমাৰ গৰুৰ দ্বাৰা। এতিয়া এনেকৈ কয় তোমাৰে বাহ গছ নি খৰিচা বনাই তোমাকে বেচিছো কথাটো। কথাটো তেনেকুৱা ধৰণৰ। গৰু ৰপ্তানীৰ ক্ষেত্ৰত বাংলাদেশ is holding the second position in the World. গো ৰপ্তানিৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত দ্বিতীয় স্থানত আছে বাংলাদেশ। বাংলাদেশৰ গো মাংস processed food হৈ , dry food হৈ আৰু raw material হিচাপে ইংলেণ্ড, আমেৰিকা, অষ্ট্ৰেলিয়া আদি সকলোতে চালান হয়। ইমান ধনী হৈ গৈছে আমাৰ গৰুৰে। আগৰ কংগ্ৰেছ চৰকাৰ কিয় শুই আছিল মই নাজানো। কিন্তু আমাৰ চৰকাৰে এতিয়া অহৰহ চেষ্টা চলাইছে তথাপি দুটা ৰাস্তাত অতি সাবধান হ'ব লাগিব। আগমনিৰ ওচৰত এখন গাঁও আছে, সেইখন খেৰবাৰী চতুৰ্থ খণ্ড বুলি কয় আৰু সেই চতুৰ্থ খণ্ডটোৰ লগত ৱেষ্ট বেংগলৰ বালাফুদ অঞ্চলটো জড়িত হৈ আছে। গতিকে সেই বালাফুত অঞ্চলত গৰুবোৰ ৰাখি কালাজল নদীৰে গৈ বাংলাদেশ সোমায়। দ্বিতীয় ৰাস্তা এটা আছে সেইটো হ'ল হালখুৱাৰ বিদ্যাদাৰৰি তৃতীয় খণ্ড আছে, সেই গাঁৱৰৰ মাজেৰে গৈ গংগাধৰ নৈ হৈ গৌৰীপুৰ হৈ বাংলাদেশ যায়। এই ৰাস্তা কেইটাত আমাৰ ধুবুৰীৰ এচ পি বা দক্ষিণ শালমাৰাৰ সেই গোটেই পুলিচ প্ৰশাসনক এক্টিভ কৰাই দিয়ক যিহেতু ৰাস্তাকেইটা আমি জানো। গতিকে এই ৰাস্তাকেইটাৰে নিশ্চয় ধৰিব পাৰি। কিন্তু আৰু এটা বৰ দুখৰ বিষয় আছে, আমাৰ চৰকাৰে চেষ্টা কৰি আছে যিবিলাক গৰু আমি ধৰো, এতিয়া সেইদিনাখন ৰঙিয়াত গৰু ধৰিলো তাৰ পিছত গৰুবোৰ আমি ৰাখো ক'ত, ইমান অবৰ্ণনীয় অৱস্থাত গৰুবোৰ আহে। আমাৰ খোৱাৰ বিলাক আছে, কিন্তু খোৱাৰ বিলাক কোনে চলাইছে সকলোতকৈ ডাঙৰ কথা সেইদিনাখন বশিষ্টৰ ওচৰত এটা খোৱাৰ আছে তাত নাম লিখি থৈ দিছে অমুক নম্বৰ খোৱৰ, পৌৰসভাৰ পঞ্জীয়ন নম্বৰ ইমান আৰু ফোন নম্বৰ এটা দি থৈ দিছে। কিন্তু সেই খোৱাৰ বিলাকৰ ব্যৱসায়ী সকল যি এটা গোষ্ঠীৰ পৰা আহিছে তেওঁলোকে সেই খোৱাৰ বিলাকত কিন্তু গৰুবোৰৰ নথিপত্ৰ নাই। তাত নথিপত্ৰ থাকিব লাগে যে কোন দিনাখন গৰু ধৰিছে, কোন তাৰিখে ধৰিছে, ক'ৰ পৰা ধৰিছে কোনো তেওঁলোকৰ হাতত তাৰ নথিপত্ৰ নাই। তাৰ ফলত সঠিক ভাৱে গৰু কিমান 'খোৱাৰ'ত আছিল বা আছে তাৰো কোনো প্ৰমাণ নাই। গতিকে ৰাতি ৰাতি যদি খোৱাৰ বিলাকৰ পৰা গৰু বোৰ বেচা যায় তেতিয়াহলে

সেইটো কোনে ধৰিব? গতিকে খোৱাৰ বিলাকৰ মালিক বিলাকৰো এটা সম্পূৰ্ণ চাৰ্ভে হ'ব লাগে আৰু তেওঁলোকক কোনে খোৱাৰ বিলাক লৈ আছে বা কোনে খোৱাৰ বিলাক ডাকত লৈছে এইবিলাক কিন্তু আমাৰ চৰকাৰে অতি সোনকালে চকু দিব লাগে। দ্বিতীয়তে, আমাৰ চৰকাৰে আৰু এটা পদক্ষেপ লৈছে সেইটো খুব ভাল লাগিছে যে এইটো হ'ল গৈ গৰুৰ ক্ষেত্ৰত আমাৰ নৰেন্দ্ৰ মোডীয়ে কৈছে যে গো, গংগা আৰু গৌৰী ৰক্ষা কৰিব লাগে। গংগা হ'ল আমাৰ ব্ৰহ্মপুত্ৰ, গৌৰী হ'ল আমাৰ মহিলা-ছোৱালী সমাজ আৰু গো মানে আমাৰ গো ধন। গতিকে এই গো ধন ৰক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিমান চেষ্টা কৰিছে, আমাৰ বাতৰি বিলাক পাই মই অভিভূত হৈ গৈছো যে গৰু ৰক্ষাৰ কৰাণে আমাৰ থানাই কিমান কষ্ট কৰি আছে। গতিকে আপোনাৰ জৰিয়তে আৰু অধিক পৰিমানে ফোৰ্চ দিবৰ কাৰণে অনুৰোধ কৰিলো আৰু তাৰ লগতে ৰাইজ আৰু সংগঠন সমূহকো সজাগ হ'বৰ কাৰণে অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ ডাঙৰীয়া, Notice under rule 301ৰ অধীনত

শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে সোধা অসমৰ গোধন সম্পদৰ লুণ্ঠন আৰু ইয়াৰ পৰিণতি, ১১ ফেব্ৰুৱাৰী, ২০২০ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত হোৱা বাতৰিৰ ওপৰত তেখেতে বক্তব্য খিনি ৰাখিছে আৰু আৰু আমাৰ চৰকাৰ হোৱাৰ আৰম্ভণিৰ পৰাই আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই যে গৰু সৰবৰাহ চলি আছিল সেই বিষয়টো আৰম্ভণিৰ পৰাই চকু দি থকা হৈছে। এই সম্পৰ্কত প্ৰতি মুহুৰ্ততে অসমৰ বাহিৰত, বালাংদেশলৈ বা বিভিন্ন ঠাইলৈকে গৰু যাতে চালান হ'ব নোৱাৰে তাৰ বাবে অসম পুলিচে বিভিন্ন ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে। বহুত গাড়ী জব্দ কৰিছে আনকি অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পাব যে গৰু ব্যৱসায়ৰ লগত যিজন মানুহ জড়িত তেওঁৰ অফিচ আছে জোৰাবাটত। তেওঁ বিহাৰৰ এখন গাওঁত থাকে। আগতে তেওঁ মুক্ত ভাবে এই ব্যৱসায়টো চলাই আহিছে । আমাৰ চৰকাৰ অহাৰ পিছত বিষয়টো অতি গুৰুত্ব সহকাৰে ললো। তেতিয়া তেওঁ বিহাৰলৈ গুচি গ'ল আৰু বিহাৰৰ পৰা এই ব্যৱসায়টো চলাবলৈ চেষ্টা কৰিছিল আৰু অসম পুলিচৰ এটা ডাঙৰ সফলতা যে সেই ব্যক্তি জনক, যিজন গো-মাফিয়া তেখেতক বিহাৰৰ এখন গাওঁৰ পৰা কৰায়ত্ব কৰি জেলত বন্দী কৰি ৰাখিছে। গতিকে অসম চৰকাৰৰ গৃহ বিভাগৰ এইটো এটা ডাঙৰ সফলতা । আমাৰ চৰকাৰ অহাৰ লগে লগে এনেকুৱা ধৰণৰ অবৈধ ভাবে চলি থকা ব্যৱসায় আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত দৃষ্টান্তমূলক ভাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে । এইটো সত্য নহয় যে অসমৰ অবৈধ গো-ধন সম্পদৰ অবৈধ বেপাৰ চলি থাকিবলৈ দিয়া হৈছে। অসম চৰকাৰে এই ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰিছে আৰু আইনগত ভাবে সমগ্ৰ অসমতে কঠোৰ ভাবে এই ব্যৱসায় বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে । ০১-০৬-২০১৬ চনৰ পৰা ২২-০২-২০২০ লৈকে অবৈধ গো ব্যৱসায়ৰ বিৰূদ্ধে লোৱা ব্যৱস্থাৰ পৰিসংখ্যা এনে ধৰণৰ-

গোচৰ পঞ্জীয়ন - ৪৮৯

গৰু সৰবৰাহ কৰা গাড়ী- ৩০৯ জব্দ কৰা হৈছে ।

গো-ধন জব্দ - ১৪,৭৬৯ টা

সৰবৰাহকাৰী - ১১৩০ জনক গ্ৰেপ্তাৰ কৰা হৈছে ।

অসমীয়া প্ৰতিদিন কাকতৰ ২৬-০২-২০২০ তাৰিখৰ বাতৰি উত্তৰ গুৱাহাটীৰ জয়পুৰত ২৭ টা গৰুসহ ১২ চকীয়া ট্ৰাক জব্দ সম্পৰ্কত জনোৱা যায় যে ০১-০২-২০২০ তাৰিখে চাংসাৰি আৰক্ষী চকীৰ অন্তৰ্গত উত্তৰ গুৱাহাটী আৰক্ষী চকীত আৰু আবু কালাম, পিতাঃ শ্বেখ আলম, গাওঁ-মুৰুচা, থানা-আলম বজাৰ, জিলা-বীৰভাংগা, পশ্চিমবংগ ই এফ আই আৰ যোগে জনায় যে পেচাত তেওঁ এজন ড্ৰাইভাৰ আৰু তেওঁৰ ট্ৰাকৰ নং- WB-15C-9977 গাড়ীত আলীপুৰ দুৱাৰৰ পৰা গুৱাহাটীলৈ ২৭ টা গৰু সহ ৰাওনা হোৱাৰ পথত উক্ত দিনা বিয়লি ৬ঃ৩০ বজাত আমিনগাওৰ অক্ষয় পাত্ৰ ফাউণ্ডেশ্যনৰ ওচৰত হঠাৎ এখন কলা স্কৰপিঅ', এখন ডাষ্টাৰ আৰু এখন বলেৰ' গাড়ীৰে তেওঁৰ গাড়ীখন আগভেটি ধৰে আৰু চাৰিজন দুৰ্বৃত্তই জোৰ-জবৰদস্তি কৰি ড্ৰাইভাৰৰ কেবিনত সোমায় আৰু ট্ৰাক খনৰ চাবি, অভিযোগকাৰী আৰু তেওঁৰ সহযোগীৰ পইচাৰ বেগ কাঢ়ি লয়। অভিযোগকাৰীয়ে জনোৱা মতে তেওঁৰ বেগত নগদ ৫ হাজাৰ টকা আৰু গৰু সৰবৰাহৰ চালান সহ সকলো নথি মজুত আছিল । যোৱাৰ সময়ত দুৰ্বিত্ত সকলে ট্ৰাকৰ পিছফালৰ পৰা ঢাকনি খুলি দিয়াত গৰুবোৰ ৰাজপথত নামি যায়। এই সন্দৰ্ভত আৰক্ষীয়ে চাংসাৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই ভাৰতীয় দণ্ডবিধি আইনৰ ৩৯৪ ধাৰাত গোচৰ ৰুজু কৰে। গোচৰ নং-১০১/২০২০। ইয়াৰ পিছত আৰক্ষীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু তদন্তকাৰী বিষয়াই অভিযোগকাৰী আৰু স্থানীয় সাক্ষীৰ ভাষ্য গ্ৰহণ কৰে। ট্ৰাক গাড়ী আৰু গো-ধন আইনগত ভাবে জব্দ কৰে আৰু

পিছত যাৱতীয় নথি-পত্ৰ পৰীক্ষা কৰি গাড়ী আৰু গো-ধন মুকলি কৰি দিয়ে। গোচৰটোৰ বৰ্তমানেও তদন্ত চলি আছে । গতিকে অধ্যক্ষ ডাঙৰীয়া, মই আজি বিধানসভাত আশ্বস্থ কৰিব বিচাৰিছো যে মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত গঠিত হোৱা আমাৰ চৰকাৰে ২০১৬ চনৰ পৰা এই ক্ষেত্ৰত বহুতো কঠোৰ সিদ্ধান্ত লৈছে আৰু বাংলাদেশলৈকে যিবিলাক গৰু সৰবৰাহ হৈ আছিল বা বিভিন্ন ঠাইলৈ সৰবৰাহ হৈ আছিল, সেই সম্পৰ্কত ইতিমধ্যে ১১৩০ জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে। গতিকে মই সদনৰ লগতে মাননীয়া সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীকো আশ্বস্থ কৰিব বিচাৰিছো যে চৰকাৰে এই গো-ধন সৰবৰাহৰ ক্ষেত্ৰত যিবিলাক অবৈধ ব্যৱসায় সেইবিলাকক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব ।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-৬। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই ২০১৮ চনৰ State Accountability Commission, Assam ৰ Annual Report place কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** Hon'ble Speaker Sir, I, on behalf of Chief Minister of Assam to lay the Annual Report of State Police Accountability Commission, Assam for the year 2018-19.

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-৭।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** Hon'ble Speaker Sir, I, on behalf of Shri Sarbananda Sonowal, Cheif Minister of Assam to lay the Annual Report of Assam Information Commission for the year 2018-19.

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-৮।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** Sir, I beg to lay the Annual Accounts and the Audit Report of Assam State Transport Corporation for the year 2016-17.

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-৯।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** Hon'ble Speaker Sir, I beg to present "The 16th Report of the Rules Committee, Assam Legislative Assembly".

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং-১০।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** Hon'ble Speaker Sir, I, on behalf of Finance Minister of Assam, I beg to lay 20 nos. of Extraordinary Gazette Notification of the Finance (Taxation) Department, Govt. of Assam, dtd.30-12-2019.

**Hon’ble Speaker :** Now, on behalf of Agriculture Minister, again you can lay.

**Shri C.M.Patowary (Parliamentary Affairs Minister):** Hon’ble Speaker Sir, on behalf of Hon’ble Minister Agriculture, Shri Atul Bora, I beg to lay “the Separate Audit Report on the Accounts of Assam Agriculture University, Jorhat for the year 2011-2012 & 2012-

2013.

**Hon'ble Speaker :** Now, Hon'ble Member, Shri Ramendra Narayan Kalita, Chairman, Committee on Petitions to present the 45th Report.

**Shri Ramendra Narayan Kalita (Guwahati west) :** Hon'ble Speaker Sir, I beg to present the 45th Report of the Committee on Petitions, Assam Legislative Assembly.

**Hon'ble Speaker :** Now, Dr. Numal Momin.

**Dr. Numal Momin :** Hon'ble Speaker Sir, I beg to present the 54th Report of the Committee on Government Assurances, Assam Legisative Assembly.

**Hon'ble Speaker :** Now, Shri Binanda Kumar Saikia, Chairman, Committee on Local Fund Accounts to present the Third Report.

**Shri Binanda Kumar Saikia,MLA :** Ho'ble Speaker Sir, I beg to present Third Report of the Committee on Local Fund Accounts, Assam Legislative Assembly.

**Hon'ble Speaker :** Next, Shri Chandra Mohan Patowary.

**Shri Chandra Mohan Patowary (Minister Parliamentary Affairs etc.) :** Hon'ble Speaker Sir, in persuance of Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, this Assembly do elect 2 (two) Members in accordance with the principle of proportional representation by means of the single transferable vote to fill up the existing vacancy of the Committee on the Welfare of Other Backward Classes & More Other Backward Classes to function with immediate effect till expiry of the term of the Present Committee.

**Hon'ble Speaker :** Shri Siddhartha Bhattacharya to introduce another Bill.

**Shri Sirdhartha Bhattacharaya,(Minister, Law & Justice etc.) :** Hon'ble Speaker Sir, The Court-Fees (Assam Amendment) Bill, 2020"বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**Hon'ble Speaker :** বিধেয়কখন সদনত উত্থাপন কৰাত সদনৰ অনুমতি আছে নে?

( সদনে অনুমতি জনায়।)

**Shri Sirdhartha Bhattacharaya,(Minister, Law & Justice etc.) :** Sir, The Court-Fees (Assam Amendment) Bill, 2020''বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**Hon'ble Speaker :Thank you .**এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব,অসম বিধান সভা ঃ বিধেয়কখনৰ শিৰোনামা** " The Court-Fees (Assam Amendment) Bill, 2020''

**Hon'ble Speaker :** Shri Siddhartha Bhattacharya to introduce another Bill.

**Shri Siddhartha Bhattacharya (Minister, Guwahati Development etc.) :** Hon'bleSpeaker Sir, The Guwahati Municipal Corporation (Amendment)Bill, 2020 বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

Honble Speaker : বিধেয়কখন উত্থাপন কৰিবলৈ অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে অনুমতি প্ৰদান কৰে)

**Shri Siddhartha Bhattacharya (Minister, Guwahati Development etc.) :** Hon'ble Speaker Sir, The Guwahati Municipal Corporation (Amendment)Bill, 2020 বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

Hon'bleSpeaker ঃ এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামাটো পঢ়ি দিব।

**প্ৰধান সচিব,অসম বিধান সভা ঃ বিধেয়কখনৰ শিৰোনামা** "The Guwahati Municipal Corporation (Amendment)Bill, 2020".

**Shri Chandra Mohan Patowary (Minister, Parliamentary Affairs etc.) :** Ho'ble Speaker Sir, I on behalf of Hon'ble Finance Minister of Assam beg to present the list of Supplementary Demand for Grants and Supplementary Appropriation for the year 2019-20.

**Hon'ble Speaker : এতিয়া মই শেষৰ কাৰ্যসূচী মৃত্যু প্ৰসঙ্গলৈ যাব বিচাৰিছো।**

চতুৰ্দশ অসম বিধান সভাৰ একাদশ অধিৱেশন সমাপ্তিৰ পৰা আজি ০২-০৩-২০২০ তাৰিখে দ্বাদশ তথা বাজেট অধিৱেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ভালে কেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে । অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

**১) প্ৰণৱ কুমাৰ গগৈ**

অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ তথা প্ৰাক্তণ আইন মন্ত্ৰী প্ৰণৱ কুমাৰ গগৈ ডাঙৰীয়াই ২০০১ পৰা ২০১৬ চনলৈ চাৰিবাৰকৈ শিৱসাগৰ বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিবাৰ্চিত হৈছিল। ২০০৬ চনৰ পৰা ২০১১ চনলৈ ৰাজ্য

চৰকাৰৰ মন্ত্ৰী সভাত আইন, হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০১১ চনৰ পৰা ২০১৬ চনলৈ অসম বিভান সভাৰ অধ্যক্ষৰ আসন অলংকৃত কৰিছিল আৰু মৃত্যুৰ আগমূহূৰ্তলৈকে তেখেতে শিৱসাগৰ বিধান সভা সমষ্টিৰ বিধায়ক হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছিল। জীৱন কালত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ গুৰু দায়িত্ব বহন কৰি নিষ্ঠাৰে সমাজ সেৱাত মনোনিৱেশ কৰা গগৈ ডাঙৰীয়াই বিধান সভাৰ অধ্যক্ষ ৰূপে কাৰ্য্যনিৰ্বাহ কৰোতে আমাৰ ৰাজ্যখনত খিলঞ্জীয়াৰ অধিকাৰ সুনিশ্চিত কৰাৰ স্বাৰ্থত ‘ অসমীয়াৰ সংজ্ঞা’ নিৰুপণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। গগৈ ডাঙৰীয়াৰ মৃত্যু আমাৰ সমাজ জীৱনৰে নহয় অসমীয়া জাতিৰ এক অপূৰণীয় ক্ষতি।

**২) ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই**

অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা সোণাৰি বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই ডাঙৰীয়াই ১৯৮৫ চনত সোণাৰি বিধান সভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনলৈ দক্ষতাৰে সেৱা আগবঢ়োৱাৰ লগতে ১৯৮৬ চনৰ পৰা ১৯৯০ চনলৈ অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৯০ চনত তেখেতে ৰাজ্যসভাৰ সাংসদ হিচাপেও নিৰ্বাচিত হৈ ৰাজ্যখনৰ ৰাজনৈতিক আৰু সমাজ জীৱনলৈ বলিষ্ঠ অৱিহণা আগবঢ়াই থৈ গৈছে।

**৩) হাবুল চক্ৰৱৰ্তী**

বিশিষ্ট ৰাজনীতিবিদ, ঢেকীয়াজুলি বিধান সভা সমষ্টিৰ প্ৰাক্তণ বিধায়ক তথা প্ৰাক্তণ সংসদীয় সচিব হাবুল চক্ৰৱৰ্তী ডাঙৰীয়াই ২০১১ চনত ঢেকীয়াজুলি বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যখনলৈ দক্ষতাৰে সেৱা আগবঢ়োৱা ৰ লগতে কিছুদিনৰ বাবে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাত সংসদীয় সচিব হিচাপেও দায়িত্ব পালন কৰিছিল। তেখেতে জীৱন কালত বিভিন্ন সামাজিক অনুষ্ঠান - প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত থাকি ৰাজ্যলৈ সেৱা আগবঢ়াইছিল।

**৪) যতীন্দ্ৰ নাথ দাস**

বিশিষ্ট মুক্তিযোদ্ধা যতীন্দ্ৰ নাথ দাস ডাঙৰীয়াই স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰি দেশ মাতৃলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতৰ মহান কৰ্মৰাজিৰ

স্বীকৃতি স্বৰূপে ৰাজ্য চৰকাৰে মুক্তিযুঁজাৰু পেঞ্চেনেৰে সন্মানিত কৰিছিল।

**৫) শ্ৰীকান্ত গোস্বামী**

বিশিষ্ট সত্ৰাধিকাৰ শ্ৰীকান্ত গোস্বামী ডাঙৰীয়াই ১৯৮৯ চনত শ্ৰীশ্ৰী বদলা পদ্মআতা সত্ৰৰ সত্ৰাধিকাৰ হিচাপে দায়িত্ব বহন কৰি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত আধ্যাত্মিক চেতনাবোধ জাগ্ৰত কৰাৰ উপৰিও শান্তি ,সম্প্ৰীতি আৰু ভাতৃত্ববোধ অক্ষুণ্ণ ৰখাৰ দিশত নিৰবচ্ছিন্নভাৱে অৱিহণা যোগাইছিল। শ্ৰীশ্ৰীমাধৱদেৱ গুৰুজনাৰ নামত নাৰায়ণপুৰত ‘ মাধৱদেৱ কলাক্ষেত্ৰ’ নিৰ্মাণৰ বাবে তেখেতে ভূমি দান কৰি মহানুভৱতা প্ৰদৰ্শন কৰি থৈ গৈছে। দেশৰ স্বাধীনতা আন্দোলনত আগবঢ়োৱা অৱদানৰ বাবে গোস্বামী ডাঙৰীয়াক ৰাজ্য চৰকাৰে মুক্তিযোদ্ধা পেঞ্চনেৰে সন্মানিত কৰিছিল।

**৬) গোলক চন্দ্ৰ গোস্বামী**

অসমীয়া ভাষা-সাহিত্যৰ মহীৰূহ, ভাষাবিদ তথা সাহিত্যাচাৰ্য্য গোলক চন্দ্ৰ

গোস্বামী ডাঙৰীয়াই অসমীয়া ভাষাতত্ব-চৰ্চাৰ ক্ষেত্ৰত বিশেষ নৈপুন্য প্ৰদৰ্শন কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অসমীয়া ভাষাৰ প্ৰসাৰ আৰু উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতে ভাষাতত্ব বিষয়ক গ্ৰন্থ ৰচনাৰ লগতে অভিধান,অনুবাদ সাহিত্য প্ৰণয়ন আৰু গ্ৰন্থ সম্পাদনাৰ দ্বাৰা অসমীয়া ভাষা-সাহিত্যক উজ্জীৱিত কৰি তুলিছিল। গোস্বামী ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ মুৰব্বী হিচাপেও শৈক্ষিক উত্তৰণৰ দিশত যথেষ্ট বৰঙণি আগবঢ়াই গৈছে ।

**৭) শশী শৰ্মা ঃ** বিশিষ্ট চিন্তাবিদ ও সাহিত্যিক শৰ্মা ডাঙৰীয়াই এগৰাকী প্ৰখ্যাত সাহিত্যিক ৰূপে মেক্সিম গৰ্কী, ৰুছ বিপ্লৱ, ধৰ্ম আৰু সমাজ আদিকে ধৰি বহুকেইখন অমূল্য গ্ৰন্থ ৰচনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। তেখেতে সাহিত্য চৰ্চাৰ সমান্তৰালকৈ নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপেও শৈক্ষিক উত্তৰণৰ দিশত উল্লেখযোগ্য সেৱা আগবঢ়াই থৈ গৈছে। শৰ্মা ডাঙৰীয়াই জীৱন কালত ছোভিয়েট দেশ নেহৰু বঁটাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু উচ্চস্তৰীয় বঁটা ও সন্মানেৰে সন্মানিত হোৱাৰ উপৰিও ৰাজ্য চৰকাৰে তেখেতক সাহিত্যিক পেঞ্চনেৰে সন্মানিত কৰিছিল।

**৮) তৰণী কান্ত বৰ্মন ঃ** প্ৰবীন ফটো সাংবাদিক তৰণী কান্ত বৰ্মন ডাঙৰীয়াই অসমৰ ক্ৰীড়া সাংবাদিকতাৰ অন্যতম বাটকটীয়া আছিল। তেখেতে ট্ৰিবিউন গোষ্ঠী, জি এল পাব্লিকেশ্বন আৰু অগ্ৰদূত গোষ্ঠীৰ লগত জড়িত থাকি নিষ্ঠাৰে সংবাদ সেৱা আগবঢ়োৱাৰ লগতে নতুন দিল্লীত অনুষ্ঠিত এছিয়ান গেমছৰ উপৰিও বহু কেইখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল তথা গুৱাহাটী ৰাষ্ট্ৰীয় ক্ৰীড়াকে ধৰি বিভিন্ন ক্ৰীড়া প্ৰতিযোগীতাৰ 'অফিচিয়েল ফটো সাংবাদিক'ৰূপে সেৱা আগবঢ়াইছে। তদুপৰি বৰ্মন ডাঙৰীয়াই ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ৰ সহকাৰী বৈজ্ঞানিক হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

**৯) নৃপেন সভাপণ্ডিত ঃ** বিশিষ্ট ক্ৰীড়া সংগঠক নৃপেন সভামণ্ডিত ডাঙৰীয়াই ফুটবল আৰু ক্ৰিকেট উভয় ক্ষেত্ৰতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰি ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ১৯৬৫-১৯৬৬ চনত কেৰেলাত অনুষ্ঠিত সন্তোষ ট্ৰফী ফুটবলত অসম দলক প্ৰতিনিধিত্ব কৰিছিল। তদুপৰি তেখেতে এগৰাকী সুনিপুণ ক্ৰীড়া সংগঠক আছিল। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি হিচাপে দায়িত্ব বহন কৰি সভামণ্ডিত ডাঙৰীয়াই খেল জগতত এক সুস্থ পৰিবেশ গঢ়াৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

**১০) হেমেন্দ্ৰ কুমাৰ গগৈ ঃ** বিশিষ্ট শিক্ষাবিদ, সু-সাহিত্যিক, সাহিত্যকাৰ তথা বিশিষ্ট সমাজ সেৱক হেমেন্দ্ৰ কুমাৰ গগৈ ডাঙৰীয়াই জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে ৰাজ্যখনৰ শিক্ষা, সাহিত্য, সংস্কৃতি আৰু সামাজিক জীৱনলৈ বলিষ্ঠ অৱিহণাৰে আগবঢ়াই থৈ গৈছে। তেখেতে অসমৰ নাট্য ক্ষেত্ৰখনক দৃঢ়তাৰে আগবঢ়াই নিয়াৰ বাবে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। গগৈ ডাঙৰীয়া এগৰাকী গল্পকাৰ হিচাপেও অসমীয়া সাহিত্য সভাত চহী কৰি থৈ গৈছে। তেখেতে এগৰাকী অধ্যাপক হিচাপেও বিজ্ঞানক জনপ্ৰিয়কৰণ আৰু নতুন প্ৰজন্মক বৈজ্ঞানিক মানসিকতাৰে আগুৱাই নিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। তদুপৰি গগৈ ডাঙৰীয়াই বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি বহু গুৰু দায়িত্ব বহন কৰিছিল। এখেত সকলৰ লগতে শশধৰ কাকতিৰ নামটো সোমাই মৃত্যু প্ৰসঙ্গ পৰ্বত তেওঁৰ নামটো সংযোজন কৰিম।

উল্লেখিত বৰেণ্য ব্যক্তি সকলৰ বিয়োগত দেশ তথা ৰাজ্যখনৰ জাতীয় জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া ইয়াত উল্লেখিত প্ৰয়াত ব্যক্তি সকলৰ পবিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহ

আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো। ( এক মিনিট সময় মৌনব্ৰত অৱলম্বন কৰে) ঔম শান্তি।

এতিয়া মই বিশিষ্ট গান্ধীবাদী হেম ভঁৰালী আৰু বিশিষ্ট গায়ক জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা আমাৰ সদনৰ ফালৰ পৰা কৰিলো। এতিয়া সদন অহা ইংৰাজী ০৩-০৩-২০২০ তাৰিখৰ পুৱা ৯ঃ৩০ বজালৈ স্থগিত ৰখা হ’ল।